# ASSAM

## Legislative Assembly Debates

## OFFICIAL REPORT

PROCEEDINGS OF THE SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTION UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**VOL. VI**

**NO. 9**

The 31st March, 1981

1990

PRINTED AT EVEREST PRINTERS, GUWAHATI-781005

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1981

## ( BUDGET SESSION )

VOLUME—VI

NO. 9

Dated the 31st March, 1981.

## CONTENTS


| | | Pages |
|---|---|---|
| 1. | Questions | 1—63 |
| 2. | Voting on vote on Accounts For 1981-82 | 63—77 |
| 3. | The Assam Appropriation ( Vote on Account ) Bill, 1981 | 78—138 |
| 4. | Adjournment sine die | 138 |

Proceedings of the Sixth Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur Gauhati on Tuesday, the 31st March, 1981 with the Hon. Deputy Speaker in the Chair, 11 (eleven) Minister, 5 (five) Ministers of State, and 99 (ninety nine) Members present.

## STARRED
## QUESTIONS AND ANSWERS
Date : 31st March, 1981.

( To which oral answers were given )

বিঃ গোলাঘাট মহকুমাত বানপানী ।

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

* ১২৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা ১৯৮০ চনটোত গোলাঘাট মহকুমাৰ গোলাঘাট সমষ্টিৰ অন্তৰ্ভুক্ত বিভিন্ন ঠাইত কেইবাৰ বানপানী উঠিছিল আৰু এই বানত প্লাবিত হোৱা ঠাই কিমান ?

(খ) বান প্লাবিত হৈ কোন কোন অঞ্চলত ক্ষয়-ক্ষতি কৰিলে ?

(গ) এনে ক্ষয়-ক্ষতি ৰোধ কৰিবৰ কাৰণে কি ব্যবস্থা লৈছে ?

(ঘ) এই প্ৰপীড়িত লোকসকলৰ সংস্থাপনৰ কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীমহম্মদ ইদ্ৰিচ ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

১২৬ (ক) ১৯৮০ চনৰ বানপানীত গোলাঘাট মহকুমাৰ গোলাঘাট সমষ্টি
২ বাৰ প্লাবিত হৈছিল আৰু তিনিটা মৌজাৰ কিছুমান অঞ্চল ।

(খ) কছাৰিহাট মৌজা, বিলাধাৰী মৌজা আৰু আঠগাওঁ মৌজা অঞ্চলত
বান প্লাবিত হৈ ক্ষয়-ক্ষতি কৰিলে ।

(গ) ক্ষতি হোৱা ৰাষ্টা, মথাউৰি, পানীছুৱাৰ আৰু কালভাৰ্টবোৰৰ প্ৰয়োজনীয়
মেৰামতি আৰু ওখ কৰা কাম হাতত লোৱা হৈছে । তদুপৰি মথাউৰিৰ
প্ৰয়োজনীয়তা সম্পৰ্কে তদন্ত চলোৱা হৈছে ।

(ঘ) কোনো ঘৰ সম্পূৰ্ণ বা আংশিক ভাবে অনিষ্ট হোৱা জনা নাযায়,
গতিকে প্ৰশ্ন নুঠে ।

শ্ৰীসোনেশ্বৰ বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, এই ক্ষয় ক্ষতিৰ ভিতৰত কিমান
স্কুল, কিমান ৰাষ্টা আৰু কিমান বাৰী-ঘৰ খেতি-পথাৰ লোকচান হৈছে জনাবনে ?

শ্ৰীএ, এফ, গোলাম ওচমানি ( মন্ত্ৰী )—গ প্ৰশ্নৰ উত্তৰত সকলো কোৱা
হৈছে । বেলেগ বেলেগ কৰি দেখুৱাবলৈ মোৰ হাতত এতিয়া ৰেকৰ্ড নাই ।
কিমান মাটি, কিমান বছৰত ক্ষতি কৰিছে সেইটো হিচাব আছে ।

শ্ৰীসোনেশ্বৰ বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, খেতি মাটি কিমান আছে সেই
খিনিকে জনাওক ।

শ্ৰীএ, এফ, গোলাম ওচমানি ( মন্ত্ৰী )—প্ৰথম বানপানীত প্ৰায় ০·২৮ লাখ
হেক্টৰ মাটি আৰু ৮০ হেজাৰ লোক, দ্বিতীয় বানপানীত ১৯ লাখ হেক্টৰ
মাটি আৰু ৬০ হেজাৰ লোক ক্ষতি গ্ৰস্ত হয় ।

শ্ৰীসোনেশ্বৰ বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, ক্ষয়-ক্ষতি জোৰা মাৰি খেতিয়ক
পৰিয়াল সকলক জীয়াই থকাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ।

শ্ৰীএ, এফ, গোলাম ওচমানি ( মন্ত্ৰী )—বানপ্লাৱিত অঞ্চলক বিনামূলীয়া সাহাৰ্য্য
হিচাবে ৬০ হেজাৰ টকা মঞ্জুৰ কৰা হৈছে । খাৰিফ আৰু ৰবি শস্যৰ বাবে
হাল বাই দিবৰ কাৰণে ট্ৰেক্টৰ যোগান আদিৰ কাৰণে সাহাৰ্য্য আগবঢ়োৱা
হৈছে । কৃষি বিভাগৰ সঞ্চালকক ১৭৬'৩৬ লাখ টকা দিয়া হৈছে ।

শ্ৰীসোনেশ্বৰ বৰা —উপাধ্যক্ষ মহোদয়, যিহেতুকে স্কুল বাইৰে কথা মন্ত্ৰী মহোদয়ে কব নোৱাৰে আন হাতে বানপানী হৈছে যোৱা শাওন-ভাদ মাহত, আৰু মই প্ৰশ্ন দিছোঁ ১ জানুৱাৰী ২ জানুৱাৰী তাৰিখে। কিন্তু আজিলৈকে তাৰ ৰিপৰ্ট সংগ্ৰহ কৰিব নোৱাৰিলে। গতিকে বৰ বেছি উত্তৰ পাম বুলি আশা কৰিব নোৱাৰো। বানপানী প্ৰতিৰোধৰ কাৰণে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লৈছে নেকি আৰু এই বানপানী কৰ পৰা কেনেকৈ, ইয়াৰ চৰ্চ টো কি জনাবনে ?

শ্ৰীএ, এফ, গোলাম ওচমানি ( মন্ত্ৰী )—ৰেকৰ্ডটোত কোৱা হৈছে যে ইয়াত ডুবাৰ বানপানী হৈছে।

শ্ৰীসোনেশ্বৰ বৰা—উপাধ্যক্ষ মহোদয়, ক'ৰ পৰা বানপানী হয় সেইটোহে সুধিছো। মাননীয় মন্ত্ৰী মহোদয়ে যদি বানপানী ক'ৰ পৰা কেনেকৈ হয়, কিয় হয়, সেই বিষয়ে একো নেজানে তেন্তে প্ৰতিৰোধৰ ব্যৱস্থা চৰকাৰে কেনেকৈ হাতত লব ?

শ্ৰীএ, এফ, গোলাম ওচমানি ( মন্ত্ৰী )—ৰিপৰ্ট মতে ঘিলাধাৰী মথাউৰীৰ ওপৰেদি পানী আহিছিল।

শ্ৰীগোলোক কাকতি —মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে এইটো কেৱল গোলাঘাট মহকুমাক কেন্দ্ৰ কৰিয়েই দিছে নে ?

মাননীয় উপাধ্যক্ষ—এইটো কেৱল গোলাঘাটক কেন্দ্ৰ কৰিহে হিচাব দিয়া হৈছে।

শ্ৰীগোলোক কাকতি—যদি গোটেই অসমৰ হিচাব দিয়া হৈছে তেন্তে এই বানপানীত গোটেই অসমৰ যিমান বিলাক স্কুল, ৰাষ্টা-ঘাট ক্ষয়-ক্ষতি হৈছে সেই বিলাকো ইয়াৰ লগতে সোমোৱা হৈছে নেকি, দয়া কৰি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীএ, এফ, গোলাম ওচমানি ( মন্ত্ৰী )—এই বিষয়ে বেলেগ নটিচ লাগিব।

## RE : R.A.I. CENTRE AT KUCHILA

Shri Dipak Bhattacharjee Asked :

*127. Will the Minister, Veterinary be pleased to state :

(a) What is the present position of R.A.I. Centre at Kuchila Hailakandi Sub-division ?

(b) When the Govt. will start the functioning of this centre?

Shri Abdul Fazal Golam Osmani, (Minister, Veterinary) Replied :

127 (a) Regional A.I. Centre is proposed to be started at Kuchil in 1981-82 under the I.C.D.P. Silchar. Necessary provision of staff has been made in the Annual plan for the year 1981-82.

(b) As soon as the buildings are ready, the centre will start functioning in full swing.

শ্রীদীপক ভট্টাচার্য—মাননীয় অধ্যক্ষ মহোদয়, এই আর এ আই সেণ্টার ১৯৬৯ ইং তে হওয়ার ব্যাপারে ডিরেক্টর ভেটেরিনারি একটি চিঠির মারফৎ জানিয়েছিলেন। কিন্তু দেখা যায় হাইলাকান্দির কুচিলাতে এই আর এ আই সেণ্টার না হয়ে ধলছড়াতে হয়ে গেল। যেখানে একই সাব-ডিভিশনের ভিতরে অর্থাৎ ঘুংঘুরে এই রকম একটা সেণ্টার রয়েছে সেখানে আরেকটা করে যেখানে অর্থাৎ হাইলাকান্দি সাব ডিভিশনে একটাও এই ধরণের সেণ্টার নাই সেখানে তা না করার কারণ কি?

Shri A. F. Golam Osmani, (Minister)—I think that impression is not right. Regional A. I. Centre means a Centre from which these artificial insemination facilities will be extended to a certain area and so, there should be a couple of regional A. I. centres in a district or subdivision. For Dhalchera, atleast at present, nothing now is done. There is at present a State dispensary.

শ্রীরামেন্দ্র দে—অধ্যক্ষ মহোদয়, এই ধরণের আর এ আই সেণ্টার সারা আসাম রাজ্যে কতটা আছে? আর, যদি কোন কোনও জেলায় না থাকে তাহলে সেইসব জেলায় এই আর এ আই সেণ্টার করার ব্যবস্থা করা হবে কি?

Mr. Deputy Speaker—Now the question is regarding R.A.I centre at Kuchila.

Shri Noorul Huda—It cencerns R. A. I. centre, Sir.

শ্ৰীরামেন্দ্র দে—মন্ত্রী মহোদয় বলেছেন যে প্রত্যেক জেলায় আর এ আই সেন্টার আছে। আছে কি না জানিনা। যদি না থাকে তাহলে করার ব্যবস্থা নেওয়া হবে কি?

Shri A. F. Golam Osmani, (Minister)—I don't think that every area has got A. I. centre. Every district has got a couple of centres but perhaps they have not covered all the areas.

শ্ৰীনিশীথ রঞ্জন দাস—এই কুচিলা আর এ আই সেন্টারের জন্য কত টাকা খরচ করা হবে মন্ত্রী মহোদয় বলবেন কি?

Shri A.F. Golam Osmani (Minister)—That will need a separate question and notice.

শ্ৰীআলাউদ্দিন চৰকাৰ—মাননীয় উপাধ্যক্ষ মহোদয়, এইটো জিলা ভিত্তিত কেন্দ্ৰীয় গো-প্ৰজনন কেন্দ্ৰ আছে নেকি? যদি নাই কেন্দ্ৰীয় ভিত্তিত সম্প্ৰসাৰণ কৰিব নেকি?

Shri A. F. Golam Osmani (Minister)—Generally, now, these things are done at the hospital level. Hon'ble Member's district comes under Operation Flood too and they have got a detailed Programme and execution will start soon.

শ্ৰীরামেন্দ্র দে—সভার, ডিষ্ট্রিক্ট এ আই সেন্টার নাম না হয়ে আর এ আই সেন্টার নাম করণ করার কারণ কি?

Shri A.F. Golam Osmani, (Minister)—Regional A.I. Centre means in relation to a region. If they have a centre it is not pattern-wise but in relation to a geographical pattern.

বিঃ হালাকুৰা শিলমাগৰী নয়াহাট ৰাস্তা।

শ্ৰীআলাউদ্দিন চৰকাৰে সুধিছে:

* ১২৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গোলকগঞ্জ, সমষ্টিৰ হালাকুৰা শিলমাগৰী নয়াহাট বাটটোৰ দীৰ্ঘতা কিমান কিলোমিটাৰ?

(খ) উক্ত বাটৰ ওপৰত মুঠ কেইখন দলং আছে ?

(গ) উক্ত দলংবোৰ যে বহুদিন ধৰি যাতায়তৰ কাৰনে তেনেই অনুপযুক্ত হৈ আছে সেই বিষয়ে চৰকাৰে জানেনে ?

(ঘ) যদি জানে, তেন্তে অতি সোনকালে উক্ত দলংবোৰ মেৰামতি কৰি যাতায়তৰ সুচল কৰি তুলিবনে ?

শ্ৰীএ, এফ, জি, ওচমানী (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে ।

১২৮ (ক) গোলকগঞ্জ, বিধান সভা সমষ্টিৰ অন্তৰ্গত 'হালাকুৰা শিলমাগৰী নয়াহাট' নামৰ গড়কাপ্তানী বিভাগৰ কোনো ৰাস্তা নাই । হালাকুৰা পোকালাগী নয়াহাট নামৰ এটি গড়কাপ্তানী বিভাগৰ ৰাস্তা আছে । এই আলিবাটৰ দৈৰ্ঘ্য ৬ (ছয়) কিলোমিটাৰ ।

(খ) হালাকুৰা পোকালাগী নয়াহাট ৰাস্তাৰ ওপৰত সৰ্বমুঠ ৬ (ছয়) খন কাঠৰ দলং আছে ।

(গ) হয়, আৰু সেই কাৰনে ৰাস্তাটো যানবাহনৰ বাবে বন্ধ আছে ।

(ঘ) মেৰামতিৰ সিতানত যথেষ্ট পূজীৰ উপবন্ধ ( provision ) নথকাৰ কাৰনে উপযুক্ত কাম হাতত লব পৰা হোৱা নাই ।

শ্ৰীআলাউদ্দিন চৰকাৰ— মন্ত্ৰী মহোদয়ে কৈছে যে এই আলিবাটটো ৬ কিঃ মিটাৰ দীঘল আৰু ইয়াত ৬ খন দলঙ আছে । কিন্তু মোৰ প্ৰশ্নটো হৈছে যে এই ৬খন দলঙেই বিকল। মন্ত্ৰী মহোদয়ে কৈছে যে টকাৰ অভাৱত এই কাম হাতত লব পৰা নাই । মই জানিব বিচাৰিছো যে ৬ কিঃ মিঃত ৬খন দলঙ আছে আৰু আটাই কেইখনেই বিকল। গোলোকগঞ্জ মহকুমাটো আন্তঃ ৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তত অৱস্থিত, সেই কাৰণে এই অঞ্চলৰ আলিবাটবোৰৰ অনান্য অঞ্চলৰ ৰাষ্টাতকৈ অগ্ৰাধিকাৰ দিব লাগে বুলি নাভাবেনে ? এই ৬খন দলঙ অনতি পলমে মেৰামতি কৰি চলাচলৰ ব্যৱস্থা কৰিবনে ।

Shri A. F. Gulam Osmani ( minister )—It is very unfortunate that the road is not in an useable position. I can appreciate the sentiments of the Hon'ble Member but the position of the department is also such that for maintenance and repair

whatever requirement we have got we failed to get more than 50% of it from the excheaquer. Our requirement is to the tune of 16·11 crores but this year we have got an allocation of 8·79 crores only. Nonetheless we are trying our best to cover up this type of deficiency and I can assure the Hon'ble Member that roads which are lying within 10 Kms of the international border will be covered by a special scheme now under consideration of the Union Home Ministry.

শ্ৰীআলাউদ্দিন চৰকাৰ—মন্ত্ৰী মহোদয়ে কৈছে যে ১০ কিঃ মিটাৰ আন্তঃ জাতিক সীমাৰ আলি পদূলি কেন্দ্ৰীয় চৰকাৰৰ ৰোড ডিভিজনৰ ভিতৰত কৰা হব, সেই কাৰণে মই জানিব বিচাৰিছো যে এই ৰাস্তাটোত যিবোৰ দলং কালভাৰ্ট আছে সেইবোৰ ছবৰ্ডাৰ ৰোডৰ ভিতৰত ধৰিবলৈ তাৰ নিয়ম মতে মেৰামতি কৰা হবনে ?

Shri A. F. Gulam Osmani ( Minister )— Sir, that is what I was trying to impress upon the Hon'ble Member. When the union Minister of State, Home Affairs. Shri Venkatasubhyya visited the border areas of Goalpara, in the way a proposal was given to him to take up some border roads in and around the borders. I hope we will be able to cover the border area schemes.

Starred question No. 129 was not taken up, the member being absent.

বিঃ মোৰামাৰীৰ পৰা গৰৈমাৰীলৈকে ব্ৰহ্মপুত্ৰৰ মথাউৰী।

শ্ৰীচামচুল হুদাই সুধিছে :

* ১৩০। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) শিলঘাট ঢিং ব্ৰহ্মপুত্ৰ মথাউৰীৰ মোৰামাৰীৰ পৰা গৰৈমাৰীলৈকে যোৱা বাৰিষাৰ বানপানীত কিমান ঠাইত ভিতৰৰ ফালে ( country side ) পানী নিগৰী মাটি গলি বালি গড়া খহিছিল ?

(খ) এই গড়াখহনীয়াৰ সংখ্যা আৰু পৰিমান ( বৰ্গমিটাৰত ) কিমান ?

(গ) অহা বাৰিষাৰ আগতে মথাউৰীৰ এই অংশৰ নবীকৰণৰ ব্যৱস্থা হবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী ( বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

১৩০ ( ক ) যোৱা বাৰিষাৰ বানপানীত শিলঘাট টিং মথাউৰীৰ মোৱামাৰীৰ পৰা গৰৈমাৰীলৈকে মথাউৰীৰ ১৩ (তেৰ) ঠাইত মথাউৰীৰ ভিতৰ ফালৰ ( Countrys side ) হেলনীয়া অংশইদি (side slope ) পানী নিগৰি ওলাওতে মাটি কুমলি যোৱাৰ ফলত সেইবোৰ ঠাইত মথাউৰীৰ ভিতৰ ফালৰ ( Country side ) হেলনীয়া অংশৰ মাটি খহিছিল ।

( খ) এই খহনীয়াৰ সংখ্যা হল ১৩ ( তেৰ ) আৰু পৰিমান ১১৯৭·২ বৰ্গমিটাৰ।

( গ ) ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰন বৰ্ডৰ অনুমোদন সাপেক্ষে অহা বাৰিষাৰ আগতে মথাউৰীৰ এই অংশ ওখ আৰু সবল কৰাৰ কাম হাতত লোৱাৰ কথা ভবা হৈছে ।

শ্ৰীচামচুল হুদা—মন্ত্ৰী মহোদয়ে কৈছে যে ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ আয়োগৰ অনুমোদন সাপেক্ষে ভবা হৈছে । এই দুয়োটাই ভবিষ্যতৰ কথা । এটা অহা বছৰ আৰু এটা তাৰো পিচৰ বছৰৰ। মই জানিব বিচাৰিছো যে অন্যান্য ঠাইত এই বছৰ মেৰামতিৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে। এই ঠাইবোৰৰ কাম হাতত লৈছেনে নাই ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী ( মন্ত্ৰী )—কাম আমি হাতত লৈছো আৰু কাম হাতত লোৱা হৈছে ।

শ্ৰীচামচুল হুদা— কাগজে কলমে হাতত লোৱাৰ কথা মই কোৱা নাই। মাটিৰ কাম আৰম্ভ হৈছেনে নাই ? নহলে এই বছৰ মথাউৰি ৰখাৰ উপায় নাই। ইমান গুৰুত্বপূৰ্ণ কামটোৰ এতিয়ালৈকে মাটিৰ কাম নকৰি কাগজে কলমেহে ভবাৰ কথা কৈছে । মই জানিব বিচাৰিছো বাস্তৱ ক্ষেত্ৰত অহা বাৰিষাৰ আগতেই চৰকাৰে এইটো মেৰামতি কৰিবনে নকৰে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰি ( মন্ত্ৰী )—কাম কৰিবলৈ ধৰা হৈছে। In Brahma putra Flood control Board that proposal was included and it has also got the approval.

মিঃ ডেঃ স্পীকাৰ —চাইটত মাটিৰ কাম আৰম্ভ হৈছেনে নাই ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰি— কৰিবলৈ নির্দ্দেশ দিয়া হৈছে আৰু ইয়াৰ কাৰণে এপ্ৰুভো কৰা হৈছে গতিকে কাম আৰম্ভ হৈছে।

শ্ৰীবানেশ্বৰ শইকীয়া —বাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে জনাইছে যে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগৰ অনুমোদন সাপেক্ষে কাম কৰাৰ কথা চিন্তা কৰা হৈছে। মন্ত্ৰী মহোদয়ে জনাবনে যে ব্ৰহ্মপুত্ৰৰ বান্ধৰ কাৰণে বান নিয়ন্ত্ৰণ সন্থাৰ অনুমোদন আহিবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰি—অনুমোদন পোৱা হৈছে।

শ্ৰীবানেশ্বৰ শইকীয়া—ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ সন্থাৰ অনুমোদন লৈ আহিবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰি—অনুমোদন হলেই চাইটত কাম আৰম্ভ হব।

শ্ৰীঅতুল গোস্বামী—এই ১৩ খন ঠাইৰ ভিতৰত কলিয়াবৰৰ বৰঘূলিৰ কাৰণে কি আচনি কৰিছে আৰু কিমান টকা ধৰা হৈছে এইটো জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰি—মাননীয় সদস্যই কোৱা কথাটো যদি শিলঘাট ঢিং মথাউৰিৰ মাজত পৰে আৰু যদি উল্লেখিত ১৩ খন ঠাইৰ ভিতৰত পৰে তেতিয়াহলে এইটো অন্তৰ্ভূক্ত হৈছে।

শ্ৰীনজমুল হক—ব্ৰহ্মপুত্ৰৰ মথাউৰিবোৰ বালিৰে বান্ধ দিয়া হৈছে। মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে বালিৰ বান্ধৰ আচনিৰ পৰিবৰ্তে অসমতো হলেণ্ডৰ নিচিনাকৈ বৈজ্ঞানিক পদ্ধতিৰে উন্নত বান্ধ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰি (মন্ত্ৰী)—এক্সপাৰ্ট সকলৰ কাৰিকৰী পৰামৰ্শ লৈ এই ক্ষেত্ৰত উন্নত ধৰণৰ বান্ধ দি ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰি থকা হৈছে।

বিঃ বগাপানীত পশু চিকিৎসা কেন্দ্ৰ

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে—

*১৩১। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিল্লাৰ বৰহুৱাৰ মৌজাৰ বগাপানী, ওজাপাৰা, শালবাৰী আদিৰ জনজাতীয় ৰাইজে বগাপানীত এখন পশু চিকিৎসা কেন্দ্ৰ খোলাৰ বাবে আবেদন কৰাটো সচানে ?

(খ) উক্ত অঞ্চলৰ জনজাতীয় ৰাইজে পশু চিকিৎসা কেন্দ্ৰৰ বাবে মাটিৰ যোগান ধৰিব বুলিও আবেদনত উল্লেখ কৰাটো সচানে ?

(গ) যদি সচা, তেনেহলে প্ৰয়োজনীয়তা আৰু জনজাতীয় লোকৰ গৰু মহৰ চিকিৎসাৰ সুবিধাৰ অৰ্থে বগাপানীত এটা পশু চিকিৎসা কেন্দ্ৰ মঞ্জুৰ কৰিবনে ?

শ্ৰীআবুল ফজল গোলাম ওচমানী ( পশু পালন বিভাগৰ মন্ত্ৰী—য়ে উত্তৰ দিছে।

১৩১ (ক) হয়, সচা।

(খ) ৰাইজে পশু চিকিৎসা উপকেন্দ্ৰৰ বাবে ২ বিঘা মাটি আৰু তাৰ ওপৰত অস্থায়ী খেৰীঘৰ এটি সাজি দিয়াত বিভাগে এজন ক্ষেত্ৰ সহায়ক মকৰল কৰিছে।

(গ) জিলা পশু পালন বিষয়াক জনজাতীয় উপ পৰিকল্পনাৰ জৰিয়তে এই উপকেন্দ্ৰৰ উন্নতিৰ হকে আচনি দিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। তেওঁৰ আচনি জনজাতীয় উপদেষ্টা বোৰ্ডৰ অনুমোদনক্ৰমে কেন্দ্ৰ স্থাপনৰ দিহা কৰা হব।

## RF. PADDY PROCUREMENT AND PUBLIC DISTRIBUTION SYSTEM

Shri Nishith Ranjan Das, Asked .

* 132 Will the Minister—in-charge of Food & Civil Supplies be pleased to state:—

(a) The present position of procurement of paddy in the state ?

(b) What measures have been taken by Government to improve the Public Distribution System of essential commodities ?

Shri Hiteswar Saikia,
( Minister—in-charge of food & Civil Supplies ) replied :

132 (a) During the current Kharif year the State Govt. procurement agents viz. F. C. I. and STATFED procured, 5,47,178·53 quintals of paddy as on 16-2-81.

(b) Assam is now well covered by the Public Distribution System which has been spread even in remote and inaccessible areas.

At present, rice wheat products, levy sugar, salt. kerosine, controll cloth, etc, are distributed through the Public Distribution System: Items like pules, edible oils, Yarn, Exercise Books, Match boxes, tea, soaps, etc. are also listed for distribution through the Public Distribution System in a phased manner.

শ্রীনিশীথ রঞ্জন দাস—স্যার, এই যে ধান সংগ্রহ করা হয়েছে, এই সংগ্রহ মূল্য কত ছিল ?

Shri Hiteswar Saikia ( Minister ) — Sir, in Government, there is an Agricultural Price Commission and that Agricultural Price Commission fixes the price.

শ্রীদীপক ভট্টাচার্য—সরকার কর্তৃক সংগৃহীত ধানের মধ্যে কতটুকু সিদ্ধচাল রেশনের দোকানের মারফৎ সরবরাহ করা হয় বলবেন কি ? আর সঙ্গে সঙ্গে একথাও বলতে চাই যে পশ্চিম বাংলা বা ত্রিপুরার জনসাধারণের মতো আমাদের রাজ্যের জনসাধারণ সিদ্ধচাল খেতে অভ্যস্ত নয়—একথা বিবেচনা করে রেশনের দোকান মারফৎ আতপ চাল সরবরাহ করার ব্যবস্থা সরকার করবেন কি ?

Shri Hiteswar Saikia ( Minister )—Sir, yesterday I have said in reply to a Call Attention Motion that attempt is being made to distribute rice in a proper way. Up-till now, the F. C. I. has failed to supply the required quantity.

শ্ৰীনগেন বৰুৱা—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে (খ) প্ৰশ্নৰ উত্তৰত কৈছে যে অসমত কন্ট্ৰল ক্লথ যথেষ্ট পৰিমানে আছে আৰু সেইখিনি বিতৰণ কৰা হোৱা নাই । মই জানিব বিচাৰিছোঁ এই কন্ট্ৰল ক্লথ অসমত প্ৰতি মাহে কিমান প্ৰয়োজন হয় আৰু কোন মিলৰ পৰা কিমান পৰিমাণৰ অনা হয় আৰু কোনে এইবোৰ হেণ্ডলিং কৰে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, ইয়াৰ ৰেকৰ্ড মোৰ হাতত নাই পিচত জনাম।

শ্ৰীফনী মেধি—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ভাৰত চৰকাৰৰ এখন এগ্ৰিকালচলৰেল প্ৰাইচ কন্ট্ৰল বৰ্ড আছে। যোৱা বছৰ যি পৰিমাণৰ ধান সংগ্ৰহ কৰা হল বৰ্ত্তমান বৰ্দ্ধিত মূল্যলৈ লক্ষ্য ৰাখি ধানৰ এই মূল্য পুনৰ নিৰ্দ্ধাৰণ কৰিবলৈ অসম চৰকাৰে ভাৰত চৰকাৰৰ প্ৰাইচ কন্ট্ৰলবৰ্ডক জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, সেইটো প্ৰত্যেক বছৰেই চেষ্টা কৰা হয়। এগ্ৰিকালচলৰেল প্ৰাইচ কমিচনে আৰু ৰাজ্যৰ পৰা বিশেষকৈ যি বিলাক ৰাজ্যত ধান খেতি হয় সেই ৰাজ্য বিলাকৰ প্ৰতিনিধি যায় আৰু তাত অকল অসমেই নহয় ভাৰতবৰ্ষৰ যি কেইখন ৰাজ্যত ধানখেতি হয় তেওঁলোকৰ পৰা জোৰ দিয়া হয়। কিন্তু এগ্ৰিকালচাৰেল প্ৰাইচ কমিচনে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ খেতিৰ হিচাপৰ মূল্য নিৰ্দ্ধাৰন কৰি এই মূল্য নিৰ্দ্ধাৰণ কৰে।

শ্ৰীসোনেশ্বৰ বৰা—উপাধ্যক্ষ মহোদয়, ঘেঁহু খেতিতকৈ ধান খেতিৰ খৰচ সাধাৰণতে বেছি। ভাৰতবৰ্ষত ঘেঁহুৰ মূল্য যি হিচাপে নিৰ্দ্ধাৰন কৰিছে অন্ততঃ ঘেঁহুৰ মূল্যৰ সমানে ধানৰ মূল্য নিৰ্দ্ধাৰন কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ ৰিকমেণ্ড কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—এই বিষয়ে চেষ্টা কৰি চাম।

শ্ৰীযোগেন গগৈ—উপাধ্যক্ষ মহোদয়, যোৱা বছৰ পলমকৈ ধান সংগ্ৰহ কৰাৰ ফলত এই আচনি ব্যৰ্থ হৈছে। ইয়াৰ মূলতে চৰকাৰৰ ইচ্ছা নহয়নে যে ব্যক্তিগত ব্যৱসায়ীক সুবিধা দিয়াৰ কাৰণে এইটো কৰা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, আগতে ধান সংগ্ৰহৰ নিয়ন্ত্ৰন আমাৰ হাতত ৰাখিছিলো। কিন্তু ১৯৭৭ চনৰ ১ অক্টোবৰৰ পৰা ধানৰ ওপৰত থকা নিয়ন্ত্ৰন কেন্দ্ৰীয় চৰকাৰে উঠাই দিয়ে। এতিয়া যি কোনো ব্যবসায়ীয়ে ধান সংগ্ৰহ কৰিব পাৰে। এতিয়া ভাৰতৰ যিকোনো ব্যৱসায়ীয়ে যিকোনো ঠাইতে ধান সংগ্ৰহ কৰিব পাৰে। এই নতুন ব্যৱস্থাৰ কাৰনেই আমি আমাৰ কতো নিৰ্দ্দিষ্টভাৱে ধান সংগ্ৰহ কৰিব পৰা নাই।

শ্রীনূরুল হুদা—স্যার নিত্য প্রয়োজনীয় জিনিষপত্রের মধ্যে কেরোসিন অন্যতম। আর আমাদের এই রাজ্যে কেরোসিনের দুষ্প্রাপ্যতা বেশ কিছুদিন ধরে চলছে। স্যার, আমি মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই যে কেরোসিন বন্টনের ব্যাপারে কেন এক এক যায়গায় ফেয়ার প্রাইস শপের মাধ্যমে, কোন কোনও যায়গায় হকারের মাধ্যমে আবার গ্রামাঞ্চলে এজেন্সির মাধ্যমে করা হয় যার ফলে এই ব্যাপারে কোনও সুবন্দোবস্ত না থাকায় একটা বিশৃংখলার সৃষ্টি হয়েছে। সরকার এই ব্যাপারে দৃষ্টি দেবেন কি? গ্রামে বা শহরে—সকল যায়গায় যাতে বন্টন ব্যবস্থা উন্নত করা যায় তার ব্যবস্থা চরকার করবেন কি?

শ্রীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, আমাৰ ইয়াত কেৰাচিন ক'অপাৰেটিভৰ যোগেদি বিতৰণ কৰা হয়। হকাৰৰ যোগেদিও নগৰ অঞ্চলত কেৰাচিনৰ বিতৰণ চলি আছে। যি বিলাক ঠাইত সমবায় ভালকৈ চলি আছে সেই বিলাক ঠাইত কেৰাচিনৰ বিতৰণ ভালকৈ হৈ আছে। যি বিলাক সমবায় খেলি মেলি হৈ আছে তাত ভালদৰে হোৱা নাই। এতিয়া আমি এটা কাম কৰিব লাগিব, সমবায়ৰ লগত এখন কমিটী গঠন কৰি দিব লাগিব। এই কমিটীয়ে ইয়াৰ কামকাজৰ ওপৰত লক্ষ্য ৰাখিব।

শ্রীঅতুল চন্দ্ৰ গোস্বামী—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এক্সচাৰচাইজ বুকৰ কথা কৈছে যে এইবিলাক ষ্টেটফেড আৰু ক'অপাৰেটিভৰ জৰিয়তে বিক্ৰী কৰিবলৈ দিয়া হৈছে। পিচে মই জনাত এই কাগজ ডি, পি, আগৰৱালা, ৫, ফোগলা আৰু নগাৰৰ মগনুলিয়া ব্ৰাদৰিচৰ জৰিয়তে যি কাগজ বিতৰণ কৰাৰ কাৰণে দিয়া হয় সেই বিলাক আচলতে ব্লেকতহে বিক্ৰী কৰে।

শ্রীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, এই এক্সচাৰচাইজ বিলাকৰ বিতৰণ দায়িত্ব ষ্টেটফেডক দিয়া হয় আৰু ষ্টেটফেডে তেওঁলোকৰ নিজৰ নিয়ম অনুযায়ী বিভিন্ন উদ্যোগত ছপা কৰি বিক্ৰীৰ ব্যৱস্থা কৰে। তেখেতে যি দুজন ব্যৱসায়ীৰ কথা কৈছে তাৰে প্ৰথম জনৰ বিৰুদ্ধে গোচৰ তৰা হৈছে আৰু তেখেতক বিতৰণৰ পৰা বিৰত ৰখা হৈছে। দ্বিতীয়জনৰ কথা চাব লাগিব।

Shri Jagannath Singh—Sir, is it a fact that for procurement and fair distribution of essential commodities through the

public distribution system some traders who were put behind the bar during the emergency have been engaged recently ?

Shri Hiteswar Saikia (Minister)—I have already stated that the Assam Government have now no control over procurement of paddy. The monopoly system has been abolished.

Shri Jagannath Singh—Sir, my question was about rape seed and salt.

Shri Hiteswar Saikia (Minister)—I shall look into it.

শ্ৰীৰামচন্দ্ৰ শৰ্মা—মাননীয় উপাধ্যক্ষ মহোদয়, বজাৰত তিনিবিধ চেনি তিনিটা বেলেগ বেলেগ দামত অৰ্থাৎ এবিধ কিলোৰে প্ৰতি ১০ টকা, আনবিধ ৬ টকাকৈ আনবিধ সমবায়ে যোগান ধৰা। এই তিনিবিধ চেনিৰে দাম যেতিয়া বেলেগ বেলেগ ইয়াৰ গুণাগুণো বেলেগ বেলেগ নেকি। এইটো কেনেকৈ হবলৈ পালে মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, চেনিৰ মূল্য কেন্দ্ৰীয় চৰকাৰেই নিৰ্দ্ধাৰণ কৰে। এই তিনিবিধ চেনিৰ মূল্যও কেন্দ্ৰীয় চৰকাৰেই নিৰ্দ্ধাৰণ কৰিছে।

শ্ৰীভুবনেশ্বৰ বৰ্মণ—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে চেনি, কেৰাচিন্ তেল আৰু কাগজ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি যোগান ধৰাৰ কথা মাননীয় মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে। কিন্তু বৰপেটা মহকুমাত তাৰ এচ, ডি, অ'ই তাৰ এই বস্তু বিলাক যোগান ধৰাৰ 'লাইচেন্স' বিলাক বাতিল কৰি দিয়াৰ ফলত সমবায়ৰ জৰিয়তে এই বস্তু বিলাকৰ যোগান ধৰিব নোৱাৰা কথাটো মাননীয় মন্ত্ৰীয়ে জানে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, এইটো চাব লাগিব।

শ্ৰীছামচুল হুদা—মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি ৰাইজক যোগান ধৰিবলৈ নিয়োজিত 'এজেন্ট' আৰু ব্যক্তিগত ব্যৱসায়ীসকল কলা ব্যৱসায়ত লিপ্ত গতিকে নিত্য ব্যৱহাৰ্য্য এইবস্তু বিলাক

'কন্‌জিউমাৰচ্‌ কো-অপাৰেটিভ আৰু বিক্ৰীকেন্দ্ৰৰ জৰিয়তে যোগান ধৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, সমবায়ৰ ব্যৱস্থাটো হৈছে গাওঁ পঞ্চায়তৰ ভিত্তিত। ৬৬৪ খন গাওঁ পঞ্চায়ত গোটেই অসমতে আছে। তাৰ ভিতৰত ২, ১২৯ খন 'ফেয়াৰ প্ৰাইছ স্বপ' আছে। গাওঁ পঞ্চায়তৰ অন্তৰ্গত যিবিলাক কো-অপাৰেটিভ ছচাইটি আছে সেই বিলাকত আমাৰ অলপ নিয়ন্ত্ৰণ আছে। এই ছচাইটি বিলাকৰ যিবিলাক এজেণ্ট আছে সেইবিলাকৰ ওপৰত আমাৰ নিয়ন্ত্ৰণ পোনপটীয়া ভাৱে নাই। মাননীয় সদস্যজনৰ কথাখিনি বিবেচনা কৰি চোৱা যাব।

শ্ৰীউমেশ দাস—মাননীয় উপাধ্যক্ষ মহোদয়, যি সকল এজেণ্টে ধান সংগ্ৰহ কৰে সেই সকল ব্যৱসায়ীয়ে কৃষক ৰাইজৰ পৰা নিৰ্দ্ধাৰিত মূল্যতকৈ কম মূল্যত ধান সংগ্ৰহ কৰি ব্যৱসায়ীৰ পৰা বেছি মূল্য লোৱা কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, এফ, চি আই আৰু 'ষ্টেটফেডৰ' যোগেদি ধান সংগ্ৰহ কৰা হয়। এওঁলোকে পোনপটীয়া ভাৱে খেতিয়ক সকলৰ পৰাও ধান সংগ্ৰহ কৰে, মিলৰ পৰাও কৰে আৰু ব্যক্তিগত 'ডিলাৰ'ৰ পৰাও কৰে। কিন্তু ১৯৭৭ চনৰ এক অক্টোবৰৰ পৰা কেন্দ্ৰীয় চৰকাৰে ধানৰ ওপৰত নিয়ন্ত্ৰণ উঠাই দিয়ে। মিল বিলাক বা ব্যক্তিগত ব্যৱসায়ীয়ে কমমূল্যত ধান সংগ্ৰহ কৰিব পাৰে।

শ্ৰীনজমুল হক—মাননীয় উপাধ্যক্ষ মহোদয়, গোলোকগঞ্জত দুটা দিপু আছে। এই দুটা ডিপুৰ দ্বাৰা এটা ধুবুৰীত আৰু আনটো গোলোকগঞ্জত অৱস্থিত, থিকমতে কেৰাচিন তেলৰ যোগান ধৰিব নোৱাৰাৰ কাৰণে কেৰাচিন তেলৰ দুস্প্ৰাপ্য হৈছে। গতিকে যিহেতু ইয়াক যোগান ধৰাৰ কাৰণে বিক্ৰী কেন্দ্ৰৰ ব্যৱস্থা আছে গতিকে তাৰ ব্যৱস্থা কৰি যোগান ধৰাৰ কথা চিন্তা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, এইটো সমবায়ৰ যোগেদি কৰিব লাগিব।

শ্ৰীনগেন বৰুৱা—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে কাগজৰ বিতৰণৰ ক্ষেত্ৰত খেলি-মেলি লগোৱা বুলি যিটো কথা

কলে এই সংক্ৰান্তত শ্ৰী ডি, পি, আগৰৱালা আৰু এজন ব্যক্তিগত ব্যৱসায়ীৰ কথা উল্লেখ কৰিছে। এই অসৎ লোক দুজনৰ প্ৰতি কি কি অভিযোগ আছে আৰু তাৰ তদন্তৰ কোন পৰ্য্যায়ত আছে মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰী ডি, পি, আগৰৱালাৰ সংক্ৰান্তত কৈছোঁৱেই। ইজনৰ কাৰণে পৰীক্ষা কৰি চাব লাগিব। শ্ৰীআগৰৱালাৰ বিৰুদ্ধে অভিযোগ হল যে তেওঁ ৫।৬ টা এজেন্ট নিয়োগ কৰি কাগজ সংগ্ৰহ কৰে। মই জনাত গুৱাহাটীৰ এ, ডি, চি-ৰ জৰিয়তে অভিযোগ পাই কিছুমান গোচৰ তৰা হৈছে। এই পৰ্য্যায়তে বৰ্ত্তমান আছে।

শ্ৰীশূল বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, অত্যাৱশ্যকীয় সামগ্ৰী যোগান ক্ষেত্ৰত সুস্থিৰ মূল্য সূচী নিয়ন্ত্ৰণৰ কাৰণে এটা তদাৰকি কমিটি কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, এইটো বিবেচনা কৰি চোৱা হব।

শ্ৰীদীপক ভট্টাচাৰ্য—স্যার, প্রত্যেক সাব ডিভিশনে একটা করে এফ সি আই এর গডাউন স্থাপন করার ব্যৱস্থা সরকার করবেন কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে দিয়া পৰামৰ্শবোৰ আমি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াই দিম।

শ্ৰীপ্ৰেমধৰ বৰা—মাননীয় উপাধ্যক্ষ মহোদয় ? ব্যক্তিগত মাৰোৱাৰী ব্যৱসায়ীৰ দ্বাৰা কৃত্তিম অনাতনৰ সৃষ্টি কৰি থকাৰ ফলত আমাৰ মানুহে গোটেই ৰাজ্যখনতে দুৰ্য্যোগ ভুগিবলগীয়া কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন আছিল যদিও কওঁ যে, দুমাহ বা তিনি মাহ মান কেৰাচিন তেলৰ অভাৱ ঘটিছিল ৰাজ্যখনত আন্দোলন আদি হৈ থকাৰ ফলত। কিন্তু কিছুমান ব্যক্তিগত মানুহেও কেৰাচিন তেলৰ নাতনি হব পাৰে বুলি বেছিকৈ মজুত কৰি ৰখাৰ কাৰণেও অলপ নাতনি হৈছে। গুৱাহাটীত দিনৌ দুই লাখ লিটাৰ কেৰাচিন তেলৰ চাহিদা আছে। কিন্তু দেখা গৈছে যে এতিয়া পাছ লাখ লিটাৰলৈকে কেৰাচিন তেল বিক্ৰী হৈছে।

ব্যক্তিগত মানুহে ভৱিষ্যত নাতনি হব পাৰে বুলি বেছিকৈ কেৰাচিন মজুত কৰি ৰখাৰ কাৰণেও এইটো হবলৈ পাইছে।

শ্ৰীজগন্নাথ সিংহ—স্যার, একজন সাধারণ মানুষের বিরুদ্ধে যদি এফ সি আই থেকে নালিশ আসে তাহলে তার এলটমেন্ট সাসপেণ্ড করা হয়। আর এই যেসব মহাপুরুষ, মিঃ আগরওয়ালা, যাদেরে কাগজপত্র দেওয়া হয় এক্সারসাইজ-বুক তৈরি করে বন্টন করার জন্য তাদের মত মানুষের বিরুদ্ধে নালিশ এসেছে ৫টা বেনামী এজেন্সী রাখার। সুতরাং এই অভিযোগ পাওয়ার পর তার এলটমেন্ট সাসপেণ্ড করা হয়েছে কি? যদি না করা হয়ে থাকে তাহলে করা হবে কি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, সেইটো কৰা হৈছে।

বিঃ লক্ষীমপুৰ বিধান সভা সমষ্টিত পশু চিকিৎসালয়।

শ্ৰীশূল বৰাই সুধিছে :

* ১৩৩। মাননীয় পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাৰ লক্ষীমপুৰ বিধান সভা সমষ্টিৰ এলাকাত ক'ত কিমান খন আৰু কি কি পৰ্য্যায়ৰ পশু চিকিৎসালয় আছে?

(খ) এই অঞ্চলত কোন কোন ঠাইত কি কি পৰ্য্যায়ৰ পশু চিকিৎসালয়ৰ আৱশ্যকতা আছে জনাবনে?

(গ) যোৱা ১৯৭৮ চনৰ পৰা ১৯৮১ চনৰ জানুৱাৰী মাহৰ ভিতৰত উপৰোক্ত সমষ্টিৰ এলাকাৰ কোন কোন ঠাইত কোন পৰ্য্যায়ৰ কিমানখন নতুন পশু চিকিৎসালয় স্থাপন কৰা হল?

শ্ৰীআবুল ফজল গোলাম ওচমানী (পশু চিকিৎসা বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে।

১৩৩ (ক) লক্ষীমপুৰ বিধান সভাৰ সমষ্টিত উত্তৰ লক্ষীমপুৰ পানীগাওঁ উত্তৰ লক্ষীমপুৰ উন্নয়ন খণ্ড আৰু আজাদত পশু চিকিৎসালয় আছে। নৱাগাওঁত এটা পশু চিকিৎসাৰ উপকেন্দ্ৰ আছে।

(খ) কোনো ঠাইত পশু চিকিৎসালয় বা উপকেন্দ্ৰ স্থাপনৰ আৱশ্যকতা নিৰ্ভৰ কৰে, সেই ঠাইৰ গৰু মহ আদি পশু ধনৰ সংখ্যা আৰু যাতায়তৰ ব্যৱস্থাৰ ওপৰত। সেয়েহে চৰকাৰে এই তথ্য পাতি সমীক্ষা কৰি আছে আৰু তাৰ ভিত্তিতহে নতুন অনুস্থান স্থাপনৰ কথা বিবেচনা কৰিব।

(গ) এই সময় ছোৱাৰ ভিতৰত পানীগাওঁত এখন পশু চিকিৎসালয় স্থাপন কৰা হৈছে।

শ্ৰীশূল বৰা—উপাধ্যক্ষ মহোদয়, এই সমষ্টিত আৰু কোনে কোন অঞ্চলৰ কাৰণে পশু চিকিৎসা উপকেন্দ্ৰ কৰাৰ কাৰণে বিভাগে পৰামৰ্শ দিছে জনাবনে ?

শ্ৰীএ-এফ গোলাম ওচমানী (মন্ত্ৰী)—এইটোৰ বাবে নটিচ লাগিব।

শ্ৰীশূল বৰা—মই ভাবো যে এই কথাটো মোৰ প্ৰশ্নৰ লগত সম্পৰ্ক আছে। গতিকে কোন কোন ঠাইত উপ-কেন্দ্ৰ তৈয়াৰ কৰাৰ কাৰণে প্ৰস্তাৱ আছে জনাব লাগে।

শ্ৰীএ-এফ গোলাম ওচমানী (মন্ত্ৰী)—এইটো সংগ্ৰহ কৰি আপোনাক জনাম।

শ্ৰীশূল বৰা—উপাধ্যক্ষ মহোদয়, আৰু এটা প্ৰশ্ন আছে এইটো হৈছে আমাৰ উত্তৰ লক্ষীমপুৰ মহকুমাত এটা গাখীৰ উৎপাদন কেন্দ্ৰ স্থাপন কৰাৰ কাৰণে বিবেচনা কৰিব নেকি ?

শ্ৰীএ-এফ গোলাম ওচমানী (মন্ত্ৰী)—বিবেচনা কৰিম।

শ্ৰীভূবনেশ্বৰ বৰ্মণ—মন্ত্ৰী মহোদয়ে বৰা ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কৈছে যে কোন কোন অঞ্চলত কি কি ধৰণৰ প্ৰস্তাৱ আছে সেইটো জানিবলৈ নটিচ দিব লাগিব। (খ) প্ৰশ্নৰ উত্তৰত এইটো স্পষ্ট ভাৱে দিয়া হৈছে গতিকে কোন কোন ঠাইত কি পৰ্য্যায়ত পশু চিকিৎসা কেন্দ্ৰৰ আৱশ্যকতা আছে জনাবনে ?

শ্ৰীএ-এফ গোলাম ওচমানী (মন্ত্ৰী)—এতিয়াও ক'ত কৰা হব এই বিষয়ে সমীক্ষা চলি আছে।

শ্ৰীভূবনেশ্বৰ বৰ্মণ—কোন কোন সমষ্টিত সমীক্ষা চলি আছে জনাবনে ?

শ্ৰীএ-এফ গোলাম ওচমানী (মন্ত্ৰী)—নটিচ্ লাগিব।

শ্ৰীপ্ৰেম বৰা—উপাধ্যক্ষ মহোদয়, পশু চিকিৎসালয় বিলাক স্থাপন কৰোতে বিভাগীয় কিছুমান নীতি আছে। এখন চিভিল হস্পিতেল স্থাপন কৰিবলৈ হলে সেই অঞ্চলৰ জনসংখ্যা কিমান তাৰ এটা হিচাপ থাকে। এইদৰে কিছুমান সাধাৰণ নৰ্মচ থাকে। কথা হল কি ভিত্তিত পশু চিকিৎসা কেন্দ্ৰ সমূহ পাতিবলৈ লৈছে জনাবনে ?

Shri A. F. Golam Osmani, ( Minister, Veterinary )— Both aspects are also examined – number of cattle and also communication, these things are considered in selecting these places.

বি ঃ বয়ন সম্প্ৰসাৰণ সেৱা কেন্দ্ৰ।

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে :

১৩৪। মাননীয় ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ নগৰবেৰাত ৰেচম আৰু বয়ন বিভাগৰ দ্বাৰা এটি ( Weaving Service Centre) খোলাৰ আঁচনি চৰকাৰৰ আছে নেকি ?

(খ) যদি আছে তেন্তে, সেইটো কেতিয়াকৈ সম্পূৰ্ণ হব ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

১৩৪ (ক) কামৰূপ জিলাৰ নগৰবেৰাত ৰেচম আৰু বয়ন বিভাগৰ দ্বাৰা নতুন কোনো বয়ন সম্প্ৰসাৰণ সেৱা কেন্দ্ৰ ( Weavers Extension Service Unit ) খোলাৰ আঁচনি নাই।

(খ) (ক) প্ৰশ্নৰ উত্তৰত এই প্ৰশ্ন নুঠে।

শ্ৰীউমেশ দাস—উপাধ্যক্ষ মহোদয়, মই জনাত আমাৰ মাননীয় সদস্য শ্ৰীগান্ধীৰাম টিমুং ডাঙৰীয়া মন্ত্ৰী আছিল তেতিয়া তেখেতেও নগৰবেৰাত এটা চাৰভিচ চেণ্টাৰ খোলাৰ কাৰণে আঁচনি লৈছিল আৰু বিভাগৰ পৰা পৰীক্ষা কৰি চোৱা হৈছিল। বৰ্ত্তমান নতুন মন্ত্ৰী সভাই সেই আঁচনি বাতিল কৰিছে নেকি ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—মাননীয় সদস্যজনে ১৯৭৮ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে তেখেতৰ ফালৰ পৰা এখন লিখিত কাগজ সেই সময়ৰ

মন্ত্ৰী মহোদয়ক দিছিল সেইটোৰ ওপৰত পৰীক্ষা কৰা হৈছে। এই এক্সটেনচন চার্ভিচিং স্থাপন কৰিবলৈ হলে বয়ন উৎপাদন বিক্ৰি কৰাৰ কাৰণে এটা সুব্যৱস্থা থাকিব লাগে। কিন্তু তাত সেই ব্যৱস্থাৰ অভাৱ গতিকে তাত বিবেচনা কৰা হোৱা নাই।

শ্ৰীইব্ৰাহীম আলী— মন্ত্ৰী মহোদয়ে এই কথা জনাবনে যে নগৰবেৰাৰ পৰা আঢ়ৈ মাইল দূৰৰ আলুপতি চ'ৰত এনেকুৱা চেণ্টাৰ খুলিবলৈ ৰিপৰ্ট দাখিল কৰিছিল আৰু এই বিষয়ে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিলে।

শ্ৰীনৰেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী)—এইটো এটা বেলেগ প্ৰশ্ন। তথাপি মই চাম।

বি : করিমগঞ্জ মহকুমার ভেনচার স্কুল।

শ্ৰীরমেন্দ্র দে জিজ্ঞাসা করছেন :

* ১৩৫। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি ?

(ক) ১৯৭৮ ইংরেজির মার্চ মাস পর্যন্ত আসাম রাজ্যে কতটা ভেনচার এল, পি, স্কুল আছে ?

(খ) করিমগঞ্জ মহকুমাই কতটা ?

(গ) সে গুলি অধিগ্রহন করার সিদ্ধান্ত সরকারের আছে কি আর যদি থাকে কবে হবে ?

(ঘ) দত্তরগার ও শ্রীবেহলা নামে করিমগঞ্জ মহকুমার দুইটি এল, পি, স্কুল আছে কি ?

(ঙ) তা কত ইংরেজিতে প্রতিষ্ঠিত আর তা অধিগ্রহন করার প্রস্তাব আছে কি ?

শ্ৰীহিতেশ্বর শইকীয়া (শিক্ষা বিভাগের মন্ত্রী) উত্তর দিছেন।

১৩৫ (ক) ৪০৬৩ খন ভেনচার এল, পি, স্কুল আছে।

(খ) ৩০৫ খন।

(গ) করিমগঞ্জ মহকুমাত কিমান স্কুল লোৱা হব এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই।

(ঘ) দত্তরপার আরু শ্রীবেহলা নামে কোনো স্কুল নাই।

(ঙ) প্রশ্ন নুঠে।

শ্রীরামেন্দ্র দে—মাননীয় উপাধ্যক্ষ মহোদয়, সরকারের এমন কোন নীতি ঘোষিত হয়েছিল কি যে ১৯৭৮ ইংরাজীর মার্চ মাসের পূর্ব পর্যন্ত যতগুলি ভেনচার স্কুল আসাম রাজ্যে আছে—তা গ্রহণ করা হবে?

আব্দুল মোক্তাদির চৌধুরি (রাজ্যিক শিক্ষামন্ত্রী)—স্যার, সরকারের সিদ্ধান্ত ছিল ১৯৭৮ ইংরাজীর মার্চ মাসের মধ্যে ২৫৮০ টি স্কুলের ২৬০০ পোষ্ট সরকারিকরণ করা। কিন্তু এই ব্যাপারে সংখ্যা আরও বাড়ানোর জন্য কমপ্লেন আসতে থাকায় তা কার্যকরী করতে দেরী হয়েছে।

শ্রীনগেন বৰুৱা—উপাধ্যক্ষ মহোদয় ১৯৭৮ চনৰ ৩১ মার্চ তাৰিখৰ ভিতৰত স্থাপিত ভেঞ্চাৰ স্কুল এই মহকুমাত কিমানখন আছে?

আব্দুল মোক্তাদির চৌধুরি (মন্ত্রী)—করিমগঞ্জ সাব ডিভিশনে প্রথম রিপোর্ট মতে ১৭২ টি স্কুল ছিল তার পর সরকার তা বাড়িয়ে ৩০৫টি স্কুল করেছে।

শ্রীনগেন বৰুৱা—উপাধ্যক্ষ মহোদয়, ১৯৭৮ চনৰ ৩১ মাৰ্চৰ ভিতৰত ১৭২খন স্কুল আছিল। তেতিয়াৰ চৰকাৰে দিয়াৰ প্ৰস্তাৱত কিমানখন স্কুল সেই মহকুমাত লোৱাৰ কাৰণে আছিল?

আব্দুল মোক্তাদির চৌধুরি (মন্ত্রী)—স্যার, এই ২৫৮০টি স্কুলের পার্টিকুলার্স প্রথম রিপোর্টে ছিলনা। সেজন্য ৬-৯-৭৯ ইং তারিখে একটা চিঠি দেওয়া হয়।

শ্রীজয়নাল আবেদিন—মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৭৮ চনৰ ৩১ মাৰ্চৰ ভিতৰত অসমত ২৫৮১ খন স্কুল আছিল তাৰ ভিতৰত ২৬ শ স্কুল মঞ্জুৰৰ কাৰণে ব্যৱস্থা কৰা দেখা গৈছে। তেখেতৰ কথা মতে বৰ্ত্তমান ৪০৬৩ খন স্কুল আছে। এতিয়া চৰকাৰে আগৰ নীতি অনুযায়ী ৰাজ্যৰ বৰ্ত্তমান ৪০৬৩ খন স্কুল অধিগ্ৰহন কৰিবনে ২৬ শ স্কুল অধিগ্ৰহন কৰিব?

শ্রীমুক্তাদিৰ চৌধাৰী (মন্ত্ৰী)—সেইটো বৰ্ত্তমান বিবেচনাধীন হৈ আছে।

শ্রীআল্লাউদ্দিন চৰকাৰ—এই প্ৰশ্নৰ উত্তৰ স্পেচিফিকেলি দিব লাগিব। চৰকাৰে যদি ৪০৬৩ খন স্কুল অধিগ্ৰহন কৰে তেনেহলে কি সূত্ৰৰ ভিত্তিত

২৬ শ স্কুল লোৱা হব। আমি জনা মতে প্ৰথম লিষ্টত বহুতো স্কুলৰ নাম ভৰাই দিয়া হৈছে আৰু সেই লিষ্ট যদি চৰকাৰে ফ'ল কৰে তেতিয়াহলে বহুতো স্কুল বাদ পৰি যাব।

শ্ৰীমুক্তাদিৰ চৌধাৰী ( মন্ত্ৰী )—যি ২৬ শ খন স্কুল লিষ্ট কৰা হৈছিল তাৰে কিমান কেইখন স্কুল লব পৰা যায় ভালদৰে বিবেচনা কৰা হব।

শ্ৰীনিশীথ রঞ্জন দাস—স্যার, ভেন্‌চার স্কুল গ্রহণের ব্যাপারে সরকারের নীতি কি ?

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী ( ৰাজ্যিক শিক্ষা মন্ত্ৰী )—নীতিৰ এতিয়াওঁ চূড়ান্ত ঘোষণা হোৱা নাই।

শ্ৰীফনি মেধি—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো চৰকাৰৰ আগৰ ঘোষিত নীতি অনুসৰি ২৬০০ স্কুল লোৱাৰ কথা আছিল তাৰোপৰি চৰকাৰে ১ হাজাৰ নতুন স্কুল লোৱাৰ পৰিকল্পনা কৰিছিল কিন্তু মোৰ প্ৰশ্ন হৈছে এইযে ৪০৬৩ খন স্কুল আছে বুলি কৈছে এই আটাইখিনি স্কুল অধিগ্ৰহণ কৰাৰ কথা চৰকাৰে সিদ্ধান্ত লৈছে নে নাই সেইটো নিৰ্দ্দিষ্টভাবে জনাব লাগে ?

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—আমি দুহেজাৰ অতিৰিক্ত পোষ্ট বিছাৰিছিলো মাত্ৰ এহেজাৰ অতিৰিক্ত পোষ্ট মঞ্জুৰ হৈছে আৰু সেই বিলাকত প্ৰশিক্ষণপ্ৰাপ্ত লোকক দিয়াৰ কথা চৰকাৰে চিন্তা কৰি আছে।

শ্ৰীরামেন্দ্র দে—স্যার, মন্ত্রী মহোদয় বলেছেন যে ১৯৭৮ ইং পর্যন্ত ৪০৬৩ টি স্কুল ছিল এবং সরকারের সিদ্ধান্ত ছিল ১৯৭৮ ইংরাজীর মার্চ মাস পর্যন্ত এই স্কুলগুলিকে গ্রহণ করা হবে। আর ঘোষণা করা হয়েছিল যে করিমগঞ্জ মহকুমায় ১৩২ টি স্কুল গ্রহণ করা হবে। আবার ১১-৩-৭৮ ইং তারিখে আবার শিক্ষা বিভাগ যে রিপোর্ট দাখিল করলো তাতে দেখা গেল ৩০৫ টি স্কুল। সুতরাং আমার প্রশ্ন হলো কোনটা ঠিক ? এই ৩০৫ টা ঠিক না ১৭২ টা ঠিক ? কারণ দুটাই শিক্ষা বিভাগ থেকে প্রকাশ করা সরকারি ঘোষণা।

শ্ৰীআব্দুল মোক্তাদির চৌধুরী (মন্ত্রী)—স্যার দুটো রিপোর্ট-ই শিক্ষা বিভাগের। প্রথম রিপোর্টে সব পার্টিকুলার্স না থাকার জন্য ৬-৯-৭৯ ইং

তারিখে যেগুলো অমিশন হয়েছে সেগুলির পার্টিকুলার্স দেওয়ার জন্য চিঠি লেখা হয়। তার পর দ্বিতীয় রিপোর্ট আসে। সেই রিপোর্টে সারা আসামে ৪০৬৩ টি ভেন্সার স্কুলের উল্লেখ আছে। আর এই রিপোর্ট কোন মহকুমার কতটা স্কুল আছে তা আমি পড়ে দিছি।

শ্রীফনি মেধি—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো মন্ত্ৰী মহোদয়ে ৪০৬৩ খন স্কুলৰ হিচাব দিছে। সেই আটাইখিনি স্কুল খম্পচিফিকেলি কব লাগে লব নে নাই? এহেজাৰ পোষ্ট পাইছে তাক কেনেকৈ নিযুক্তি দিয়ে সেইটো সোধা নাই?

শ্রীআব্দুল মোক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—৪০৬৩ টা পোষ্ট বৰ্ত্তমান আমাৰ হাতত নাই।

শ্রীজয়নাল আবেদিন—মন্ত্ৰী মহোদয়ে ধুবুৰী মহকুমাৰ যিটো হিচাব দিছে সেইটো মই চেলেঞ্জ কৰিছো সেই স্কুলৰ সংখ্যা ১৪২ কেতিয়াও হব নোৱাৰে। এই সংখ্যা সঠিক নহয়, আমি নিজে বোৰ্ডৰ সদস্য নতুন স্কুলৰ লিষ্ট পঠিয়াবৰ সময়ত আমি বোৰ্ডে ২৩৮ খন স্কুলৰ লিষ্ট পঠিয়াইছো। গতিকে কোনটো সত্য কব লাগে?

শ্রীআব্দুল মোক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—মোৰ হাতত যি ৰিপোৰ্ট আছে সেই ৰিপোৰ্টমতে মই হিচাবটো দিছো। মই পৰীক্ষা কৰি চাম।

শ্রীআলাউদ্দিন চৰকাৰ—মন্ত্ৰী মহোদয়ে ভুল তথ্য দাঙি ধৰিছে। আমি বোৰ্ডৰ সদস্য আমি নিজে জানো এই স্কুলৰ সংখ্যা ২৩৮ খন। মাননীয় সদস্য শ্রীজয়নাল আবেদিনেও কৈছে মযো কৈছো। এই বিষয়ত যিজন বিষয়াই ভুল তথ্য দাঙি ধৰিছে তেওঁৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব নে?

শ্রীআব্দুল মোক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—তদন্ত কৰি চোৱা হব।

শ্রীঅতুল চন্দ্ৰ গোস্বামী—মাননীয় সদস্য জয়নাল আবেদিনে যি চেলেঞ্জ দিছে তাক মন্ত্ৰী মহোদয়ে গ্ৰহণ কৰিব নে?

শ্রীরামেন্দ্র দে—মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয় বলেছেন ১৭২ টি স্কুল এবং শিক্ষা বিভাগের রিপোর্টে বলা হয়েছে ৩০৫টি স্কুল। যেহেতু এই দুইটা রিপোর্টই একই শিক্ষা বিভাগের তাহলে কোনটা সত্য? আর একথা

কি সত্য যে এর পরিপ্রেক্ষিতে ডি পি আই কয়েকদিন আগে একটা চিঠি দিয়েছিলেন যে করিমগঞ্জ মহকুমা থেকে অনেকগুলি ফিক্টিশাস্ স্কুলের নাম পাঠানো হয়েছে ঐ ১৭২টি স্কুলের লিষ্টে। স্যার, এই দুইটি রিপোর্টের মধ্যে কোনটা ঠিক ? আর এই ব্যাপারে একটা তদন্ত কমিটি করিমগঞ্জে পাঠানো উচিত বলে সরকার মনে করেন কি ?

আব্দুল মোক্তাদির চৌধুরি—(রাজ্যিক মন্ত্রী)—স্যার, শুধু করিমগঞ্জের কথা নয়, সব সাব ডিভিশনের জন্যই দুইটা রিপোর্ট হয়েছে। প্রথম রিপোর্ট আসার পর অনেক কম্পলেন আসলো যে অনেকগুলি স্কুলের নাম বাদ পড়ে গিয়েছে আর তখনই ৬-৯-৭৯ ইং তারিখে প্রত্যেক স্যাব-ডিভিশন্যাল এডভাইজারি বোর্ডকে কতগুলি স্কুলের নাম বাদ পড়েছে তা জানানোর জন্য চিঠি লেখা হয়। এইগুলি সমস্ত ২নং রিপোর্টে আছে।

শ্রীশান্তি ৰঞ্জন দাসগুপ্ত—উপাধ্যক্ষ মহোদয়, পৰিকল্পনাৰ সাফল্য নামৰ কিতাপ খনত নতুন বিদ্যালয় বিলাকৰ কাৰণে ২ হাজাৰ শিক্ষকৰ অতিৰিক্ত পোষ্ট সৃষ্টি কৰা হৈছে বুলি কৈছে। মন্ত্ৰী মহোদয়ে এতিয়া কৈছে যে মাত্ৰ এহেজাৰ পোষ্টহে মঞ্জুৰ হৈছে আনকি ২৬০০ ও হোৱা নাই। আমি কোনটো ঠিক বুলি ধৰি লম ?

শ্রীআব্দুল মোক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—মোৰ হাতত যিখিনি তথ্য আছে তাৰ ওপৰত ভিত্তি কৰিহে মই উত্তৰটো দিছো।

শ্রীভুবনেশ্বৰ বৰ্ম্মণ—মই এটা কথা স্পষ্টকৈ জানিব বিচাৰিছো নতুন লিষ্ট বিচৰা সময়ত মহকুমা ভিত্তিত যিবিলাক উপদেষ্টা বোৰ্ড আছিল সেইবিলাকক বাদ দি বিষয়া সকলৰ দ্বাৰাহে আকৌ লিষ্ট আনিছে যাৰ ফলত এই খেলিমেলি হৈছে তাক মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিব নে ?

উপাধ্যক্ষ মহোদয়—এই প্ৰশ্নটো পেণ্ডিং থাকিল। Now the question hour is over.

## UNDISPOSED STARRED QUESTIONS DATED 31-3-81

### বিঃ পূৰ্ণ বয়স্ক বিকলাঙ্গ লোক।

শ্ৰীযোগেন গগৈয়ে সুধিছে :

*১৩৬। মাননীয় সমাজ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত পূৰ্ণ বয়স্কৰ কিমান বিকলাঙ্গ লোক আছে আৰু ইয়াৰে পুৰুষ কিমান আৰু মহিলা কিমান ?

(খ) এই বিকলাঙ্গ লোক সকলক পোহপাল যাবলৈ একোটা বৃত্তি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

(গ) যদি তেনে আঁচনি হাতত লব খোজে, তেন্তে কেতিয়াৰ পৰা ইয়াক কাৰ্য্যকৰী ৰূপ দিব চৰকাৰে জনাবনে ?

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী (সমাজ কল্যান বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে।

১৩৬ (ক) অসমত পূৰ্ণ বয়স্ক বিকলাঙ্গ লোক সকলৰ কোনো পৰিসংখ্যা বৰ্ত্তমানলৈ চৰকাৰৰ হাতত নাই।

(খ) এই ধৰনৰ কোনো সিদ্ধান্ত চৰকাৰে লোৱা নাই।

(গ) (খ) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

## RE: CONSTRUCTION OF ROADS UNDER M. N.P SCHEME.

Shri Purno Boro Asked :

*137. Will the Minister, **P.W.D.** be pleased to state :—

(a) Whether it is a fact that there is a proposal for construction of road costing Rs. 3 lakhs in each of the Assembly Constituencies under MNP schemes ?

(b) If so, whether construction of roads has been completed ?

(c) If not, what are the reasons for delay in construction of road ?

(d) Whether construction work will be completed during this financial year ?

Shri A.F. Golam Osmani, ( Minister, P.W.D. ) Replied :

137 (a) Yes.

(b) Not yet.

(c) i) Non availability of free land.

ii) Delay in approval by SDRCB.

iii) Change of schemes.

(d) Utmost care has been taken complete the works during this financial year.

## Re : MONEY SANCTIONED TO M.N.P. SCHEME.

Shri Nishith Ranjan Das asked :

* 138 Will the Minister, P.W.D. be pleased to state :

(a) The total amount of money sanctioned for construction of roadsunder MNP for each Assembly Constituency in the State during the year 1980-81 ?

(b) The total amount sanctioned to Karimganj PWD Division during the said period ?

Shri A.F. Golam Osmani (Minister, P.W.D. ) Replied :—

138 (a) Rs. 3.00 Lakhs are alloted for construction of road under MNP.

b) Rs. 14.50 lakhs are being sanctioned to Karimganj P.W.D Division during the year 1980-81,

বিঃ হাতীগড় বা মাটিখোলাত পশুচিকিৎসা উপকেন্দ্র।

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*১৩৯। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?
(ক) গোলাঘাট মহকুমাৰ অন্তৰ্গত ঘিলাধাৰী মৌজাৰ হাতীগড় মাটিখোলাক কেন্দ্ৰ কৰি চাৰিওফালৰ গাওঁবোৰৰ ৰাইজে পশু পালন আৰু পশু চিকিৎসাৰ সুবিধা বিচাৰি ৮।১০ মাইলৰ বেছি দূৰলৈ যাব লাগে, সচানে ?
(খ) যদি সচা হয় তেন্তে এই ঠাইক কেন্দ্ৰ কৰি কেবা মাইল ব্যাপি থকা পিচপৰা অনুন্নত গাওঁবোৰৰ ৰাইজৰ কুশলাৰ্থে হাতীগড় বা মাটিখোলাত এই বিভাগৰ এটা উপকেন্দ্ৰ প্ৰতিস্থা কৰাৰ দিহা কৰা হৈছে নেকি ?
(গ) যদি কৰা হৈছে এইকথা কেতিয়াৰ পৰা কাৰ্য্যকৰি হব জনাবনে ?

শ্ৰীআবুল ফজল গোলাম ওচমানী (পশু পালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।
১৩৯ (ক) হয়।
(খ) ৰাইজৰ কুশলাৰ্থে এই ঠাইবোৰত এজন ক্ষেত্ৰ সহায়ক মকৰল কৰাৰ কথা চৰকাৰে বিবেচনা কৰি আছে।
(গ) ৰাইজে ঘৰ এটি সাজি দিয়াৰ ব্যৱস্থা কৰিলেই এই কাম কাৰ্য্যকৰি কৰা হব।

বিঃ উত্তৰ লক্ষীমপুৰ বিধান সভা সমষ্টিত ডেষ্টিটিউট হোম।

শ্ৰীশূল বৰাই সুধিছে :

*১৪০। মাননীয় সমাজ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?
(ক) উত্তৰ লক্ষীমপুৰ মহকুমাৰ লক্ষীমপুৰ বিধান সভা সমষ্টিৰ এলেকাত এটা 'ডেষ্টিটিউট হোম' স্থাপন কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে ?
(খ) উপৰোক্ত বিষয়ত বিভাগীয় আঁচনি কিবা আছে নেকি ?

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী (সমাজ কল্যান বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে।
১৪০ (ক) হয়।

(খ) এখন আঁচনি মঞ্জুৰীৰ কাৰণে পোৱা হৈছে আৰু ই চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

## RE: PURCHASE TAX OF JUTE.

Shri M. Shamsul Huda Asked :

*141. Will the Minister, Finance be pleased to state :

(a) The total amount of Purchase Tax of Jute assessed during the last 5 years ending on 31.12.80 in the State ?

(b) The total amount of tax realised from the Jute purchasing farms of Assam during the said period ?

(c) whether there have been any outstanding of the tax against any number of the farms of the State ?

(d) If so, the steps taken to realise the outstanding tax ?

(e) Whether the Govt. is aware that some Jute purchasing farms of Assam (in Brahmaputra Valley) purchase all their Jute from within the State of Assam have been regularly evading the purchase tax of huge amounts every day during the season time (of purchase of Jute) by showing their purchases in Nagaland and Meghalaya ?

(f) If so, whether the Govt. will hold a high level thorough enquiry urgently and do all the needful ?

Shri Keshab Chandra Gogoi, (Minister, Finance) Replied :

141 (a) The total amount of purchase Tax assessed during the last 5 years ending on 31.12.80 is Rs. 2,51,12,314.

(b) The total amount of tax realised from Jute purchasing farms of Assam during the period is Rs. 2,64,20,391.

(c) Yes. An amount of Rs. 20,62,071 is outstanding out of the tax assessed.

(d) Steps have been taken for recovery of Rs. 14.07 lakhs as arrear of land revenue. In respect of remaining portion steps for such recovery will be taken when they become due.

(e) Yes. Two instances of deal in the Brahmaputra Valley purchasing certain quantition of Jute and showing the same as having been purchased in Nagaland and Meghalaya have come to the notice of the Department.

(f) The Department is investigating these two cases and a high level enquiry is not considered necessary at this stage.

বিঃ কামৰ বিনিময়ত খাদ্য আঁচনি।

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

*১৪২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত ১৯৭৯ আৰু ১৯৮০ চনত 'কামৰ বাবে খাদ্য' আঁচনিত কিমান টকা খৰচ হৈছে ?

(খ) উক্ত দুই বছৰত বিভিন্ন মহকুমাত উক্ত আঁচনিৰ জৰিয়তে কি কি কাম কৰা হৈছে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

১৪২ (ক) ১৯৭৯-৮০ চনত ১৬৫·০৯ লাখ ১৯৮০-৮১ চনত আৰম্ভ কৰা হৈছে ১১৩·২৬ লাখ টকা।

(খ) গড়কাপ্তানি, জলসিঞ্চন, বাননিয়ন্ত্ৰন, বনবিভাগ আৰু পঞ্চায়ত আৰু সমূহীয়া পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ জৰিয়তে গড়কাপ্তানি বিভাগৰ ৰাস্তা মেৰামতি, জলসিঞ্চন বিভাগৰ দোং খনন, বান নিয়ন্ত্ৰন বিভাগৰ মথাউৰী মেৰামতি, বন বিভাগৰ বৃক্ষ ৰোপন আৰু পঞ্চায়ত বিভাগৰ মহকুমা পৰিষদৰ জৰিয়তে ৰাস্তা আদি নিৰ্ম্মান কৰা হৈছে।

বিঃ মহকুমা পৰিষদৰ কৰ্ম্মচাৰী।

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

*১৪৩। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? (ক) অসম চৰকাৰে বছৰেকীয়া আৰ্থিক মঞ্জুৰী দিয়া মহকুমা পৰিষদ সমূহত কাম কৰা ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ চাকৰীয়াল সকল চৰকাৰী কৰ্ম্মচাৰীনে ?

(খ) যদিহে চৰকাৰী কৰ্ম্মচাৰী হয় তেন্তে তেনে কৰ্ম্মচাৰীৰ সংখ্যা অসমত কিমান জন হব ?

(গ) সেই কৰ্ম্মচাৰী সকলৰ পদোন্নতিৰ ব্যৱস্থা কেনে ধৰনৰ ?

(ঘ) সেই কৰ্ম্মচাৰী সকলৰ পদবোৰ স্থায়ীকৰণ হ'লনে ?

(ঙ) অৱসৰ হোৱাৰ পাছতো চাকৰী স্থায়ী নোহোৱা এনে চৰকাৰী পদ কিমান আছে ?

শ্ৰীআফজলুৰ ৰহমান, (পঞ্চায়ত বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে।

১৪৩ (ক) মহকুমা পৰিষদৰ সকলোবোৰ কৰ্ম্মচাৰী চৰকাৰী কৰ্ম্মচাৰী নহয়।

(খ) তৃতীয় শ্ৰেণীৰ কৰ্ম্মচাৰী ৬০ জন আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীৰ সংখ্যা ৫৩ জন।

(গ) এই সকল কৰ্ম্মচাৰীৰ পদোন্নতিৰ বিষয়ে পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ অধীনৰ আন আন কাৰ্য্যালয় চৰকাৰী চাকৰীয়াল সকলৰ পদোন্নতিৰ সৈতে বিবেচনা কৰা হয়।

(ঘ) বিষয়টো এতিয়াও চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঙ) অৱসৰ হোৱাৰ পাচতো কোনোবা অস্থায়ী হৈ থকাৰ খবৰ এই বিভাগত নাই।

বিঃ সোমদিৰি নদীৰ বানপানীত ক্ষতি।

শ্ৰীশূল বৰাই সুধিছে ঃ

*১৪৪। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাৰ সোমদিৰি নদীৰ যোৱা বানপানীয়ে দুয়ো কাষৰ খেতি ব্যাপক ক্ষতি সাধন কৰা বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে, উপযুক্ত নদীৰ দুয়োপাৰে মথাউৰী নিৰ্ম্মানৰ কাৰ্য্যকৰি ব্যৱস্থা গ্ৰহন কৰিবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

১৪৪ (ক) হয়। সোমদিৰি নদীৰ সোপাৰে মাজগাওঁ অঞ্চলত আৰু বাওঁ পাৰে নামনি অঞ্চলত ( আজাদৰ পৰা বাকতি টুপ ) লৈ খেতিৰ আংশিক ক্ষতি কৰাৰ কথা চৰকাৰে জানে।

(খ) সোমদিৰি নদীৰ বানপানীৰ পৰা খেতি সমূহ ৰক্ষাৰ কাৰণে নিম্নলিখিত আচনি সমূহ এই বিভাগৰ বিবেচনাধীন হৈ আছে।

(১) সোমদিৰি নদীৰ সোঁপাৰে মাজগাওঁৰ পৰা হাতীলুং জানৰ মুখলৈকে এটা নতুন মথাউৰী নিৰ্ম্মান।

(২) সোমদিৰি নদীৰ বাওঁপাৰে আজাদৰ পৰা কাকতি টুপলৈকে ( ভীমপাৰা ন-আলী মথাউৰীত লগ লগাই ) এটা নতুন মথাউৰী নিৰ্ম্মান।

তাৰ উপৰি সোমদিৰি নদীৰ সোপাৰে থকা নাওঁবৈছা উন্নয়ন খণ্ডৰ পাইলট প্ৰজেক্ট আচনিত নিৰ্ম্মান কৰা দুৰ্বল মথাউৰীটো শক্তিশালী কৰণৰ কাম।

বিঃ শিঙিমাৰী বংশৰ পথ।

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে :

*১৪৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮০ চনৰ আগষ্ট মাহত হোৱা বানপানীৰ ফলত শিঙিমাৰী বংশৰ পথ চোৱাৰ একাংশ বিছিন্ন হোৱাটো সচানে ?

(খ) যদি সচা হয় তাৰ ফল স্বৰূপে শিঙিমাৰীৰ পৰা বামুন্দি পৰ্যন্ত চাৰি মৌজাৰ এই বিশাল অঞ্চলটো বানপানীয়ে বিস্তৰ ক্ষতি সাধন কৰা কথাটোও চৰকাৰে জানেনে ?

(গ) যদি জানে আগন্তুক বানপানীৰ কবলৰ পৰা এই অঞ্চলটো ৰক্ষা কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

(ঘ) শিঙিমাৰী বংশৰ পথৰ বিশ্চিন্ন অংশ কেতিয়া মেৰামতি কৰা হব ?

শ্ৰীএ,এফ গোলাম ওচমানী—(গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

১৪৫ (ক) হয় সচা ।

(খ) হয় ।

(গ) অঞ্চলটো বানপানী নিয়ন্ত্ৰন কৰা আঁচনি বান নিয়ন্ত্ৰন বিভাগেহে পৰীক্ষা কৰিব, গড়কাপ্তানী বিভাগে নকৰে ।

(ঘ) এটা ৰিটায়াৰমেণ্টেৰে বিশ্চিন্ন পথ ছোৱা পুনৰ সংযোগ কৰাৰ কাম হাতত লোৱা হৈছে ।

বিঃ শিৱসাগৰ মহকুমাত বান নিয়ন্ত্ৰন ।

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

*১৪৬। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) শিৱসাগৰ মহকুমাত ব্ৰহ্মপুত্ৰ নদীত কিমান কিলোমিটাৰ দৈৰ্ঘতা মথাউৰী নিৰ্ম্মানৰ দ্বাৰাই বান-নিয়ন্ত্ৰন কৰিব পৰা হৈছে ?

(খ) এই নদীৰ কিমান কিলোমিটাৰ দৈৰ্ঘতা বান-নিয়ন্ত্ৰনৰ বাবে মথাউৰী নিৰ্ম্মানৰ কাম এতিয়ালৈকে বাকী আছে ?

(গ) চৰকাৰে কিমান দিনৰ মূৰত এই অসম্পূৰ্ণ মথাউৰী নিৰ্ম্মানৰ কামখিনি সম্পূৰ্ণ কৰি তুলিব পাৰিব ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী (বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

১৪৬ (ক) শিৱসাগৰ মহকুমাত ব্ৰহ্মপুত্ৰ নদীত এতিয়ালৈকে ৫৯·৮ কিঃ মিঃ মথাউৰী নিৰ্ম্মান কৰা হৈছে ।

(খ) এই নদীৰ টেঙাপানীৰ পৰা দিচাং মুখলৈকে ৮·৫ কিলোমিটাৰ দৈৰ্ঘতা বান-নিয়ন্ত্ৰনৰ কাম বাকী আছে ।

(গ) পৰ্য্যায়ক্ৰমে এই মথাউৰীৰ কাম সম্পূৰ্ণ কৰিবলৈ লোৱা হব ।

বিঃ পলাশবাৰী ডাক্তৰখানা।

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে :

*১৪৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পলাশবাৰী ডাক্তৰখানাৰ দূৰৱস্থাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে এই দুৰৱস্থা দূৰ কৰাৰ বাবে কিবা ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীগোলোক ৰাজবংশী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

১৪৭ (ক) হয়, জানে ?

(খ) হয়, লৈছে।

বিঃ উত্তৰ লক্ষীমপুৰত ষ্টেডিয়াম।

শ্ৰীশূল বৰাই সুধিছে :

*১৪৮। মাননীয় খেলা-ধূলা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ লক্ষীমপুৰ পৌৰ সভা এলেকা বা তাৰ আশে পাশে এখন ষ্টেডিয়াম নিৰ্ম্মানৰ কাৰণে চৰকাৰে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(খ) এই ষ্টেডিয়াম নিৰ্ম্মানৰ কাৰণে আৱশ্যকীয় মাটিৰ ব্যৱস্থা হোৱাৰ বিষয়ে চৰকাৰে জানেনে ?

শ্ৰীজয় চন্দ্ৰ নাগবংশী (ক্ৰীড়া বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে।

১৪৮ (ক) স্থানীয় ক্ৰীড়া সন্থাই যাবতীয় নথিপত্ৰ যুটিয়াই ষ্টেডিয়াম অথবা খেলপথাৰ নিৰ্মানৰ বাবে আঁচনি যুগুত কৰি আগবাঢ়ি আহে চৰকাৰে সকলো দিশ চালিজাৰি চাই আৰ্থিক অনুদান আগবঢ়াবলৈ চেষ্টা কৰিব।

(খ) হয় জানে। জাপি সজিয়া V. G. R. ৰ পৰা ৫০ বিঘা মাটি ষ্টেডিয়াম নিৰ্ম্মানাৰ্থে আচুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰা হৈছে বুলি জিলাৰ উপায়ুক্তই জনাইছে।

বিঃ মীন পালনৰ বাবে টকা।

শ্ৰীযোগেন গগৈয়ে সুধিছে :

*১৪৯। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা পাচ বছৰীয়া পৰিকল্পনাত প্ৰতি বছৰ হিচাবত কিমান টকা মীন পালনৰ বাবে ঋণ দিয়া হৈছিল ?

(খ) এই ঋণৰ প্ৰতি বছৰি হিচাবত কিমান টকা গাওঁ অঞ্চলত আৰু কিমান টকা নগৰ অঞ্চলত খটোৱা হৈছে ?

(গ) প্ৰকৃত পক্ষে এনে ঋণৰ সদব্যৱহাৰ হৈছেনে ?

(ঘ) এনে ঋণৰ শতকৰা কিমান অংশ চৰ্ত্তসাপেক্ষে চৰকাৰে ঘূৰাই পাইছে ?

শ্ৰীলীলাময় দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

১৪৯ (ক) মীন বিভাগৰ পৰা কোনো ঋণ দিয়াৰ ব্যৱস্থা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

### বিঃ উত্তৰ লক্ষীমপুৰত মীন মহল।

শ্ৰীপূল বৰাই সুধিছে ঃ

*১৫০। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাৰ বিধান সভা সমষ্টিৰ এলাকাত কিমান আৰু কি কি মীন মহল আছে ?

(খ) এই মীন মহলবিলাক কি পদ্ধতিৰে চেটেল্‌মেণ্ট দিয়া হয় ?

(গ) এই মীন মহল সমূহৰ পৰা চৰকাৰে কিমান ৰাজহ বছৰে পায় ?

শ্ৰীলীলাময় দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

১৫০ (ক) লক্ষীমপুৰ ৰাজহ বিভাগৰ তত্তাবধানত নিম্নলিখিত ৮ (আঠ) খন মীন মহল লক্ষীমপুৰ বিধান সভা সমষ্টিত আছে।

(১) খল নদী মীন মহল।

(২) ঘাগৰ মীন মহল।

(৩) সোমদিৰি ভোগমনচলা।

(৪) বৰডুবি মুদৈবিল কলিয়াজান।

(৫) বৰালি মৰা।

(৬) ৰাজদোৱাৰ খাৰলি ।

(৭) লিগিৰা ।

(৮) খাৰকাটি শালমাটি ।

(খ) বৰালিমৰা আৰু ৰাজদোৱাৰ খাৰলি মীন মহল দুখন পোনপতীয়া আবেদন পৰ্য্যালোচনা কৰি অসম চৰকাৰে বন্দৱস্তী দিছে । বাকী ৬ (ছয়) খন ১। ধল নদী মীন মহল ২। ঘাগৰ মীন মহল ৩। সোমদিৰি ভোগমন চলা ৪। বৰডুবি মুদৈবিল কলিয়াজান ৫। লিগিৰা আৰু ৬। খাৰকাটি শালমাটি মীন মহলখনৰ কাৰণে নিবিদা গ্ৰহণ কৰি (মীন মহল বন্দবস্তী বৰ্ডৰ লগত আলোচনা কৰি) উপাযুক্তই বন্দৱস্তী দিয়ে ।

(গ) ১৯৭৯-৮০ চনৰ পৰা ১৯৮১-৮২ চনলৈ ৩ বছৰৰ কাৰণে বন্দৱস্তী দিয়া মীন মহল সমূহৰ বছেৰেকীয়া ৰাজহৰ তালিকা দেখুৱা হল ।

| | |
|---|---|
| ১। ধন নদী মীন মহল— | ৪৮,০০৫.০০ টকা |
| ২। ঘাগৰ মীন মহল — | ৫৫,১১৫.০০ টকা |
| ৩। সোমদিৰি ভোগমনচলা— | ১৮,৯০১.০০ টকা |
| ৪। বৰডুবি মুদৈবিল কলিয়াজান— | ২২,০৫১.০০ টকা |
| ৫। বৰালি মৰা — | ৫১,১০০.০০ টকা |
| ৬। ৰাজদোৱাৰ খাৰলি— | ৫১,৭৫০.০০ টকা |
| ৭। লিগিৰা — | ৮,৫২৫.০০ টকা |
| ৮। খাৰকাটি শালমাৰি— | ৮,৫০১.০০ টকা |

## SHORT NOTICE QUESTIONS AND ANSWERS
Dated 30th March, 1981.

বিঃ অসমত প্ৰতিমাহে নিমখৰ প্ৰয়োজন ।

শ্ৰীনগেন বৰুৱাই সুধিছে ঃ

১। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত প্ৰতিমাহে কিমান নিমখৰ প্ৰয়োজন হয় আৰু এই বিধ সামগ্ৰী সৰবৰাহত কিমান টকাৰ লেনদেন কৰা হয় ?

(খ) এই বিধ সামগ্ৰীৰ সৰবৰাহ আৰু বিতৰনৰ ( দায়িত্ব, দৰ, নিৰ্দ্ধাৰণ, হেণ্ডলিং এজেন্সি ) কোন প্ৰতিষ্ঠানৰ ওপৰত ন্যস্ত কৰা হৈছে ?

(গ) হেণ্ডলিং এজেন্সি ব্যৱস্থাৰে কিবা সুকীয়া নীতি লোৱা হৈছে নেকি আৰু যদি হৈছে কেতিয়াৰ পৰা আৰু কিয় লোৱা হল ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( যোগান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

(ক) অসমত প্ৰতিমাহে খোৱাৰ বাবে আনুমানিক ১১ হাজাৰ টন সাধাৰন নিমখৰ প্ৰয়োজন । এই নিমখৰ দাম নিমখ আমদানী কৰা ঠাইত নিমখৰ চলিত হাৰ চলিত দাম থৈলাৰ দাম আৰু পৰিবহন ব্যয়ৰ ওপৰত নিৰ্ভৰ কৰে । গতিকে দাম সময়ে সময়ে পৰিবৰ্ত্তন হয় । বৰ্ত্তমান চলিত দাম অনুসৰি পৰিবহন খৰছকে ধৰি প্ৰতি থৈলা নিমখৰ দাম গড়ে প্ৰায় ৩৮ টকা হয় । এই হিচাবত মাহেকীয়া প্ৰয়োজনীয় নিমখ আনিবৰ বাবে প্ৰায় ৫৫·৬৬ লাখ টকা লেনদেন হয় ।

(খ) অসমৰ বাবে আবন্টিত নিমখ ( জোনেল কোটা ), আমদানি আৰু চৰকাৰৰ আচনি মতে বিতৰন কৰাৰ ভাৰ ষ্টেটফেডক ন্যস্ত কৰা হৈছে । নিমখৰ দাম The Assam Salt Dealers' ( Licensing & Control ) Order, 1979, মতে চৰকাৰে নিৰ্দ্ধাৰন কৰে ।

(গ) ১৯৭৬-৭৭ চনত ষ্টেটফেডে হেণ্ডলিং এজেন্ট নিযুক্ত কৰি ৰাজ্যৰ বাবে আবন্টিত নিমখৰ 'জোনেল কোটা' আনিছিল । তাৰ পিচত এই প্ৰথাৰ কিছু সাল সলনি হৈছিল যদিও এই বছৰ ষ্টেটফেডে পুনৰ হেণ্ডলিং এজেণ্টৰ যোগেদি নিমখ আমদানিৰ ব্যৱস্থা লৈছে । আপেক্ষিক ভাবে সস্তাত নিমখ যোগান ধৰিব পৰা হব বুলি এই ব্যৱস্থাৰ পুনৰ প্ৰবৰ্তন কৰা হৈছে ।

শ্ৰীনগেন বৰুৱা—মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কবনে যে এই বছৰ ১৯৮১ চনৰ জানুৱাৰী মাহৰ ভিতৰত, প্ৰথমে যিটো পৰিচালিত নিমখৰ ব্যৱস্থা ষ্টেটফেডক দিছিল সেইটো বহিত কৰি চৰকাৰে হেণ্ডলিং এজেণ্টক নতুন ব্যৱস্থা কৰি দিছে ? যদি দিছে কোন কোন মানুহক দিছে, তেওঁলোকৰ নামটো জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী )—মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৪ চনত ষ্টেটফেডক চৰকাৰৰ তৰফৰ পৰা নিমখ অনা দায়ীত্ব দিয়া হৈছিল ।

তেতিয়া সেই বছৰ সেই নিমখ আমদানি ষ্টেটফেডে হেণ্ডলিং এজেন্টৰ জৰিয়তে কৰে। তাৰ পাচত ১৯৭৮ চনত জানুৱাৰী মাহত চৰকাৰে সিদ্ধান্ত লয়, ষ্টেটফেডক বাদ দি প্ৰাইভেট ট্ৰেডাচৰ জৰিয়তে নিমখ অনাৰ ব্যৱস্থা হৈছিল। পুনৰ ১৯৬৮ চনৰ জুন মাহত ষ্টেটফেডক দায়িত্ব দি চৰকাৰক নিৰ্দ্দেশ দিছিল যে, গুজৰাটত যিবিলাকে নিমখ তৈয়াৰ কৰে তেওঁলোকৰ পৰা পোন পতিয়াকৈ নিমখ আনিব লাগে। কিন্তু ষ্টেটফেডৰ লগত মেনুফেক্চাৰ বিলাকে এগ্ৰি নকৰা কাৰণে গুজৰাটৰ হেণ্ডলিং এজেন্টৰ জৰিয়তে নিমখ অনাৰ ব্যৱস্থা কৰিছে। এই বছৰ জানুৱাৰী মাহত চৰকাৰে সেই ব্যৱস্থাৰ অসুবিধা বিলাক দূৰ কৰিবৰ কাৰণে স্থানীয় হেণ্ডলিং এজেন্টৰ জৰিয়তে ব্যৱস্থা ললে। তাৰ লিষ্টখন মোৰ হাতত নাই পাচ মিনিটৰ ভিতৰত নোৱাৰিলেও আজিৰ ভিতৰত তেওঁলোকৰ নাম বিলাক দাখিল কৰিব পাৰিম ?

শ্ৰীনগেন বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, অসুবিধা দূৰীকৰণৰ ক্ষেত্ৰত ষ্টেটফেডে স্থানীয় হেণ্ডলিং এজেন্টক নিয়োগ কৰাৰ পাচত অসুবিধা বিলাক দূৰ হৈছে নে ? যদি দূৰ হৈছে কি কি অসুবিধা দূৰ হৈছে ? এই অসুবিধা দূৰীকৰণৰ লগতে খুচুৰা বজাৰত নিমখৰ দাম কমিছে নে ? স্থানীয় হেণ্ডলিং এজেন্টৰ কেইজনক সেই দায়িত্ব দিয়া হৈছে আৰু তেওঁলোকৰ নাম বিলাক এতিয়া দিব নোৱাৰিলেও পাচ মিনিট পাচত হলেও দিবলৈ অনুৰোধ কৰিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, ষ্টেটফেডে গুজৰাটৰ হেণ্ডলিং এজেন্টৰ পৰা নিমখ অনা ক্ষেত্ৰত কেতবোৰ অসুবিধা পাইছে। নিমখ তাৰ পৰা ৰেইলওৱেৰেজিষ্ট্ৰেচন আনিব লাগে। তাৰ পাচত ষ্টেটফেডে ইয়াত টকা দি নিমখ লব লাগে। নিমখ বেয়া হলে তেওঁলোকক একো কব নোৱাৰে যিহেতুকে হেণ্ডলিং এজেন্টৰ হতুৱাই অনা হয় আৰু নিমখৰ দাম বেচি পৰে। এতিয়া নিমখৰ দাম তিনি পইচা কমাই ৫৮ পইচাৰ পৰা ৫৫ পইচা কৰা হৈছে। নাম কেইজনৰ লিষ্টখন আজিৰ ভিতৰতে দাখিল কৰিব পাৰিম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—চৰকাৰৰ ঘোষনা নীতি অনুসৰি আমাৰ খাদ্য সামগ্ৰীৰ দ্বাৰা পাবলিক ডিচট্ৰিবিউচনটো শক্তিশালী কৰাৰ কাৰণে ষ্টেটফেডক নিয়োগ কৰা হৈছে আৰু চৰকাৰে নীতিগত ভাবে কেন্দ্ৰীয় চৰকাৰৰ লগত ৰাজ্য

চৰকাৰৰ লগত পুৰণা কাৰবাৰটো পাবলিক ডিচট্ৰিবিউচনৰ পৰা ষ্টেটফেডক দিয়া হৈছিল কিন্তু সেইটো অসমত কৃতকাৰ্য্য নহল। গতিকে এতিয়া যিবিলাক হেণ্ডলিং এজেন্ট নিয়োগ কৰিছে, সেইটো চৰকাৰ বিৰোধী নীতি হয় নে নহয়? যদি হয় ষ্টেটফেডক পুণৰ এই ব্যৱস্থা দিয়াৰ কথা ভাবিবনে? ষ্টেটফেডক পাবলিক ডিচট্ৰিবিউচন নীতি অনুসৰি যি দায়িত্ব দিয়া হৈছিল সেই ব্যৱস্থা নাকচ কৰি তেওঁলোকে আপত্তি কৰা স্বত্তেও তেওঁলোকৰ পৰা জোৰদবস্তি এই ব্যৱস্থা কাঢ়ি নি হেণ্ডলিং এজেন্টক দিয়াটো ৰাজনৈতিক উদ্দেশ্যে পুৰণৰ কাৰণে কৰা কথাটো মন্ত্ৰী মহোদয়ে জানেনে? যদি জানে ইয়াৰ এটা তদন্ত কৰি বিহিত ব্যৱস্থা লোৱাৰ সিদ্ধান্ত লব নে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, যদিও স্থানীয় হেণ্ডলিং এজেন্টক দিয়া হৈছে, ষ্টেটফেডে বিতৰণ ব্যৱস্থা লৈছে। স্থানীয় হেণ্ডলিং এজেন্ট বিলাকে নিজৰ টকাৰে আনি নিজে বিতৰণ কৰিব নোৱাৰে। এইটো ডি, চি আৰু চাবডিভিজনেল অফিচাৰৰ জৰিয়তে বিতৰণ কৰিব লাগে। বৰুৱা ডাঙৰীয়াই কোৱা মতে কিবা অসুবিধা হৈছে নেকি বিবেচনা কৰি চাম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—উপাধ্যক্ষ মহোদয়, এইটো কথা হয় নেকি যে, নীতিগত ভাবে কৰা পাবলিক ডিচট্ৰিবিউচনটো শক্তিশালী কৰিবলৈ যি ব্যৱস্থা লৈছে সেইটো মনোপলি কৰাৰ ব্যৱস্থা কৰিছে? সেই কাৰণেই হেণ্ডলিং এজেন্ট হিচাবে ফুড এডালটেৰেচনত কনভিকটেড মেন এজনক দিয়া হৈছে। কিয় দিয়া হৈছে সেইটো মন্ত্ৰী মহোদয়ে জনাব নে?

Shri A. F. Gulam Osmani (Minister)— As regards the policy relating to salt distribution to Statfed etc. we have introduced a new pattern-not a new pattern but the traditional pattern. It is not a fact, as is stated, if we refer to the minutes of discussion held on 7.2.81 where salt allotment policy was decided.

Sri Nagen Baruah—Where it was decided? Was it in your chamber or elsewhere?

Shri A. F. Gulam Osmani (Minister)—I am reading out. We go by records and I want to tell what has happened

in 1978. (interruptions) Then I would request that an Assembly Committee to go into the whole business.

( Voices : We accept the challange ).

Shri Dulal Chandra Barua—The matter should not be raised in view of Minister's challange. My pointed question was how a convicted Black Marketeer has been given allotment—M/s Motilal Kohtari.

Shri A. F. Gulam Osmani (Minister)—I want to make a statement.

( Voices : No, no we agree to holding an enquiry)

Shri A. F. Gulam Osmani (Minister)—I want to make a statement on this.

( No, no, no statement is necessary, We have accepted the challange).

Mr. Deputy Speaker—I will give my comment on the proposal of the Minister, regarding setting up of an enquiry Committee to go into the matter. In the mean time let us hear Mr. Majumdar.

Shri Altaf Hussain Majumdar—Mr. Deputy speaker Sir, you are probably aware that salt is a very sensitive article and in the Assembly sessions this agitated the minds of the hon. Members. The house perhaps is inclined to accept what the hon. Minister in his wisdom has suggested that a committee of the Assembly should go into the affairs. We should accept the Minister's suggestion.

( Voices—yes, yes )

Shri Jagannath Sinha—I have got a point. The hon. Minister has suggested that there should be an enquiry about salt deal of the year 1978. I have heard him saying categorically about the year 1978.

Shri A. F. Gulam Osmani (Minister)—And about 1981, I should be allowed to make a statement.

Mr. Deputy Speaker—Is it/the consensus of the house that an enquiry be appointed to go into the whole matter?

(Voices : Yes, yes)

Mr. Deputy Speaker—A Committee of the house will be constituted to go into the matter in consultation with the Leaders of various groups and political parties inside the House. I think this will solve the whole controversy.

চর্ট নটিচ প্ৰশ্ন নং : ২, বিঃ ৰেপছিদ্ তেল।

শ্ৰীনগেন বৰুৱাই সুধিছে—

২। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ বাবে পোৱা ৰেপছিদ্ তেলৰ মাহেকীয়া পৰিমাণ কিমান ?

(খ) এইবিধ সামগ্ৰীৰ মূল্য কোনে নিৰ্দ্ধাৰণ কৰে, নিৰ্দ্ধাৰিত মূল্য প্ৰতি কিলোলিটাৰত কিমান আৰু প্ৰতি টন তেল বজাৰত কিমান দৰত বিক্ৰি হয় ?

(গ) এই বিধ সামগ্ৰী কোনে সৰবৰাহ আৰু বিতৰণ কৰে ?

(ঘ) প্ৰতি কিলোলিটাৰত চৰকাৰী সাহাৰ্য্য ( Subsidy ) দিয়া হয়নে ?

(ঙ) ইয়াৰ সৰবৰাহ আৰু বিতৰণ নীতি পৰিবৰ্ত্তন কৰা হৈছে নেকি আৰু যদি কৰিছে কিয়, কেতিয়াৰ পৰা কৰা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে—

(ক) অসমৰ বাবে ভাৰত চৰকাৰে আমদানী কৰা ৰেপছিদ্ তেলৰ কোনো নিৰ্দ্দিষ্ট মাহেকীয়া আবণ্টন নাই।

(খ) ভাৰত চৰকাৰে ষ্টেটট্ৰেডিং কৰপোৰেচনৰ যোগেদি আমদানী কৰা ৰেপছিদ্ তেলৰ Ex-S.T.C. মূল্য আৰু খুচুৰাবিক্ৰী মূল্য নিৰ্দ্ধাৰণ কৰে। প্ৰতি মেট্ৰিকটন সংশোধিত ৰেপছিদ্ৰ Ex- S.T.C. মূল্য বৰ্ত্তমান ৮০০০ টকা। এনে আবণ্টিত শোধিত তেলৰ খুচুৰা বিক্ৰীৰ মূল্য প্ৰতি লিটাৰত ঠাই বিশেষে ৮·৪৬ টকাৰ পৰা ৮·৫৮ টকাৰ ভিতৰত। ইয়াৰ উপৰিও ব্যক্তিগত ব্যৱসায়ীয়ে

মুকলি বজাৰৰ ৰেপছিদ্ তেল সৰবৰাহ কৰে। তাৰ কোনো নিয়ন্ত্ৰিত মূল্য নাই।

(গ) ৰাজ্য চৰকাৰৰ মনোনীত প্ৰতিষ্ঠান আৰু ব্যৱসায়ীয়ে ভাৰত চৰকাৰে অসমৰ বাবে আবন্টন কৰা ৰেপছিদ্ তেল আনে আৰু ৰাজ্য চৰকাৰৰ নিৰ্দেশমতে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি বিক্ৰি কৰে।

(ঘ) ভাৰত চৰকাৰে S.T.C. ৰ যোগেদি আমদানী কৰা আৰু আবন্টন দিয়া ৰেপছিদ্ তেল subsidised.

(ঙ) নাই হোৱা।

শ্ৰীনগেন বৰুৱা—উপাধ্যক্ষ মহোদয়, ১৯৮১ চনৰ জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহৰ কাৰণে ষ্টেট ট্ৰেডিং কৰপোৰেচনে কিমান ৰেপছিদ্ তেল দিলে আৰু এই তেল কোনে সংগ্ৰহ কৰিলে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী )—১৯৮০-৮১ চনৰ পৰা এতিয়ালৈকে ১৫ শ মেট্ৰিকটন তেল অনা হৈছে। এই বছৰ ষ্টেটফেডে আনিব নোৱাৰাৰ কাৰণে কেইজনমান ব্যক্তিগত ব্যৱসায়ীক হেণ্ডলিং এজেন্ট হিচাবে আনিব দিয়া হৈছে।

শ্ৰীনগেন বৰুৱা —ব্যৱসায়ী কেইজনৰ নাম কি কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—(১) মেচাৰ্চ গৌহাটী ৰোলাৰ ফ্লাৱাৰ মিলচ্। (২) মেচাৰ্চ গৌহাটী ট্ৰেডাৰ্চ। (৩) মেচাৰ্চ আসাম ভেলী ট্ৰেডাৰ্চ। (৪) মেচাৰ্চ চ'ৰাকচ্ মোহনলাল কোম্পানী। (৫) মেচাৰ্চ আসাম ভেলী ৰোলাৰ ফ্লাৱাৰ মিলচ্, শিৱসাগৰ।

শ্ৰীনগেন বৰুৱা—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ষ্টেটফেডে ৰেপছিড আনিব নোৱাৰাত এই ব্যক্তিগত ব্যৱসায়ী কেইজনক ৰেপছিড আনিবলৈ নিযুক্তি কৰিছে। আৰু তেওঁলোকক জানুৱাৰী মাহত তেল আনিবলৈ দিয়া হৈছিল। এই ব্যৱসায়ী কেইজনৰ লগত জানুৱাৰী মাহৰ ২৮ তাৰিখে চুক্তি হৈছিল এইটো সচাঁনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে এই ১৫ শ মেট্ৰিকটন ৰেপছিড আনিবলৈ সময় দিছিল ৩১/১১/৮০ লৈকে। কিন্তু সেই

সময়ৰ ভিতৰত ষ্টেটফেডে আনিবলৈ অপাৰগ হোৱাৰ কাৰণে সময় বঢ়াই দিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ লিখিলে। কিন্তু এচ, টি, চি, য়ে সময় বঢ়াব নে নাই সেই সম্পৰ্কে আমাক কোনো খবৰ নিদিলে। পিচত জানুৱাৰী মাহৰ শেষৰ ফালে অসম চৰকাৰে জানিব পাৰিলে যে এচ, টি, চি, য়ে এই তেলখিনি আনিবৰ কাৰণে সময় দিছিলে। কিন্তু এই সম্পৰ্কে ষ্টেটফেড বা অসম চৰকাৰে কোনো খবৰ নাপালে। পিচত ষ্টেটফেডক আনিবলৈ কোৱাত তেওঁলোকৰ আগৰে ৩০ লাখ টকা বাকী থকাত, আৰু এতিয়া ২ কোটি মান টকাৰ প্ৰয়োজন হোৱাত অপাৰগতা প্ৰকাশ কৰিলে। তাৰ পিচত কলিকতাৰ ট্ৰেড এড্‌ভাইচাৰে টেণ্ডাৰ কল কৰিলে। কথা হ'ল হেণ্ডলিং এজেণ্টে এই বস্তুখিনি মূল্য দি আনিব নোৱাৰে। সেই কাৰণে চৰকাৰে প্ৰাইভেট ব্যৱসায়ক এই গোটেই বস্তু খিনি সংগ্ৰহ কৰাৰ কাৰণে ব্যৱস্থা কৰিলে। এতিয়া তেলখিনি অসম চৰকাৰৰ ষ্টেটফেড আৰু সমবায়ৰ যোগেদি বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীগোলাপ বৰবৰা—মন্ত্ৰী মহোদয়ে উত্তৰত এটা বৰ আচৰিত হবলগীয়া কথা কৈছে যে যেতিয়া প্ৰথমতে ষ্টেটফেডে আনিবলগীয়া হয় তেতিয়া ষ্টেটফেডৰ হাতত পইচা নাই সেই বাবে ব্যক্তিগত ব্যৱসায়ীক আনিবলৈ দিয়া হয়। তাৰ পিচত ব্যক্তিগত ব্যৱসায়ীৰ হাতত পইচা নোহোৱাৰ কাৰণে চৰকাৰে টকা দিয়াৰ ব্যৱস্থা কৰিলে। কিন্তু ষ্টেটফেডক আগতিয়াকৈ সহায় কৰাৰ ব্যৱস্থা চৰকাৰে নকৰিলে কিয়?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—টকা দিয়া নাই।

শ্ৰীনগেন বৰুৱা—হেণ্ডলিং এজেণ্টে ৰেপছিদ কোন তাৰিখে সংগ্ৰহ কৰিছিল? ৩১ জানুৱাৰীত নে ২৮ ফেব্ৰুৱাৰীত কৰিছিল?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—বোধহয় ৩১ জানুৱাৰীৰ ভিতৰত কৰিছিল।

শ্ৰীনগেন বৰুৱা—তাৰিখটো সঠিকনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মই বৰ সঠিক নহয়। যিহেতুকে ৩১ জানুৱাৰীলৈকে সময় দিয়া হৈছিল। তাৰিখটো সংগ্ৰহ কৰি পিচত কব পাৰিম।

শ্রীনগেন বৰুৱা—যি সকল ব্যক্তিগত ব্যৱসায়ীক দিয়া হৈছিল এওঁলোকক দিয়াৰ কাৰণে পাব্লিক টেণ্ডাৰ কল কৰা হৈছিল নে, নে কলিকতাৰ অসম হাউচত নেগ চিয়েচন কৰি দিয়া হৈছিল ?

শ্রীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মই কৈছোৱেই যে ট্ৰেড এডভাইচাৰে টেণ্ডাৰ কল কৰিছিল আৰু সেইমতেই হেণ্ডলিং এজেণ্ট আহিছিল। তেওঁলোকে বস্তু আনিব খুজিছিল কিন্তু বস্তুৰ মূল্য ট্ৰেডিঙে নিৰ্দ্ধাৰণ কৰি নিদিয়াৰ কাৰণে এই ব্যৱস্থা কৰিবলগীয়া হৈছে।

শ্রীনগেন বৰুৱা—নেগচিয়েচন কৰিবৰ কাৰণে অসম চৰকাৰৰ মন্ত্ৰীয়ে কেনেকৈ এই ব্যৱস্থা কৰিলে ? অসম চৰকাৰে কেনেকৈ তেওঁলোকক নিয়োগ কৰিলে ?

শ্রীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—অসম চৰকাৰে কৰা নাই। ট্ৰেড এডভাইচাৰে কৰিছে।

শ্রীবানেশ্বৰ শইকীয়া—উপাধ্যক্ষ মহোদয়, মই জানিব পাৰো নে যে ষ্টেট-ফেডৰ ৰেপছিদ আনিবলৈ তেওঁলোকৰ টকা নোহোৱাৰ কাৰণে ব্যক্তিগত ব্যৱসায়ীক হেণ্ডলিং এজেণ্ট কৰি দিয়ে। হেণ্ডলিং এজেণ্ট কৰিলে তাৰ কাৰণে তেওঁলোকৰ দায়িত্ব থাকে। তেওঁলোক নিজৰ মূলধন নিয়োগ কৰি অনা বস্তু ষ্টেটফেডক জমা দিছেনে নাই ? অসম চৰকাৰে যি ১৫০০ টন ৰেপ-ছিদ আনিছে সেইটো গুদামত জমা দিছেনে নাই ? আৰু ইয়াৰ কাৰণে বেংকত কিমান সুদ দিব লগীয়া হৈছে ?

শ্রীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—আমি কোনো টকা দিয়া নাই আৰু বেংকৰো সুদ দিয়া নাই। গোটেই বস্তুখিনি শিলিগুৰিৰ ডিপুৰ পৰা অসমলৈ আহি আছে।

শ্রীবানেশ্বৰ শইকীয়া—ইতিমধ্যে দুমাহ পাৰ হৈ গ'ল। এই ৰেপছিদ অসমৰ গুদামত জমা হৈছেনে নাই ? আৰু হৈছে যদি কিমান হৈছে ?

শ্রীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—গোটেই হিচাবটো দিব পাৰিম। ষ্টেট ট্ৰেডিঙে গোটেই বস্তুটো উঠাব নোৱাৰে। শ্রীনগেন বৰুৱাই যিটো কথা কৈছে ৰিপোৰ্ট মতে ২৮ জানুৱাৰী আৰু পাৰ্টিয়ে অনাৰ কাৰণে ৩১ জানুৱাৰীলৈকে সময় আছিল।

শ্ৰীকিৰণ বেজবৰুৱা—ট্ৰেড এডভাইজাৰৰ জৰিয়তে টেণ্ডাৰ কল কৰা হৈছিল কিন্তু কোন কোন কাগজত বিজ্ঞাপন দিছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—ইয়াৰ কাৰণে টেণ্ডাৰ কল কলিকতাত কৰা হৈছিল।

শ্ৰীনগেন বৰুৱা—কোন কোন কাগজত দিছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মই খবৰ লৈ জনাম।

শ্ৰীকিৰণ বেজবৰুৱা—মই জনা মতে টেণ্ডাৰ কল কাগজত নকৰি ব্যক্তিগত ব্যৱসায়ী সকলক জনাই দিয়া হৈছিল। This is my information. So far I know Minister has sentd copy of the tender to a porticular group of people by going to their houses. There was no publicity at all.

(No reply)

Shri A. F. Golam Osmani (Minister)—As it relates to me (Interruption. As Mr. Osmani rose to speak there was interruptions from the Opposition benches that "You have sold Assam" "You have sold Assam"). (Interruptions)

Shri A. F. Golam Osmani—Mr. Baruah, I am not a foreigner.

শ্ৰীঅজয় দত্ত—মন্ত্ৰী মহোদয়ে ৫ টা পাৰ্টিৰ নাম কৈছে। তাৰ ভিতৰত গুৱাহাটীৰ ৰোলাৰ ফ্লাৱমিল আৰু আসাম ভেলী ট্ৰেডাৰ্চ নামৰ কোনো কোম্পানী নাই এইটো কথা জানেনে নাই ? এইবোৰ বেনামী কোম্পানী হয়নে নহয় ? তাৰোপৰি ৰেপছিদ আনিবৰ কাৰণে লাইচেন্সৰ প্ৰয়োজন হয়। গুৱাহাটীৰ যি সকল ব্যৱসায়ী ৰেপছিদ অনাৰ কাৰণে লাইচেন্স আছে সেই সকলক নিদি লাইচেন্স বিহীন কিছুমান বেনামী কম্পেনিক দিয়া হৈছে। M/S Gauhati Trading Company, M/S Mohanlal & Co, M/S Gauhati Roller Flour Mill, Assam Valley Roller Flour Mill, almost all this belongs to Malchand Motilal Kuthari. He is the same Person. So fur I Know that without a valid licence there is no provision to allow anybody to procure rapeseed from outside Assam but it was done by the then Minister in-charge, Supply Mr. Osmani.

গতিকে মই অনুৰোধ কৰিব খুজিছো গোটেই কেলেংকাৰীটো অনুসন্ধান কৰিবৰ কাৰণে সদনৰ এটা অনুসন্ধান কমিটি কৰি দিব লাগে ।

Shri Hemen Das—Mr. Deputy Speaker Sir, we want to know the scandal what has exactly happened.

Shri A. F. Golam Osmani, ( Minister )—Sir, I agree to the setting up of a Committee but it should go back to 1977. ( Interruptions ).

Mr. Deputy Speaker—Order, order. I am on my leg.

Shri A. F. Golam Osmani ( Minister )—I agree but it should go back to 1977. ( noises and shouting from all sides of the House ).

Shri Dulal Chandra Barua—It the term of reference these things should be included.

Shri Jagannath Sinha—It should be from 1977. ( voices and interruptions )

Mr. Deputy Speaker—Order order.

( loud voices from all sides. )

Will you please sit down.

( voices : it should be from 1977 )

Shri Jagannath Sinha—There should be enquiry and it should be enquired from 1977.

Shri Sarat Chandra Sinha—We have consented and you have been pleased to constitute a House Committee on this particular issue. Another issue has been raised and you are going to constitute a House committee for this. So far as the other matter it has been raised subsequently and ......

( interruptions and voices from the Treasury benches ) Let us first get these two matters enquired into by the House Committee. The other ...... ( voices : no, no )

Shri Golak Chandra Rajbanshi ( Minister )—The whole thing will go to the House and it should be from 1977.

Shri Keshab Chandra Gogoi, ( Minister )—We agree to the enquiry by a House Committee and we also agree that it should be from 1977.

( interruptions and loud voices ).

Mr. Deputy Speaker—Order, order. It has been agreed and it is the consensus of the House that a House Committee should be appointed to go into the matter mentioned in Short Notice Question No. 1 and subsequently another matter cropped up in relation to/Short Notice Question No 2, that is, rape seed, of similar nature. I find this is the consensus of the House that a House Committee should go into this matter also. One Committee will do; there need not be two Committees. First point is, to enquire into these matters by a House Committee and secondly there should be a term of reference. I suggest the terms of reference should be decided by the Speaker. Do you agree ( voices : yes we agree ). Then terms of reference will be decided by the Speaker and the House Committee will be appointed by the Speaker in consultation with the leaders of different parties and Groups to go into the question of 'Nimak' and rape seed and the term of reference ( voices : it should be from 1977 ) will be decided by the Speaker. That has already for agreed by the House. The hon'ble Speaker will take note of the contention of the hon'ble members and sentiments expressed in the House. Agreed ?

( voices : yes, yes ).

Shri Narendra Nath Datta—One suggestion Sir. Hon'ble Deputy Speaker has been pleased to institute an enquiry

by a House Committee into the matter of Salt and Rape seeds. I request the House through you Sir, that the matter of Procurement and distribution of paper should be included in it.

Mr. Deputy Speaker—If the matter relating to paper has also to cone then there are so many other matters which may also require enquiry and certain action may be necessary. All these things cannot be tagged together ; we have taken up two subjects and that's all.

Now Short notice Question No. 3.

## RE : I T. D. P. OFFICE

Shri Purno Boro Asked :

3. Will the Minister, Welfare of Plains Tribes and Backward Classes be pleased to state ?

(a) Whether it is a fact that the I.T.D.P. office of Gauhati Sub-division is going to be shifted from Gauhati to Boko ?

(b) If so, the reason there of ?

Shri Ramendra Narayan Basumatari, ( Minister, Welfare of Plains Tribes and Backward Classes ) Replied :

3. (a) No.

(b) Dose not arise.

## RE : HEADMASTER OF UPARHALI HIGH SCHOOL.

Shri Ram Ch. Sharma Asked :

4. Will the Minister, Education be pleased to state :

(a) Whether it is a fact that the Headmaster of Uparhali High School was placed under suspension ?

(b) If, so, when and what were the charges against him ?

(c) Whether the suspension order has now been vacated and the Headmaster has been allowed to join ?

(d) If so, whether the charges have been enquired into by a competant authority ?

(e) Whether audit had been conducted into the School accounts ?

(f) Whether it is a fact that the Headmaster has not been able to deposit the Cement and C.I. sheets purchased to the Headmaster Incharge on his suspension ?

Shri Hiteswar Saikia ( Minister, Education ) Replied :

4. (a) Yes.

(b) On 12.6.79 on ground of alleged misappropriation of building materials.

(c) Yes.

(d) The charges were enquired into by a competant authority and Govt. after examination of the report found charges baseless.

(e) Yes.

(f) Yes.

শ্ৰীলক্ষাধৰ চৌধুৰী—কম্পিটেন্ট অথৰিটি কোন আছিল, জানিব খুজিছো ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—ইয়াত দিয়া মতে চৰকাৰক আপিল কৰাত ডি, ডি, পি, আইৰ জৰিয়তে এনকুৱাৰী কৰা হৈছে ।

শ্ৰীহৰেণ গোস্বামী—প্ৰধান শিক্ষকজনক ডি, ডি, পি, আইৰ পৰামৰ্শ মতে বৰ্খাস্ত কৰা হৈছিল নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—এই সম্পৰ্কত ১২ জুন তাৰিখে কেতবোৰ সেই অঞ্চলৰ ৰাইজে আৰু স্থানীয় বিধায়কে দিয়া আপত্তিৰ ওপৰত ভিত্তি কৰি ডি, পি, আইয়ে প্ৰধান শিক্ষকজনক সাময়িক ভাৱে বৰ্খাস্ত কৰিছে । তাৰ পিচত তেওঁ চৰকাৰৰ ওচৰত আপিল কৰিছে । তেতিয়া ডি, ডি, পি, আইৰ জৰিয়তে সেই বিষয়ৰ চাৰ্জ বিলাকৰ ওপৰত তদন্ত কৰি ৰিপোৰ্ট দিয়ে । চৰকাৰে তেতিয়া তেওঁক পুণৰ নিয়োগ কৰে ।

শ্ৰীহৰেণ গোস্বামী—চিমেন্ট আৰু টিনপাত কিনা হৈছিল নেকি? তেওঁক বৰ্খাস্ত কৰাৰ পিচত যিজনক প্ৰধান শিক্ষকৰ চাৰ্জ দিলে তেওঁৰ ওচৰত চাৰ্জ দিব পৰা নাছিল, এইটো সচা নেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—ৰেকৰ্ড মতে যেতিয়া ডি, পি, আইয়ে সাময়িক ভাবে বৰ্খাস্ত কৰিছিল, স্কুলৰ চাৰ্জ সহকাৰী প্ৰধান শিক্ষকক এৰি দিয়া নাছিল আৰু চিমেন্ট, টিনপাতৰ দায়িত্ব নিদিলে। তাৰ পৰিবৰ্তে আপিল কৰিছে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী—উত্তৰটো আকৌ শুনিব খুজিছোঁ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—যেতিয়া ডি, পি, আইয়ে সাময়িক ভাবে বৰ্খাস্ত কৰিছিল, সহকাৰী প্ৰধান শিক্ষকক দায়িত্ব দিব লাগে, কিন্তু দায়িত্ব নি দলে আৰু যিহেতু সহকাৰী প্ৰধান শিক্ষকক স্কুলৰ দায়িত্ব নিদিলে—সেই চিমেণ্ট আৰু টিনৰ দায়িত্ব দিয়া নাছিল। তাৰ পৰিবৰ্তে তেওঁ চৰকাৰৰ ওচৰত আপিল কৰিলে। সেই আপিলৰ ভিত্তিত ডি, ডি, পি, আইয়ে তদন্ত কৰিছিল।

শ্ৰীঅতুল গোস্বামী—হুকুম নমনাৰ কাৰণে শিক্ষকজনে কোনো ধৰণৰ অপৰাধ নকৰিলে নেকি? ডি, পি, আইৰ হুকুম ভুল হওক শুদ্ধ হওক শিক্ষকজনে অস্বীকাৰ কৰাটো শিক্ষকৰ আচৰণ বিধিমতে এটা অপৰাধ নহয়নে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—এইটো তেওঁৰ এক প্ৰকাৰ অনিয়ম হৈছে। সেই সময়ৰ চৰকাৰে কিয় পুনৰ ডি, ডি, পি, আইৰ জৰিয়তে এনকুৱাৰী কৰাৰ ব্যৱস্থা ললে—সেইটো এনকুৱাৰী কৰি দায়িত্ব দিয়া হৈছে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী—মন্ত্ৰী মহোদয়ৰ উত্তৰ শুনিলো। ডি, পি, আইয়ে এই ঘটনাটো সম্পূৰ্ণৰূপে তদন্ত কৰি তেওঁক নিলম্বিত কৰিছে আৰু তেওঁ বহু দিন এই স্কুলৰ প্ৰধান শিক্ষক হিচাবে নাছিল। এতেকে বৰ্তমান মন্ত্ৰীৰ পৰা যিটো উত্তৰ পাইছো তাত ভুল পাইছো। মই কব খোজো তেখেতে অলপ সময় লৈ এইটো কবনে, যিখিনি উত্তৰ দিছে এইখিনি সঁচা বুলি নাভাবো সেয়ে সময় দিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—ডি, পি, আইয়ে সাময়িক ভাবে বৰ্খাস্ত কৰিছে ১২-৬-৭৯ তাৰিখে। ডি, পি, আইয়ে অফিচৰ জৰিয়তে এনকুৱাৰী কৰাত তেতিয়া তেওঁৰ ওপৰত ব্যৱস্থা লোৱাৰ পৰামৰ্শ আগবঢ়ায়। তাৰ পিচত আপিল কৰিছে ১৪-৯-৭৯ তাৰিখে। তাৰ পিচত ১০-১০-৮০ তাৰিখে চৰকাৰে

পুনৰ নিয়োগ কৰিছে, এই খিনি কথা মই ৰিপোৰ্টৰ ওপৰত কৈছো। যিহেতুকে প্ৰাক্তন শিক্ষা মন্ত্ৰীয়ে কৈছে, বিষয়টো পুণৰ চাম।

শ্ৰীভূবনেশ্বৰ বৰ্ম্মণ—ডি, পি, আইৰ হুকুম মতে বৰ্খাস্ত কৰা হৈছিল। সেই ডি, পি, আইৰ হুকুম মতে চাৰ্জ দিব লাগিছিল আৰু প্ৰধান শিক্ষক জনে হুকুম নামানি চাৰ্জ নিদিলে। মন্ত্ৰী মহোদয়ে এইটো অপৰাধ বা অনিয়ম বুলি কৈছে। এই কথাটো মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা জানিছো যে যি জন হেড মাষ্টৰক ডি, পি, আইয়ে বৰ্খাস্ত কৰিলে—ডি, পি, আইৰ এনকুৱাৰীৰ ৰিপোৰ্টৰ পিচত। পৰৱৰ্ত্তী চৰকাৰে ডি, পি, আইৰ তলত কাম কৰা কৰ্ম্মচাৰীৰ ৰিপোৰ্টমতে পুনৰ নিয়োগ কৰিলে, এইটো কেনে ধৰণৰ সমিচীন হৈছে জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—ডি, ডি, পি, আইৰ জৰিয়তে পুনৰ তদন্ত কৰা হৈছে। তেতিয়া আগৰ যি খিনি তেওঁৰ বিৰুদ্ধে অভিযোগ আহিছিল, সেইখিনি অভিযোগৰ ওপৰত তেওঁৰ যিটো ৰিপোৰ্ট সেইখিনি অভিযোগ ভিত্তিহীন বুলি দিয়াৰ কাৰণে চৰকাৰে ১০-১০-৮০ তাৰিখে নিয়োগ কৰিছে।

শ্ৰীভূবনেশ্বৰ বৰ্ম্মণ—ডি, পি, আইৰ অৰ্ডাৰ মতে বৰ্খাস্ত কৰিছে। আপিলৰ পিচত ডি, পি, আইয়ে চেক্ৰেটেৰীলৈ তদন্তৰ বাবে পঠাব লাগিছিল। নপঠাই ডি, ডি, পি, আইক দিলে। ডি, ডি, পি, আইৰ ৰিপোৰ্টত, ডি, পি, আইৰ অভিযোগ নাকচ কৰিলে। এই কথাটো কেনেকৈ সমিচীন হৈছে জানিব বিচাৰিছোঁ।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—ডি, পি, আইয়ে অডিটৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি বৰ্খাস্ত কৰিছিল। মই ভাবো ডি, ডি, পি, আইৰ যি ৰিপোৰ্ট, ডি, পি, আইয়ে নিজে তদন্ত কৰা নাছিল। সেয়ে ডি, ডি, পি, আইৰ এনকুৱাৰীত ডি, পি, আইৰ সন্মানৰ প্ৰশ্ন নাহে।

শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা—প্ৰধান শিক্ষক জনৰ কি ব্যৱস্থা লবলৈ কলে আৰু এনকুৱাৰীত কি আছিল?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—সাময়িক ভাবে বৰ্খাস্ত কৰাৰ কথা লিখা আছিল।

শ্ৰীজীৱন বৰা—মন্ত্ৰী মহোদয়ে কৈছে যে ২২-৬-৭৯ তাৰিখে বৰ্খাস্ত কৰা হৈছে, ১৪-৯-৭৯ তাৰিখে আপিল কৰিছে আৰু ১০-১০-৮০ তাৰিখে

নিয়োগ কৰা হৈছে। মানুহ জনে চাৰ্জ এৰি নিদিয়াকৈ থকা কালত যি এনকুৱাৰী কৰা হৈছে সেইটো উপযুক্ত এনকুৱাৰী হৈছিলনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—অভিযোগ কৰিছিল নিৰ্দ্দিষ্ট অভিযোগৰ ওপৰত। সেই অভিযোগখিনি থাকক বা নাথাকক চিমেণ্ট বা টিনপাতৰ কথাটো তাত আছিল, এইখিনি কৰিব পাৰে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী—উপাধ্যক্ষ মহোদয়, মই ভাবো যে সেই সময়ত ডি, পি, আই নিজে সেই স্কুললৈ গৈ তেওঁক সাময়িক ভাৱে বৰ্খাস্ত কৰিছিল। গতিকে মই ভাবো যে আমাৰ মন্ত্ৰী মহোদয়ে যিহেতুকে অসুস্থ অৱস্থাতে আছে গতিকে পিন পইণ্ট উত্তৰ দিয়াত অসুবিধা হব। গতিকে অলপ সময় লৈ ডি, পি, আইৰ লগত আলোচনা কৰি কালিলৈ কথাটো কলে ভাল হয়। কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—প্ৰাক্তন শিক্ষা মন্ত্ৰীয়ে যে এই অভিযোগ সম্পৰ্কে কিবা থাকিলে দিলে মোৰ বিবেচনা কৰিবলৈ সুবিধা হব।

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী—উপাধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কব খুজিছো যে সচিবালয়ৰ পৰা এনেকুৱা এখন চিঠি গৈছিল নেকি ? ডি, পি, আইয়ে নিলম্বিত কৰা শিক্ষক জনে চাকৰিত জইন কৰিব নোৱাৰে ? তেনেহলে ইন্সপেক্টৰ জনে তেওঁক জইন কৰিবলৈ কেনেকৈ দিব।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—প্ৰাক্তন শিক্ষা মন্ত্ৰী মহোদয়ে অভিযোগ খিনি দিলে মই উচ্চ পদস্থ বিষয়া লৈ তদন্ত কৰিম।

## বিঃ নন পেটেণ্ট ঔষধৰ যোগান।

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে :

৫। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম ৰাজ্যিক পশু পালন বিভাগে সাধাৰণতে কি নিয়মৰ ভিত্তিত নন পেটেণ্ট ঔষধ যোগান লয় ?

(খ) এইকথা কি সচা যে অসমৰ আয়ুৰ্ব্বেদীক ঔষধ উৎপাদক পূৰ্বাঞ্চল কেমিকেলছ ৱাৰ্কছে পশু গ্ৰুপৰ বাবে নিম্নতম হাৰত নিবিদা দিয়া স্বত্বেও

বাহিৰৰ অনুষ্ঠান এটাৰ পৰাহে এই ঔষধ লোৱা হৈছে ?

(গ) ইয়াৰ দ্বাৰা ১৯৭২ চনৰ 'অসম ষ্টোৰ পাৰ্চেজ' বিধি পালন কৰা হৈছেনে ?

শ্ৰীআবুল ফজল গোলাম ওচমানী (পশু পালন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।

৫ (ক) সৰ্ব্ব ভাৰতীয় প্ৰতিযোগীতামূলক নিবিদাৰ ভিত্তিত।

(খ) হয়।

(গ) হয়, হৈছে।

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰ—(গ) প্ৰশ্নৰ উত্তৰত হয় বুলি কৈছে, যদি হয়য়েই এই কথা সঁচা যে নিম্নতম হাৰত নিবিদা দিয়া সত্বেও কিয় বাহিৰৰ অনুষ্ঠানৰ পৰা ঔষধ লোৱা হৈছে।

Shri A. F. Golam Osmani ( Minister )—The Purchase Board did not recommend them on the following grounds—(i) The samples furnished by the tenderer did not contain the batch No. making there by impossible for the Department to assess or form a definite idea about the quality and to enforce responsibility in the event of these medicines being actually used to eradicate cattle diseases ; and (ii) The samples also carried a mark 'for veterinary use' though it was not certified by any competent authority for use as such. There was nothing to show that these medicines were tried either in the Veterinary College or in other veterinary institutions.

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰ— মন্ত্ৰী মহোদয়ে এইটো কথা কলে ভাল পাম যে চৰকাৰী পক্ষৰ ফালৰ পৰা পেটেণ্ট ঔষধ পৰীক্ষা কৰি চাৰ্টিফিকেট দিবলৈ অথৰিটি আছেনে নাই ? কাৰণ এ, আই, ডি, চিৰ পৰা ঋণ লৈ এই অনুষ্ঠান গঢ়া হৈছে। তাৰোপৰি প্ৰতিশ্ৰুতি দিয়াৰ পিচতহে এই অনুষ্ঠানে ঔষধ তৈয়াৰ কৰিছে।

শ্ৰীএ এফ গোলাম ওচমানী (মন্ত্ৰী)—কাৰ পৰা কেপিটেল জোগাৰ কৰিছে সেইটো ইয়াত নাই। মাত্ৰ পাৰ্চেচ বডত আমাৰ মেম্বাৰ আছে বুলি জানো। The Board has to be guided by their own rules.

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰ—উপাধ্যক্ষ মহোদয়, পেটেণ্ট ঔষধ পৰীক্ষা কৰি চোৱাৰ বাবে চৰকাৰৰ পক্ষৰ পৰা কিবা বডি আছে নেকি ?

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—পাৰ্চেচ্ বড্‌ৰ কিছুমান কথা অনুসৰি যিবিলাক ঔষধৰ বেষ্ট নম্বৰ নাই সেই বিলাক ঔষধৰ পৰীক্ষা কৰাৰ কাৰণে ভিটেনাৰী বিভাগৰ অফিচাৰ নিয়োগ কৰা হৈছে নেকি ?

শ্ৰীএ এফ গোলাম ওচমানী (মন্ত্ৰী)—এইটো পৰীক্ষা কৰি কব পাৰিম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—পাচেচ্ বড্‌ৰ কিছুমান নীতি নিয়ম আছে। কিন্তু যিহেতুকে এটা জেনুয়িন ফাৰ্মক যিটো স্পনচৰ্ড বাই এ, আই, দি, চি আগতে ঔষধ চাপলাই কৰিবলৈ দিয়া হৈছিল। গতিকে সেই জেনোয়িন ফাৰ্মক নিদি কিয় হাই টেন্দাৰত এখন আন নন্ ফাৰ্মক দিয়াৰ ব্যৱস্থা কৰা হৈছে জনাবনে ?

শ্ৰীএ এফ গোলাম ওচমানী (মন্ত্ৰী)—আগতে চাপলাই দিয়া কথাটো ৰেকৰ্ডত নাই। কিন্তু তেখেতে ৰেড গ্ৰহন নকৰা কথাহে ৰেকৰ্ডত আছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—যিটো ৰেটত টেন্দাৰ ক'ল কৰা হৈছে সেইটো মতে হাই পাইচ্‌ত ঔষধ কিনা হোৱা নাইনে ?

শ্ৰীএ এফ গোলাম ওচমানী (মন্ত্ৰী)—ইয়াত কুৱালিটি কথাহে কোৱা হৈছে About the quality of the medicine that has to be supplied, it is not a tested medicine and no certificate was given ; it was not tested in any recognised institution.

শ্ৰীকিৰণ বেজবৰুৱা—যিখন ফাৰ্মক দিয়া হল তেখেতক কোনে চাৰ্টিফাই কৰি দিয়া হৈছিল জনাবনে ?

শ্ৰীএ এফ গোলাম ওচমানী (মন্ত্ৰী)—এইটো কালেক্ট কৰি সদনক জনাম।

Shri Dulal Chandra Baruah—I suggest one thing. As it has become a little controversial, all the documents concerning this will be placed on the library table.

ডাঃ কোমেশ্বৰ বৰা—উপাধ্যক্ষ মহোদয়, ঔষধৰ ক্ষেত্ৰত কোনোবা অথৰিটিয়ে চাৰ্টিফিকেট নিদিলে বিক্ৰি কৰা নিয়ম অসমত আছে নেকি ? যিটো কাৰণে মন্ত্ৰীয়ে কলে যে চাৰ্টিফিকেট নথকা কাৰণে গ্ৰহন নকৰিলে সেই কোম্পানীৰ পৰা।

শ্ৰীএ এক গোলাম ওচমানী (মন্ত্ৰী)—এইটো ৰিজেক্ট কৰিছে পাৰ্চেচ বৰ্ডে। That this medicine was not ever tested in a recognised institution. এই সম্পৰ্কে কোনো বিৱৰণ ইয়াত দিয়া নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—উপাধ্যক্ষ মহোদয়, এইটোত কনটৰ্ভাচি হৈছে। গতিকে মন্ত্ৰী মহোদয়ে ফুল ইনফৰমেচন লৈ লাইবেৰী টেবুলত প্লেচ কৰিলে ভাল হয়।

Mr. Deputy Speaker—If the House likes it may be kept pending for further information. It is kept pending.

## Re : Number of Additional Teachers for M.V. Schools.

Shri Harendra Goswami asked—

*6. Will the Minister, Education be pleased to state :

(a) The number of posts of additional Teachers sanctioned for M.V. Schools in Assam during the current financial year ?

(b) The No. of posts allotted to each of the Deputy Inspector of Schools in the state ?

(c) The principles followed in filling up the post ?

Shri Hiteswar Saikia (Minister, Education) Replied :

6. (a) No Additional posts of M.V. Schools have been sanctioned during the current financial year (1980-81). But 180 new posts (for taking over 24 M.V./Sr. Basic School and upgradatation of 21 existing L.P. Schools to Middle stage) have been sanctioned during the current financial year.

(b) No allotment has been made yet.

(c) The usual norms for filling up the posts of M.V. Schools teachers are as follows :

i) H. S. L. C. or Equivalent passed with Normal or Senior Basic Training from the Locally available candidate.

ii) Intermediate or P.U. in Arts/Science/Commerce, if Local trained as in (i) above is not available.

(2) No. M.V/Sr. Basic School is given more than One additional posts.

3. The enrolment position of Students should be taken a first criteria, for appointing M.V. teachers in any Schools.

4. Prior approval of the Director, Elementary Education is to be taken for appointing a teacher.

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত কৈছে যে এডিচনেল প'ষ্ট চেংচন হোৱা নাই। কিন্তু গুৱাহাটীত এই পৰ্য্যায়ত ১৫ টা প'ষ্ট চেংচন দিয়াটো সচাঁনে মিছা ?

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—চাৰ, যিবিলাক প'ষ্ট চেংচন দিয়া হৈছে তাৰ ভিতৰত প্ৰায়মেৰী চেন্সনৰ কাৰণে সৰ্বমুঠ প'ষ্ট চেংচন দিয়া হৈছে ১৫০টা। তাৰ ভিতৰত ধুবুৰীত ১০, গোৱালপাৰাত ৬, কোকৰাঝাৰ ১০, বৰপেটা ১০, নলবাৰী ১০, ৰঙিয়া ৫, গুৱাহাটী ১৫, নগাওঁ ১৫, মৰীগাওঁ ৬, গোলাঘাট ১০, মাজুলী ৫, শিৱসাগৰ ১৫, তিনিচুকীয়া ৬, ডিব্ৰুগড় ৮, ধেমাজী ৬, নৰ্থ লক্ষীমপুৰ ৬, তেজপুৰ ৬, মংগলদৈ ৬, চপাখোৱা ২, জুনাই ২, শিলচৰ ৮, কৰিমগঞ্জ ৫, হাইলাকান্দি ৫ টা আৰু যোৰহাটত ১০ টা দিয়া হৈছে।

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰথমে কলে যে চৰকাৰে প'ষ্ট চেংচন দিয়া হোৱা নাই। এতিয়া কৈছে ১৫৩ টা প'ষ্ট চেংচন দিয়া হৈছে, তাৰ ভিতৰত এম, ভি, স্কুলৰ প্ৰায়মেৰী চেন্সনৰ কাৰণে ক'ত কিমান স্কুল দিয়া হৈছে আৰু তাৰ বাবে এম, ভি, পৰ্য্যায়ত কিমান প'ষ্ট আৰু এল, পি, পৰ্য্যায়ত কিমান প'ষ্ট দিয়া হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—সেই বিলাক কাগজ-পত্ৰ মোৰ হাতত নাই। পিছত চোৱা হব।

শ্ৰীঅতুল গোস্বামী—মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে যে গোটেই গুৱাহাটীতে ১৫ টা প'ষ্ট দিয়া হৈছে। আমি জনাত এল, পি

চেন্সন নকৰাকৈ এম, ভি, পৰ্য্যায়ত দিয়া হৈছে। কাৰণটো কি জনাবনে?

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)– এইটো এলিগেচন হৈছে যদি ব্যৱস্থা লোৱা হব।

শ্ৰীঅতুল গোস্বামী—চাৰ, ক'ত কিমান প'ষ্ট কি কি পৰ্য্যায়ত দিয়া হৈছে, এই সাধাৰণ তথ্য-পাতিখিনি যদি মাননীয় মন্ত্ৰী মহোদয়ৰ হাতত নেথাকে, তেন্তে কেনেকৈ ব্যৱস্থা লব ? এইটো বিষয়ৰ কাৰণেই চৰ্ট নটিচ আহিছে আৰু সেই বিষয়টোকে মন্ত্ৰী মহোদয়ৰ অজ্ঞাতে থাকে তেন্তে কেনেকৈ কি ব্যৱস্থা গ্ৰহণ কৰিব ?

শ্ৰীভুবনেশ্বৰ বৰ্মণ—মাননীয় উপাধ্যক্ষ মহোদয়, এম, ভি, স্কুল বিলাকতে যে এল, পি, চেন্সনবোৰ থাকে মন্ত্ৰী মহোদয়ে জানে নে নেজানে ? প্ৰত্যেক চাব ডিভিজনতে একোখন এড্‌ভাইজেৰী কমিটি আছে আৰু সেই এড্‌ভাইজেৰী কমিটিৰ লগত আলোচনা কৰিহে এটা নীতি বিধানৰ মাজেদি কোনো স্কুলৰ প'ষ্টত এপইন্টমেণ্ট দিয়া কথা আছে। কিন্তু এড্‌ভাইজেৰী কমিটিৰ লগত কোনো আলোচনা নোহোৱাকৈ কোনো নীতিগত বিধি নমনাকৈ কোনে এই প্ৰাইমেৰী পৰ্য্যায়ৰ প'ষ্টবোৰত কি কাৰণত এপইন্টমেণ্ট কৰিলে সেই কথাটো এড্‌ভাইজেৰী কমিটিৰ আগত প্লেচ কৰিব লাগে।

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—এনেকুৱা এলিগেচন আছে যদি আমি নেজানো। এই বিষয়ে চোৱা হব।

শ্ৰীভুবনেশ্বৰ বৰ্মণ—মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত এলিগেচনৰ প্ৰশ্ন অহা নাই। কথাটো হ'ল এড্‌ভাইজেৰী কমিটিৰ নীতি-বিধি জানিও কিয় এনে ব্যৱস্থা হ'ল জনাব লাগে।

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—এইটো ভালদৰে চাই ব্যৱস্থা লোৱা হব।

শ্ৰীনজমূল হক—মাননীয় অধ্যক্ষ মহোদয়, কেৱল ব্যৱস্থা লোৱা হ'ব বুলি কলেই নহব, এতিয়াই তদন্ত কৰি আমাক এই বিষয়ে জনাব লাগে।

শ্ৰীৰথীন্দ্ৰ নাথ মালাকৰ—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে চৰ্ট নটিচ "এ"ত লিখিতভাৱে, এনকুৱাৰী কৰি দিয়া হব বুলি কৈছে--The Nos. of posts allotted to each of the Deputy Inspector of schools in the state. নটিচ নং "বি" ত এই বিষয়ে প্ৰত্যেক

চাব ডিভিজনতে কিমান ইন্সপেক্টৰৰ প'ষ্ট আছে, কেনে ধৰণৰ প'ষ্ট কাক কাক দিছে মন্ত্ৰী মহোদয়ে আজিয়েই সদনত জনাব পাৰিবনে ?

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—এম, ভি, স্কুলৰ প্ৰায়মেৰী চেক্সনৰ কাৰণেহে এইটো কৰা হৈছিল ।

শ্ৰীৰবীন্দ্ৰ মালাকাৰ– মাননীয় উপাধ্যক্ষ মহোদয়, গোটেই গুৱাহাটীতে যি ১৫ টা প'ষ্ট দিছে, তাৰ ভিতৰত হাজো অঞ্চলটোৰ কাৰণেও দিয়া হৈছে নেকি ?

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—কালিলৈ সদনত কথাটো জনাব পৰা হ'ব ।

শ্ৰীযোগেন গগৈ—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এপইন্টমেন্টৰ ক্ষেত্ৰত যি বিলাক খেলি মেলি আছে, সেইবোৰ পিছত বিচাৰ কৰি চাই ভৱিষ্যতলৈ যাতে তেনে নকৰে তাৰ ব্যৱস্থা কৰিবনে ? এড্‌ভাইজেৰী কমিটিৰ লগত আলোচনা নকৰাকৈ পুন পতিয়াকৈ নিয়োগ ব্যৱস্থা কৰা নহয় আৰু এনে ব্যৱস্থা যাতে নিৰ্মূল কৰাৰ ব্যৱস্থা কৰিবনে বা বন্ধ কৰিবনে ? কাৰণ এল, ডিৰ পৰা আৰম্ভ কৰি ডি. আই, লৈকে টকা-পইচা লৈ নিজৰ মানুহক নিয়োগ কৰাৰ নিচিনা যি খেলি মেলি আছে সেইবোৰ দূৰ কৰাৰ কাৰণে স্পষ্ট ভাবে মন্ত্ৰী মহোদয়ে ব্যৱস্থা লোৱাৰ কথা ঘোষণা কৰিবনে ?

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—এই বিষয়ে নিশ্চয় প্ৰয়োজনীয় ব্যৱস্থা লোৱা হ'ব আৰু এই খেলি-মেলি দূৰ কৰিবৰ কাৰণে উপযুক্ত ব্যৱস্থা কৰা হ'ব ।

শ্ৰীনজমুল হক—মাননীয় উপাধ্যক্ষ মহোদয়, এইবোৰ খেলি-মেলিৰ কাৰণেই শিক্ষা বিভাগত গভীৰ অন্ধকাৰে দেখা দিছে । গতিকে চৰকাৰৰ পৰা আমি এটা ক্লিয়েৰিফিকেচন বিচাৰিছো এই বিষয়ে কেনে ধৰণৰ ব্যৱস্থা লোৱা হ'ব, চৰকাৰে স্পষ্ট ঘোষণা দিব লাগে ।

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—ইমান সোনকালেই মই এইটো কেনে ব্যৱস্থা লোৱা হ'ব জনাব নোৱাৰিম ।

শ্ৰীসোনেশ্বৰ বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, এম, ভি, স্কুলত, প্ৰায়মেৰী চেক্সনত যিবিলাক শিক্ষকক নিয়োগ কৰে তেওঁলোকে এড্‌ভাইজেৰী কমিটিৰ

লগত আলোচনা কৰিহে সিদ্ধান্ত লৈ এপইণ্টমেণ্ট দিয়া হয়। কিন্তু সেইটো অৰ্ডাৰ, ডি, আই, মহৰী কেৰেনীৰ লগতহে আলোচনা কৰি নিয়োগ কৰে। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, কমিটিক অবজ্ঞা কৰা কথাটোত উপযুক্ত ব্যৱস্থা চৰকাৰে লবনে কমিটিক এই ব'ৰ্ডৰ পৰা একেবাৰে অব্যাহতি দিব ?

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—এই সকলোবোৰ ৰেগুলাৰাইজ কৰি ভৱিষ্যতে যাতে তেওঁলোকে তেনে নকৰে সেই ব্যৱস্থা কৰা হ'ব।

শ্ৰীৰমনী বৰ্মন—মাননীয় উপাধ্যক্ষ মহোদয়, এই এড্ভাইজেৰী কমিটিখন এই পবিত্ৰ সদনৰ সন্মতিৰ সাপেক্ষেহে আছিল। গতিকে এতিয়াৰ চৰকাৰে নিয়োগৰ ক্ষেত্ৰত এই কমিটিৰ ৰিকমেন্দ নোহোৱাকে কৰিছে, সেই বিষয়ে কি ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব আমাক জনাবনে ?

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—সেইটো চৰকাৰে যেতিয়া ৰিকমেন্দ কৰিছে, কিবা এন'মেলিজ থাকিলে ৰেগুলাৰাইজ কৰা হ'ব আৰু ইয়াৰ উপযুক্ত ব্যৱস্থা লোৱা হ'ব।

শ্ৰীৰমণী বৰ্ম্মণ—যি সকল ডি, পি, আই এডভাইজাৰি কমিটিক অবজ্ঞা কৰিছে তেওঁলোকৰ ওপৰত কি ব্যৱস্থা লোৱা হব ?

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—ব্যৱস্থা লোৱা হব।

(কেবাজনো সদস্যই একেলগে কয়—কি ব্যৱস্থা লোৱা হব ?)

শ্ৰীউমেশ দাস—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে গোটেই অসমতেই বিশেষকৈ গুৱাহাটী মহকুমাত যি ১৫টা পোষ্টৰ নিযুক্তি দিয়া হল, সেই ১৫টা পোষ্টৰ নিযুক্তিৰ নৰ্ম্মচৰ মতে নিদি কোনোবা ডি, আইৰ লৰা-ছোৱালী, এচ, আইৰ পৰিবাৰ এনেকুৱাকৈ এই সকলৰ অঙহী-বঙহীক নিযুক্তি দিয়া হৈছে। এই সম্পৰ্কত এড্ভাইজাৰি কমিটিৰ লগত কোনো আলোচনা হোৱা নাই। গতিকে মই জানিব বিচাৰিছো যে এই সম্পৰ্কত অনুসন্ধান কৰি যদি কিবা অনিয়ম হৈছে এই নিযুক্তিবোৰ বাতিল কৰিবনে ?

শ্ৰীমুক্তাদিৰ চৌধুৰী (মন্ত্ৰী)—অকল গুৱাহাটীতে নহয় অন্যান্য ঠাইতো যিবোৰ অনিয়ম হৈছে সেই বিলাকৰ সম্পৰ্কতো ব্যৱস্থা লোৱা হব।

মাননীয় উপাধ্যক্ষ—এই প্ৰশ্নটোৰ সম্পৰ্কত যথেষ্ট পৰিপূৰক প্ৰশ্ন দিয়া হৈছে তথাপিও মই ভাবো মাননীয় সদস্য সকলে আৰু কথা জানিবলৈ বিছাৰিছে সেই কাৰণে এই প্ৰশ্নটো পেণ্ডিং থাকক Let the Minister come well prepared to give proper replies.

Shri Muqtadir Choudhuri ( Minister )—Sir, it may not be possible to gather all information by tomorrow,

( There were shouts from all sides )

Mr. Deputy Speaker—Let us now take up item No. 2.

## UNSTARRED QUESTIONS AND ANSWERS

Date : 31st March, 1981

( To which answers were laid on the table )

বিঃ সৰু মাছৰ উৎপাদন ।

শ্ৰীছামচুল হুদাই সুধিছে ঃ

১৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চৰকাৰে সৰু সৰু মাছৰ উৎপাদন বৃদ্ধিৰ উদ্যোগ লোৱাটো হয়নে ?

(খ) যদি হয়, তেন্তে কেনে ধৰনৰ উদ্যোগ লৈছে ?

(গ) মাগুৰ মাছৰ খেতি কৰাৰ চৰকাৰী উদ্যোগ বৰ্ত্তমানে কি পৰ্য্যায়ত আছে ?

(ঘ) এই উদ্যোগ ফলবতী হৈছে নে ?

(ঙ) যোৱা তিনি বছৰৰ ভিতৰত চৰকাৰে মাগুৰ মাছৰ কণী বিচাৰি বিদেশলৈ যোৱাটো হয়নে ?

(চ) যদি হয় তেন্তে,

(১) কোন চনত কিমান বিষয়া গৈছিল ?

(২) কোন কোন দেশলৈ গৈছিল ?

(৩) সৰ্ব্বমুঠ কিমান টকা খৰচ পৰিল ?

(৪) সেই বিষয়া সকলে বিদেশৰ পৰা আমদানি কৰা মাগুৰ মাছৰ কণীৰ সৰ্ব্বমুঠ ওজন কিমান ?
(৫) সেই কণীবোৰ কেতিয়া আৰু ক'ত কেনেভাবে ব্যৱহাৰ কৰা হৈছে ?
(৬) তাৰ পৰা উৎপাদনৰ ক্ষেত্ৰত কি ফল পোৱা গৈছে ?

শ্ৰীলীলাময় দাস (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।

১৮ (ক) নহয়।
(খ) প্ৰশ্ন নুঠে।
(গ) মাগুৰ, শিঙি আদি বায়ুবাসী মাছৰ পোনা উৎপাদন আৰু বিতৰণৰ উদ্দেশ্যে আঞ্চলিক পাম এখন স্থাপনৰ বাবে গুৱাহাটীৰ পৰা প্ৰায় ৩০ কিঃ মিঃ দূৰত আমৰাঙা মীন পামত স্থান নিৰ্বাচন কৰা হৈছে। এই আঁচনিৰ কাম এই মাহতে আৰম্ভ কৰা হব।
(ঘ) স্থাপনৰ পিচতহে ফলবতী হব।
(ঙ) নহয়।
(চ) প্ৰশ্ন নুঠে।

বিঃ বিচাৰাধীন গোছৰৰ সংখ্যা।

শ্ৰীজ্ঞান গগৈয়ে সুধিছে :

শ্ৰীজ্ঞান গগৈয়ে সুধিছে : মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?
১৭। (ক) অসমৰ ন্যায়ালয় সমূহত বিচাৰাধীন হৈ থকা গোছৰৰ সংখ্যা বৰ্ত্তমান কোন খনত কিমান ?
(খ) ইয়াৰ ভিতৰত ৫ (পাঁচ) মাহৰো অধিক কাল বিচাৰৰ অপেক্ষাত থকা গোছৰৰ সংখ্যা কিমান ?

শ্ৰীমহম্মদ ইদ্ৰিছ (আইন (ন্যায়িক) বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

১৭ (ক) মুঠ গোছৰৰ সংখ্যা—

| | |
|---|---|
| দেৱানী— | ২০,৮৮৩ |
| ফৌজদাৰী— | ৭১,২৫৯ |
| মুঠ— | ৯২,১৪২ |

বিতং বিৱৰণৰ তালিকা সদনৰ মেজত ৰখা হ'ল ।

(খ) দেৱানী— ১৩,০১৫

ফৌজদাৰী — ২১,৭৯১

মুঠ — ৩৪,৮০৬

Re : Vacant post in the Office of the Commissioner of Taxes.

Shamsul Huda Asked :

20. Will the Minister, Finance be pleased to state :

(a) Whether it is a fact that since the day of the retirement of M. Ataur Rasul, the post of Joint Commissioner of Taxes has been kept vacant.

(b) If so, the reason there of ?

(c) Whether the Government will soon fill up the vacant post with the most deserving and senior most Deputy Commissioner of Taxes ?

(d) If not, the reasons there of ?

(e) The total number of the posts of Deputy Commissioners, Asstt. Commissioners, Superintendents, and Inspectors of Taxes lying vacant at present ?

(f) When the Government propose to fill up these vacant posts ?

(g) Whether it is a fact that the Government has decided to raise the promotion quota of these officers from 50% to 65% ?

(h) If so, when ?

(i) Whether it is a fact that due to non-filling of these posts, the Tax Deptt. is facing many difficulties ?

Shri Keshab Chandra Gogoi ( Miniser, Finance ) to replied :

(a) The post was vacant from 1.8.80 to 25.2.81. The post has since been filled.

(b) Does not arise.
(c) Does not arise.
(d) Does not arise.
(e) Posts lying vacant are :
(1) Supdt. of Taxes—5 posts.
(2) Inspector of Taxes—62 posts.
(f) Government are taking all steps to fill up the vacant posts as early as possible.
(g) No.
(h) Dose not aris .
(i) Yes.

বিঃ গড়কাপ্তানী পথ নির্ম্মান।

শ্ৰীছ মচুল হুদাই সুধিছে ঃ
২১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?
(ক) গড়কাপ্তানী বিভাগৰ পথ নিৰ্ম্মানত মাটিৰ কামত মাটি জোখ হয় নে খন্দা ঠাইবোৰ জোখা হয় ?
(খ) যদি খন্দা ঠাইবোৰ জোখা হয়, তেন্তে ৰাস্তাৰ ওপৰত তোলা মাটি খিনি ( earth raised ) জোখ মাফৰ বিধি ব্যৱস্থা কৰিবনে ?
(গ) বহু ঠাইত, নতুন ৰাস্তাৰ Plan estimate ত নিৰ্দ্ধাৰিত মাটিৰ পৰিমাণ আৰু প্ৰকৃততে তোলা মাটিৰ ( earth raised ) পৰিমাণৰ মাজত দেখা দিয়া পাৰ্থক্যৰ কথা চৰকাৰে জানেনে ?
(ঘ) যদি নাজানে তেন্তে চৰকাৰে এই দিশত এটা কাৰ্য্যকৰি তদন্ত চলাবনে ?
শ্ৰীএ, এফ গোলাম ওচমানী ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে।
২১ (ক) আজি কালি ৰাস্তাত তোলা মাটিহে জোখা হয়।
(খ) (ক) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত উক্ত প্ৰশ্ন নুঠে।
(গ) এনে ধৰণৰ পাৰ্থক্য বুজন পৰিমাণে সাধাৰণতে হব নেলাগে। কেতিয়াবা কাৰিকৰি দিশৰ পৰা বা আন কথাৰ কাৰণে পংক্তি বন্ধান ( alignment ) সলাব লগীয়া হ'লে বা প্ৰাক্কলন তৈয়াৰ কৰাৰ পৰা কাম হাতত লোৱাৰ মাজত সময়ৰ ব্যৱধান অধিক হৈ কাম কৰা ঠাইৰ অৱস্থাৰ বিশেষ পৰিবৰ্ত্তন

ঘটিলে প্ৰাক্কলনত দেখুওৱা পৰিমাণ আৰু প্ৰকৃতত্তে কৰা কামৰ পৰিমাণৰ মাজত ব্যৱধান হব পাৰে আৰু এনে হ'লে তাৰ বাবে যথাবিহিত ব্যৱস্থা লোৱা হয়। কোনো বিশেষ কাৰণ নোহোৱাকৈ অস্বাভাৱিক পৰিমাণৰ তাৰতম্য পৰিলক্ষিত হ'লে তদন্তও কৰা হয়।

(ঘ) (গ) প্ৰশ্নৰ উত্তৰৰ পৰিপেক্ষিতত উক্ত প্ৰশ্ন নুঠে। তথাপি নিৰ্দিষ্ট কোনো কামৰ ক্ষেত্ৰত মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰা ধৰণৰ প্ৰাৰ্থক্যৰ কথা চৰকাৰক জনালে আৱশ্যকীয় তদন্তৰ ব্যৱস্থা কৰিব পৰা যাব।

## VOTING ON VOTE ON ACCOUNTS FOR 1981-82

শ্ৰীসোনেশ্বৰ বৰা—মই ভগৱানৰ কৃপাত আৰু আপোনালোকৰ আশীৰ্ব্বাদত ১৫ বছৰকাল একেলেঠাৰিয়ে বিধান সভাত আছোঁ। মাত্ৰ ৰাষ্ট্ৰপতি শাসনত এবছৰমান কাল বাদে বাকী সময়ছোৱাত ২৫-২৬ বাৰ বাজেট অধিবেশন পাইছো। প্ৰত্যেকখন বাজেটতে ভোট অন একাউণ্টচ, চাপ্লিমেণ্টেৰী ডিমাণ্ডচ, পাচ বজাৰ ভিতৰত বা নিৰ্দ্দিষ্ট সময়ত পাছ হব লাগে। ভোট অন একাউণ্টচ আজি পাচ বজাই নাই চাবে তিনি বজাত পাছ কৰিছে। এতিয়া এপ্ৰপ্ৰিয়েচন বিলৰ টকা কেইটা উঠাবৰ কাৰণেই আমাৰ অনুমোদন লাগে। আমি জানো বাৰ বজাৰ পিচত এক এপ্ৰিল হব। গতিকে বাৰ বজাৰ পিচত

বাজেটৰ কাম কৰিব নোৱাৰে। আমি বিৰোধী পক্ষত থাকিলেও বা চৰকাৰী
পক্ষত থাকিলেও সমানেই আমাৰো দায়িত্ব আছে। গতিকে আমিও বাৰ
বাজি যাবলৈ নিদিওঁ। উপাধ্যক্ষ মহোদয়, সেই কাৰণেই কৈছোঁ যে শ্ৰীশৰৎ
সিংহ আৰু গজেন তাতী ডাঙৰীয়াই ঠিকেই কৈছে, আমিও কওঁ পাচ বজাৰ
ভিতৰত যিখন বিল পাছ হব লাগে সেইখন এপ্ৰপিয়েচন বিল নহয়। তেখেতে
ভুলকৈ বুজাইছে। এইটো তেখেতে শুধৰাবৰ চেষ্টা কৰিলে ভাল হয়।
অৱশ্যে কথাটো অলপ আগতে হ'ল মানে আলোচনাটো অলপ আগ ভীয়া
হ'ল গতিকেই এইখিনি কথা আলোচনা কৰিবলগীয়া হ'ল। অধ্যক্ষ মহোদয়,
ৰাতি ১২ বজাৰ আগতে আপুনি চহী কৰিব পৰাকৈ সুবিধা কৰি দিয়।
শ্ৰীহুলাল চন্দ্ৰ বৰুৱা—অধ্যক্ষ মহোদয়, মই এটা কথাত অতি আচৰিত
হৈছোঁ যে ভোট অন ডিমাণ্ডচৰ গ্ৰান্ট বিলাক পাছ হৈ গ'ল। আমাৰ
মাননীয়, অতি শ্ৰদ্ধাৰ ওমৰুদ্দিন চাহাব ডাঙৰীয়া উঠো উঠো কৈ আছে;
চৰক'ৰৰ সমৰ্থনত। তেখেতৰ বহুতো অভিজ্ঞতা আছে গতিকে আমাক অলপ
কবলৈ দিয়ক। বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ কথা শুনি আমি আচৰিত হৈছোঁ কাৰণ
১২ বজালৈকে চলি থাকিবলৈ দিব লাগে বুলি মযে কৈছোঁ, কিন্তু মই
কলেইটো নচলে গতিকে ভয় খাব লগা একো নাই। যদি ভয় খাইছে
তেতিয়াহলে জোৰ জবৰদস্তি কৰিয়েই পাছ কৰক। ভোট অন ডিমাণ্ডচৰ
গ্ৰাণ্টৰ পাছ হ'ল তাত আমি একো আলোচনা কৰিব নোৱাৰিলোঁ।
এপ্ৰপিয়েচন বিলৰ ক্ষেত্ৰত সময়ৰ কথা নাই। কোনো ৰুলতো এই কথা
নাই। ৰুলৰ ইমান ভুল ব্যাখ্যা দিয়াটো অতি আচৰিত হৈছোঁ। তেখেত
এজন আইন মন্ত্ৰী আৰু পাৰ্লিয়ামেণ্টেৰী এফেয়াৰচৰ মন্ত্ৰীও। তিনিবাৰ
বিত্তমন্ত্ৰীও হ'ল। Generally we are to be guided by him. কিন্তু
তেখেতে আমাক মিচগাইড্ কৰিছে। বিধান সভাত মোৰ ২০ বছৰেই
হ'ল গতিকে অলপ হলেও কিছু কথা মই জানো। গতিকে ল'ৰা-ছোৱালীৰ
নিচিনাকৈ জোৰ কৰিলে নহব। আগতেও আমাৰ ৰাইটৰ পৰা আমাক
ডিপ্ৰাইভ কৰা হৈছে। আমাৰ কথা নুশুনি বিল পাছ কৰিলে। তথাপিও
আমি বহি আছোঁ এই বিলক কিছু কথা কম বুলি। গতিকে পাচ বজাৰ
ভিতৰত পাছ কৰিলে আমাৰ একো কথাই আলোচনা কৰা নহব। গতিকে
আমাক কথা কবলৈ সুবিধা কৰি আপুনি সময় বাঢ়ি দিব লাগে।

Shri Noorul Huda—I submit sir, it is up to the hon. Speaker to fix the time limit and close the discussion at an appripriate time. Why should you take the opinion of the members of this House ? I do not see any reason why all the members of the House are to be consulted as to how long they would continue to speak.

Mr. Speaker—That is why I want to get it fixed.

Shri Noorul Huda—Sir, I do not want to cast any reflection. It is provided as to how we proceed in this House. Let us participate in the discussion. If you in your wisdom think that at certain appropriate time the discussion should close you exercise your prerogative and close the discussion.

Shri Joynal Abedin—Sir, I am a junior member and I have little experience in parliamentary affairs. Sir, I am confused and I want your ruling in the matter. Sir, two things are raised—one is Appripriation Bill and the other is the Finance Bill. So far as the Appripriation Bill is concerned, I think we can continue discussion upto the midnight. But so far as the Finance Bill is concerned, the rule is clear ; Rule 155 states – "At any time after the introduction in the Assembly of a Finance Bill, the Speaker may allot a day or days, jointly or severally, for the completion of all or any of the stages involved in the passage of the Bill by the Assembly and when such allotment has been made, the Speaker shall at 16/30 hours on the alloted day or at 17 hours or at 11/30 hours, if it is a Friday, or the last day of the alloted days, as the case may be, forthwith put every question necessary to dispose of all the outstanding matters in connection with the stage or stages for which the day or days have been alloted". So, I want to know whether the Finance Bill cannot be discussed after 5 p.m.

শ্ৰীফনি মেধি—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিত্তমন্ত্ৰীয়ে কৈছে যে ফাইনেন্স বিল পাচটাৰ আগতে পাছ কৰিব পাৰি আৰু এই কালৰ

সদস্য সকলে কৈছে যে 'ভোট অন্ একাউণ্টচ্ পাছ হৈ গৈছে। এতিয়া প্ৰশ্ন হৈছে কোনটো শুদ্ধ ?

Shri Keshab Chandra Gogoi ( Minister )—Sir, I have been misunderstood. We can discuss Appropriation Bill, I have no objection. What I suggested is that Rule 155 be suspended for today so that we can take up the Finance Bill after the Appropriation Bill is passed.

শ্ৰীসোনেশ্বৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, ফাইনেন্স বিল পাছটাৰ ভিতৰত পাছ হব লাগে, কিন্তু চাৰে তিনিটাৰ ভিতৰতে পাছ হৈ যোৱাৰ কাৰণে মাজৰ এই দেৰ ঘণ্টা সময়ৰ ভিতৰতে এপ্ৰোপ্ৰিয়েশ্বন বিলখন আহিছে।

Mr. Speaker –Appropiration Bill must be started at 5 p.m. and the Finance Bill must complete at 5 p.m. That is the trouble. We have already taken up Appropiration Bill......

শ্ৰীনগেন বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, 'ফাইনেন্স বিল' আগতে পাছ হব লাগে। 'এপ্ৰোপ্ৰিয়েশ্বন বিল' কেনেকৈ পাছ হব পাৰে আগতে। এই ধৰণেই কি সদন চলিছে।

শ্ৰীনজমূল হক– মাননীয় অধ্যক্ষ মহোদয়, কোন কালৰ পৰা সংবিধানৰ 'ট্ৰেডিশ্বন' ভঙ্গ কৰা হৈছে ?

( সদনত ভিষণ গণ্ডগোল )

Shri Keshab Chandra Gogol ( Minister )—That is why, Sir, I wanted to move that the Ruls 155 be suspended to enable me to take up the Finance Bill afterwards i.e. after the passage of the Appropriation Bill.

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী—মাননীয় অধ্যক্ষ মহোদয়, এইটো কেনেকৈ হব পাৰে ?

Mr. Speaker—So, the question of time is there... ( interruption from Janata Members . ) Mr. Devananda Bora, you please sit down. Hon. member should not behave in this way...So what I wanted to say is that if the House agrees the agenda can be changed so that we can first take up the Finance Bill then pass on to Appropriation Bill, because Finance Bill mu t be over by 5 p.m. I want to take the

sense of the House. I will not go by my sweet will. I will certainly take the consensus of the House.

Shri Dulal Chandra Barua—Sir, Govt should have thought over this before they fix up the agenda in the meeting of the B.A.C through their representatlve, namely, the Minister for Parliamentary Affairs. This situation could have been averted if the Minister concerned met and explained to you about his difficulties before the agenda of the day was fixed.

Mr. Speaker—Yes. Mr. Hemen Das, you wanted to say something.

Shri Hemen Das—It is true that the House can suspend/ change the agenda. How it will be changed now because item No. 3 is continuing ? I cannot understand whether we should go to item No. 4 without disposing of item No. 3. In the meantime we have spent an hour on argument in the House on the expectation that we will get a ruling from you. But you have placed the burden on us. Sir, we do not like to take the burden and I hope you will decide what is to be done.

Mr. Speaker—I now like to hear the Finance Minister.

Shri Keshab Chandra Gogoi (Minister)—I have gone through the Ruls No. 155. It says, that it is not necessary to complete the discussion to-day. It can be done even tomorrow.

Mr. Speaker—Some of the hon. members are annoyed with me. I only wanted to get the consensue of the House and that is why I have requested that the sense of the House should be taken. Some hon.members misunderstood me. Now, I may extend the House for appropriation bill upto 6 or 7, whatever time you agree to.

( Noise )

( Voices-upto 9 p.m. with 15 minutes tea break. )

Shri Noorul Huda—Whether you have suspended Rule 155 to allow a discussion on appropriation bill to be taken up after the Finance Bill is introduced.

( Noise )

Mr. Speaker—Finance Bill is already introduced and that will be discussed afterwords.

Shri Baneswar Saikia—When this Finance Bill was introduced ?

( Noise, Noise )

Shri Keshab Chandra Gogoi ( Minister ) —This has already been introduced.

( Noise, Noise )

Shri Atul Goswami—Sir, you might fix the time at 7.30.

( Voices: Yes, Yes, No, No .....noise......... )

Shri Baneswar Saikia—Unless the Finance Bill is passed we cannot spend a farthing.

Mr. Speaker—We are now going to complete the discussion on the Appropriation Bill. If we start now, we may complete by 7.30. The other bill which was introduced on 23rd, that is, the taxation bill there is no trouble.

* শ্রীনূরুল হুদা—মাননীয় অধ্যক্ষ মহোদয়, আমি এই বিলের উপর আলোচনা করতে গিয়ে আমাদের এই রাজ্যের অত্যন্ত গুরুত্বপূর্ণ বিষয় সম্বন্ধে কয়েকটি কথা বলতে চাই। স্যার, রাজ্য সরকারী কর্ম্মচারীরা বেশ কয়েক বছর যাবত্ তাদের বিভিন্ন দাবী—দা আনিয়ে সরকারের সঙ্গে আলাপ আলোচনা করে আসছেন। স্যার, আসাম রাজ্যের সরকারী কর্ম্মচারীরা বেশ কয়েক বছর যাবত্ তাদের মৌলিক কয়েকটি বিষয় নিয়ে, সমস্যা নিয়ে সরকারের সঙ্গে আলাপ আলোচনা করে আসছেন। দূর্ভাগ্যক্রমে আজ পর্য্যন্ত তাদের এই দাবী দাওয়া গুলি পূরণ হয়নি। যারফলে সরকারী কর্ম্মচারীদের মধ্যে নানা অসন্তোষ ও তিক্ততার সৃষ্টি হয়েছে। অধ্যক্ষ মহোদয়,

* Speech not corrected.

আপনি জানেন, এই সদনের সম্মানিত সদস্য গণ জানেন যে গত দেড় বছর যাবত্ আসাম রাজ্য এবং সমস্ত উত্তর পূর্বাঞ্চল একটা ভয়ঙ্কর পরিস্থিতির মধ্যে চলেছে। বিদেশী অনুপ্রবেশকারী কিংবা বিদেশী নাগরিকদের সমস্যা নিয়ে যে আন্দোলন চলেছে তাতে সরকারী কর্ম্মচারীদের বলুন, শ্রমিকশ্রেণীর কথা বলুন, কৃষকদের কথা বলুন বা শিক্ষকদের কথাই বলুন-তাদের মৌলিক সমস্যা গুলি যেগুলি নিয়ে স্বাধীনোত্তর সময় থেকে আজ পর্য্যন্ত যে আন্দোলন চলে আসছে সেই সমস্ত সংগ্রামী আন্দোলন গত দেড় বছরে যথেষ্ট ব্যাহত হয়েছে। আমি তারজন্য কাউকে দোষ দিতে চাই না। আমাদের পার্টির তরফথেকে আমরা বার বার বলেছি যে বিদেশী নাগরিকের সমস্যা অত্যন্ত গুরুত্বপূর্ণ সমস্যা। আসামের জনগণ চান, আসাম রাজ্যের অধিবাসীরা চান এবং সমস্ত উত্তরপূর্বাঞ্চলের জনগণ এই গুরুত্বপূর্ণ সমস্যার একটা আশু সমাধান চান। এবং যত তারাতারি সম্ভব এই সমস্যার সমাধান হয় ততই আমাদের রাজ্যের পক্ষে মংগল। যাই হউক না কেন, কেন্দ্রীয় সরকার এই বিষয় নিয়ে কয়েকবার আলোচনা করেছেন। বিভিন্ন পার্টির তরফ থেকে জনতা পার্টির তরফ থেকে, আমাদের বাম ও গণতান্ত্রিক পার্টি এবং শাসক পার্টির তরফ থেকে ও সমাধানের কিছুটা চেষ্টা হয়েছে। এই চেষ্টার কোন সুফল আমরা পাই নি। কিন্তু ইতিমধ্যে আমরা দেখছি যে নিত্য প্রয়োজনীয় জিনিষ পত্রের দাম অনেকটা বেড়ে গিয়েছে। অথচ শ্রমিক কর্মচারীদের যে ন্যূন্যতম মজুরি কিংবা বেতন তা আনুপাতিক ভাবে বাড়ানো হয়নি। অবশ্য সম্প্রতি তাদের মহার্ঘ ভাতা বাড়ানো হয়েছে। কিন্তু এই বাড়ানোর ব্যাপারে বর্তমান সরকারের কোন কৃতিত্ব নাই। দীর্ঘ দেড় বৎসর যাবৎ যে কাজ গুলি অচলাবস্থায় ছিল সেই অচলাবস্থার পরে অর্থাৎ সামান্য একটু স্বাভাবিক অবস্থা আমার পর মাত্র কিছুদিন পূর্বে শ্রমিক কর্মচারীদের, সরকারী কর্মচারীদের মহার্ঘ ভাতা সামান্য বাড়ানো হয়েছে। রাজ্য সরকারী কর্মচারী ফেদারেশন কিছুদিন আগে আমাদের রাজ্যের মূখ্য সচিবের সঙ্গে দেখা করেছিল। নবেম্বর থেকে তারা চীফ সেক্রেটারির সঙ্গে দেখা করার চেষ্টা করে শেষ পর্যন্ত ফেব্রুয়ারিতে আলোচনা হয়েছে। মহোদয়, আমি তাদের কয়েকটি দাবীর ব্যাপারে আপনার, বর্তমান শাসক দলের এবং সমস্ত বিরোধী দলের সদস্যদের দৃষ্টি আকর্ষণ করতে চাই।

মহোদয়, তাদের দাবী হলো. ১৯৭৬ ইংরাজীর নির্দ্ধারিত মূল্যসূচী অনু- যায়ী ১৯৭৭-৭৮, ১৯৭৮-৭৯, ১৯৭৯ ৮০ সনের যে বকেয়া মহার্ঘভাতা মড়ে আছে- সেটা দিতে হবে। তাঁরা দাবী তুলেছিল যে বেতনের ব্যাপারে যে অসঙ্গতি আছে অর্থাৎ যে সমস্ত এনোমেলি রয়েছে তা দূর করতে হবে। তাদের ঘরভাড়া বাবদ যে হারে অর্থাৎ শতকরা ১২ টাকা যে দেওয়া হচ্ছে তা বাড়িয়ে যেন শতকরা ২০ টাকা করা হয়। তাছাড়া, ওয়ার্কচার্জ, মাষ্টাররোল বা এই ধরণের অন্যান্য যে সমস্ত অস্থায়ী কর্মচারী রয়েছে—তাদের চাকরী নিয়মিত করতে হবে। অধ্যক্ষ মহোদয়, এই প্রসঙ্গে আমি অত্যন্ত দুঃখের সঙ্গে বলছি যে বিগত ১৯৭৯ ইংরাজির মার্চ মাসের অধিবেশনে রাজ্যপাল মহোদয় এই সম্মানিত সদনের সামনে যে বক্তব্য রেখেছিলেন যে এই ওয়ার্কচার্জ, মাষ্টাররোল বা অন্যান্য অস্থায়ী কর্মচারী যারা রয়েছে —যাদের চাকুরি ৫ বৎসর বা তার উপর হয়েছে-এইসব কর্মচারীদের চাকুরি নিয়মিত করা হবে। তখন আমাদের মাননীয় সদস্য শ্রীদুলাল চন্দ্র বরুয়া পি ডাব্লু ডি বিভাগের মন্ত্রী ছিলেন এবং মাননীয় সদস্য শ্রীগোলাপ বরবরা আমাদের মুখ্যমন্ত্রী ছিলেন। তাঁদের সময়েই রাজ্যপাল একথা বলেছিলেন Their services will be regularised. কিন্তু মহোদয়, আজ দুই বৎসর হয়ে গেল আজ ১৯৮১ ইংরাজীর মার্চ মাসের শেষ দিন - কিন্তু এই ব্যাপারে কিছুই করা হলোনা। মহোদয়, এই ব্যাপারে আমি মাননীয় অর্থমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করেছিলাম। আর আজ মাননীয় সদস্য শ্রীদুলাল চন্দ্র বরুয়ার মতো আমিও বলতে চাই যে এই সদনে একমাত্র আমাদের অর্থমন্ত্রী মহোদয়ই সৌভাগ্যবান ব্যক্তি যিনি জনতা, আসাম জনতা এবং বর্তমান কংগ্রেস (আই) সরকারের দিনেও সরকারকে প্রতিনিধিত্ব করছেন। আমি তাঁর কাছ থেকে জানতে চাই যে রাজ্যপালের অঙ্গীকার স্বত্বেও কেন এই ২০–২৪ হাজার মাষ্টাররোল ও ওয়ার্কচার্জ কর্ম্মচারী দের চাকুরি নিয়মিত করা হলোনা? এই বিষয়ে আজ পর্যন্ত কোন পদক্ষেপ কেন নেওয়া হয়নি। ফাইল কেবল এক বিভাগ থেকে আরেক বিভাগে যাচ্ছে পি ডাব্লু ডি বিভাগ থেকে মুখ্য সচিবের কাছে যাচ্ছে - কিন্তু কোনও কাজ হচ্ছে না। সুতরাং এই ব্যাপারে আমি আমাদের অর্থমন্ত্রী ও মুখ্যমন্ত্রী মহোদয়ের নিকট থেকে একটা প্রতিশ্রুতি চাই যে কাল বিলম্ব না করে তাদের চাকুরি নিয়মিত করা হবে। এই সদনে আমরা এই প্রতিশ্রুতি চাই।

মহোদয়, এরপর রাজ্য সরকারের কর্মচারীদের দাবী ছিল যে, যে কারণেই হোক না কেন যে সমস্ত শাস্তিমূলক ব্যবস্থা নেওয়া হয়েছিল তা প্রত্যাহার করতে হবে। এছাড়া তাদের আরও অন্য অনেক দাবী আছে। আমি বিস্তৃত ভাবে তা বলতে চাইনা। শুধু মাত্র আরও দুই একটি দাবী নিয়ে কথা বলে আমার বক্তব্য শেষ করবো। এর মধ্যে একটা হলো নার্সদের। বিভিন্ন হাসপাতালে যেসব নার্স বা ট্রেইনি নার্স আছে বেশ কিছুদিন যাবৎ তাদের অনেকগুলি দাবী রয়েছে। তারমধ্যে তাদের মেসিং এলাউন্স বাবদ ট্রেইনি নার্সদেরে ৫০ টাকা করে দেওয়া হয়। কিন্তু অন্যদের ক্ষেত্রে ৭৫ টাকা দেওয়া হচ্ছে। এই অসঙ্গতি দূর করা দরকার। এই দাবী তারা বহুদিন থেকে করে আসছে - আজ পর্যন্ত তা পূরণ করা হয়নি। তাছাড়া নার্সদের যে এসোসিয়েশন রয়েছে তাকে স্বীকৃতি দেওয়ার ব্যাপারে আজ পর্যন্ত কোন পদক্ষেপ নেওয়া হয়নি। এই ব্যাপারে স্বাস্থ্য বিভাগের সচিবের কাছে আমি নিজে বলেছি কিন্তু কিছুই হয়নি। যেসব এসোসিয়েশনের লেজিটিমেট অভাব অভিযোগ রয়েছে, সমস্যা রয়েছে তা নিয়ে আন্দোলন করার জন্য তাদের স্বীকৃতি দেওয়া দরকার। নানা অজুহাতে এই ব্যাপারটা আজ পর্যন্ত করা হয়েনি। সুতরাং আমি এবিষয়ে আপনার মারফৎ সরকারের দৃষ্টি আকর্ষণ করছি যে আমি আশা করি এই বিলের উপর বিতর্কের পরি-সমাপ্তিতে অর্থমন্ত্রী মহোদয়, মুখ্যমন্ত্রী মহোদয় বা অন্যান্য মন্ত্রী মহোদয়, তাদের নিজ নিজ যে সমস্ত বিভাগ আছে সেইসব বিভাগে শ্রমিক কর্মচারীদের বোনাসের ব্যাপারে বা অন্যান্য যেসব সুযোগ সুবিধার ব্যাপারে বঞ্চিত করে রাখা হয়েছে—তাদের ব্যাপারে নিশ্চয়ই এই সদনে সরকার আশ্বাস দিবেন।

এই প্রসঙ্গে আমি আর একটা কথা বলে আমার বক্তব্য শেষ করছি। জল সেচ এবং বন্যা নিয়ন্ত্রণ—এই দুইটা বিভাগ এখন পর্য্যন্ত মান্ধাতা আমলের মতো ৬ টাকা করে মাষ্টাররোল ও ওয়ার্কচার্জ শ্রমিক-দেরে দৈনিক দিচ্ছে। অন্যদিকে পি ডাব্লু ডি বিভাগ কম হলেও যেখানে ৮ টাকা হারে মজুরি দিচ্ছে—একই সরকারের দুটো বিভাগে কেমন করে দুরকম মজুরি দেওয়া সম্ভব একথা সরকার নিশ্চয়ই দেখবেন।

( ভয়েস্—ফ্রিন্জ্ বেনিফিট নিশ্চয়ই আছে )

কোন ফ্রিনজ্ বেনিফিট নাই। আপনি জানেন না। আপনি নিজে মন্ত্রী ছিলেন। এই সমস্ত মজুরদের জন্য আপনারা কিছুই করেন নি। আমার বক্তব্যে আপনি বাধা দেবেন না।

মহোদয়, এজন্য আপনার মারফৎ আমি সরকারের কাছে এই ব্যাপারে এই বিল পাশ করার আগে একটা সিদ্ধান্ত ঘোষণা করার জন্য দাবী করছি।

( ভয়েস্—চেষ্টা করবো )

না না, চেষ্টা করলে চলবেনা। আজই সিদ্ধান্ত ঘোষণা করতে হবে—প্রতিশ্রুতি দিতে হবে। তাছাড়া, বহুদিন যাবৎ আটক করা সুযোগ-সুবিধাগুলি রাজ্য সরকারের কর্মচারীদেরে দিতে হবে। তাদের বেতন বৃদ্ধি করতে হবে। কারণ, ২ গুণ—৩ গুণ মূল্যবৃদ্ধির উপর শতকরা ১৫—২০ ভাগ বেতন বৃদ্ধিতে কোনও সমস্যার সমাধান হয়না। সুতরাং আমি আশা করবো যে আজ সরকার এই ব্যাপারে একটা প্রতিশ্রুতি এই সদনে দেবেন। এই বলে আমি আমার বক্তব্য শেষ করছি।

( At this stage Mr. Speaker left the House and Mr. Deputy Speaker Occupied the Chair )

Mr. Deputy Speaker—Mr. Goswami Please.

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—মাননীয় উপাধ্যক্ষ মহোদয়, বিনিয়োজন বিলৰ সম্পৰ্কত মই মাত্ৰ দুআষাৰ মান কথা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিম। মই মাত্ৰ শিক্ষা আৰু জলসিঞ্চন বিভাগৰ ওপৰত দুআষাৰ কব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগ সুস্থ ভাবে যদি নচলে তেনে-হলে গোটেই দেশতে বিপৰ্য্যয় হয়। কিন্তু শিক্ষা বিভাগত কি ধৰণে কাৰ্য্য চলিছে এই কথা আমাৰ বিধান সভাত বিভিন্ন প্ৰশ্নৰ উত্তৰত দেখিবলৈ পাইছো। কাৰিকৰি শিক্ষাৰ ওপৰত চৰকাৰে যি সময়ত গুৰুত্ব দিয়া কথা কৈছে সেই সময়ত যোৰহাট ইঞ্জিনিয়াৰিং কলেজত লেক্‌চাৰাৰৰ অভাবত ছাত্ৰ সকলে শিক্ষাৰ পৰা বঞ্চিত হৈ থাকিব লগা হৈছিল। এই ক্ষেত্ৰত ছাত্ৰ সকলে বাৰে বাৰে আপত্তি জনোৱা সত্বেও চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই।

* Speech not corrected

আনকি মই জনাত বৰ্ত্তমান অৱস্থালৈকে আমাৰ যিটো এলিমেন্টৰী এডুকেচন বিভাগ আছে তাৰ কৰ্ম্মচাৰী সকলে কৰ্ম্মবিৰতি পালন কৰি আছে। আজি যদি এই বিৰতি নাযায় তেনেহলে লাখ লাখ স্কুল কলেজৰ পইচা পোৱাত অসুবিধা হব। সামান্য কথাৰ কাৰণে অৰ্থাৎ তাত যিজন ৰেজিষ্ট্ৰাৰ দিছে সেই ৰেজিষ্ট্ৰাৰ জনক পেৰেণ্ট ডিপাৰমেণ্টলৈ পঠিয়াবৰ কাৰণে এই কৰ্ম-বিৰতি কৰা হৈছে। গতিকে এই বিষয়ে যদি অনতি পলমে তাৰ কোনো ব্যৱস্থা নলয় তেনেহলে গোটেই শিক্ষা বিভাগতে খেলিমেলিৰ সৃষ্টি হব।

ইৰিগেচন বিভাগত যথেষ্ট গুৰুত্ব দিয়া হৈছে। জনতা চৰকাৰৰ দিনতে যেতিয়া শ্ৰীওচমানি মহোদয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী আছিল, ১৯৭০ চনত ৫ কোটি টকাৰ এই আঁচনি লোৱা হৈছিল। কিন্তু পানীতো পোৱা নায়েই তাৰ উপৰি ১৯৭০ চনতে অধিগ্ৰহণ কৰা মাটিৰ মূল্য আজিলৈকে খেতিয়ক সকলক দিয়া নাই। এই বিধান সভাতেই ইৰিগেচন বিভাগৰ মূখ্য অভি-যন্তা, হাচমতপাচাৰ বিবিধ তথ্যাপাতি দাঙি ধৰা হৈছিল। এই জন মানুহে এজন পিয়ন মৰি যোৱাৰ পাচতো সেই পিয়ন জনৰ টকা তেওঁ খাই আছিল। মূখ্য সচিবে তেওঁৰ বিৰুদ্ধে ক্ৰিমিনেল প্ৰচিডিং ড্ৰ কৰিব দিয়াৰ পাচতো এই মন্ত্ৰী সভাই ৰক্ষণা-বেক্ষণ দি আছে আৰু তেওঁকেই ডাঙৰ পৰামৰ্শদাতা কৰি আছে। ইয়াতকৈ ডাঙৰ জঘন্য কাম কি হব পাৰে? যিজন মানুহে এজন মৃত লোকৰ নামত তিনি বছৰ দৰমহা খাই থাকিব পাৰে, তাৰ ওপৰি ক্ৰিমিনেল প্ৰচিডিং ড্ৰ কৰিবলৈ দিয়াৰ পাচতো সেইজন মানুহকে পৰামৰ্শদাতা কৰি ৰখাৰ কি উদ্দেশ্য এই চৰকাৰৰ থাকিব পাৰে? এই ইৰিগেচন বিভাগৰে আন এটা আঁচনিত কলিকতাত ৩৬ লাখ টকা দি থোৱা আছে। এই টকা খিনি ঘুৰাইও অনা নাই আৰু একো কামো হোৱা নাই। এনেকৈ যদি একত্ৰিকৃত কোটি কোটি টকা লৈ এই চৰকাৰে গৰীবৰ ঘাম মাটিত পেলাই আৰ্জ্জা, বুকুৰ তেজ পানী কৰি আৰ্জ্জা টকা অপব্যয় কৰে এই চৰকাৰক কেনেকৈ ক্ষমা কৰিব পাৰি? কেতিয়াও ক্ষমা কৰিব নোৱাৰি। কৃষিৰ ক্ষেত্ৰত, নগাওঁ জিলাৰ পশ্চিম অঞ্চলৰ যিবিলাক খেতি আছিল সেইবিলাক শেষ হৈ গ'ল। কফি, আলু গুটিৰ খেতিৰ ক্ষেত্ৰত, আলুগুটি বিলাক মানুহক বেচি দি ভগাই দিলে। প্ৰডাকচন আৰু নহ'ল।

চাৰ, আমাৰ লেবাৰ মন্ত্ৰী শ্ৰীনাগবংশী দেখিবলৈ বৰ ধুনীয়া। ধুনীয়া ডেকা দেখিয়েই অন্যাই মোহিত হয় নে নহয় মই কব নোৱাৰো কিন্তু নাগবংশীৰ হাঁহিটো দেখিলেই মই হলে মোহিত হৈ যাওঁ। চাৰ, বয়সটো মোৰ অলপ কম হোৱা হলে মই কিজানি তেওঁৰ প্ৰেমতেই পৰিলোহেতেন। ( সদনত হাঁহিৰ ৰোল উঠে )

( ভইচ : এইটো বেয়া কথা। )

এইটো প্ৰেম প্লেটোনিক। গতিকে বেয়া হব নোৱাৰে।

চাৰ, কুঠৰিৰ জগদম্বা টি ইষ্টেটৰ কলাৱতী হাজং নামৰ এজনী ছোৱালীৰ এটা দুৰ্ঘটনা ঘটিল। তাৰে ৰেছিডেন্ট ডাইৰেক্টৰৰ লগত এটা সন্তান হ'ল। সেই মানুহ জনক তাৰ পৰা আতৰাব লাগে বুলি ধৰ্মঘট কৰিছে। তাৰ জেনাৰেল চেক্ৰেটাৰী কিসান লাল তাতীক লৈ মই নিজেই লেবাৰ মন্ত্ৰীৰ ওচৰলৈ গৈছিলোঁ। মন্ত্ৰী মহোদয়ে সকলো ঠিক ঠাক কৰি দিব বুলিও কলে। কিন্তু একো নকৰিলে। পিচত তেওঁলোকে আই, এন, টি, চি, বাদ দি চি, আই, টি, ইউ,ত সোমাল। তাৰ পিচত তেওঁলোকৰ ৪৫ জনক জেলত ভৰাই থলে। তেওঁলোকৰ ইমানেই লেবাৰপ্ৰীতি যে এতিয়াওঁ তেওঁলোকৰ এজনক কেবিনেট আৰু দুজনক ৰাজ্যিক মন্ত্ৰী দিলেই তেওঁলোকে চৰকাৰৰ লগত বিদ্ৰোহ নকৰাকৈ থাকিব।

চাৰ, এতিয়া মই সমবায় জুট মিলৰ কথা কওঁ। এই এটাই মাত্ৰ জুট মিল। সিয়ো একেবাৰে নষ্ট হৈছিলেই, এতিয়া অকনমান দাং খাইছে। ১৯৭৪ চনতেই তেওঁলোকৰ যি দৰমহা বান্ধিলে এতিয়ালৈকে সেই দৰমহাৰ আৰু পৰিবৰ্তন নহ'ল। পে-কমিটীৰ ৰিজাল্ট নোলোৱা পৰ্যান্ত ইণ্টাৰিম ৰিলিফ হিচাবে ৩০ টকাকৈ দিলেই তেওঁলোকে ধৰ্ম্মঘট বন্ধ কৰিব বুলি কৈছে।

শ্ৰীজগন্নাথ সিংহ—মই সদস্য গৰাকীক জনাব খোজো যে তেওঁলোকে ১০০ টকাহে বিচাৰিছে।

* শ্ৰীঅতুল গোস্বামী—মই কৈছো যে ৩০ টকা দিলেই তেওঁলোকে ধৰ্মঘট উইড্ৰো কৰিব। কিন্তু তাতো চৰকাৰ ৰাজি নহয়। এনেকৈয়ে যদি লেবাৰ সকলৰ অৱস্থাৰ প্ৰতি চৰকাৰে সুদৃষ্টি নিদিয়ে তেনেহলে উৎপাদন কেনেকৈ বাঢ়িব।

---

* Speech not corrected.

চাৰ, উদ্যোগৰ ক্ষেত্ৰত দেখিছো ইলেকট্ৰিক চাৰ্জ ১৫০ ভাগলৈ বৃদ্ধি পাইছে। আমাৰ ডেকা ল'ৰা বিলাকে ১০ মোনৰ হোলাৰ মিল যিবিলাক খুলিছে তাতো ১৫০ ভাগ ইলেকট্ৰিক চাৰ্জ বঢ়াইছে। এই সৰু সৰু ল'ৰা বিলাকে এইদৰে চেল্ফ এমালইড হবলৈ যি চেষ্টা কৰিছে তাকো এইদৰে নষ্ট কৰিছে। এই অৱস্থা বিলাকৰ প্ৰতি মই বিত্তমন্ত্ৰী শ্ৰীডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মই পুণৰবাৰ কৈছো যে এই কৰাপটেড মানুহবিলাকক ধৰি যদি শাস্তি নিদিয়ে তেতিয়াহলে আমি বুজিম যে এই চৰকাৰ তাতোকৈ আৰু বেছি কৰাপটেড। মই স্পষ্টকৈ সুধিব খুজিছো এই হাচমত্ পাচাৰ ক্ষেত্ৰত চৰকাৰে কি কৰিব-খুজিছে স্পষ্টভাবে চৰকাৰে জনাব লাগে। এই দাবী ৰাখি এই বিলৰ ওপৰত মোৰ বক্তব্য ৰাখিছো।

শ্ৰীউমেশ দাস—অধ্যক্ষ মহোদয়; মই চমুকৈ কেইটামান কব খুজিছো। কাৰণ আমাৰ বহুতো সদস্যৰেই কবলগীয়া আছে। গতিকে মই দীঘলিয়া নকৰো। আজি এপ্ৰোপ্ৰিয়েচন বিল উথাপন হৈছে। ইয়াৰ আগতে ভোট অন একাউন্টচ খেলি মেলিৰ মাজেদি পাৰ হৈ গ'ল। অতি দুখৰ বিষয় যে এখন চৰকাৰ গঠন হোৱাৰ পিচতো এই বাজেট চেচন দীঘলীয়াকৈ পাতিব নোৱাৰিলে। এই বাজেট চেচনতে আমি বিশেষকৈ প্ৰতিনিধি সকলে প্ৰত্যেক অঞ্চলৰ অভাৱ-অভিযোগৰ কথাবিলাক দাঙি ধৰিবলৈ সুবিধা পাওঁ। কিন্তু চৰকাৰৰ দুৰ্বলতাৰ কাৰণেই এই বাজেট চেচন অতি কম দিনৰ ভিতৰত খৰখেদাকৈ পাতিব লগা হ'ল। এই চেচনতেই নৱগঠিত চৰকাৰৰ কাৰ্য্য-কলাপ দেখা পালো। বিশেষকৈ প্ৰশ্নত্তোৰ শিতানত তেখেত সকলে যি ভুল তথ্য দাঙি ধৰিছে বা ভালকৈ তথ্য দিব পৰা নাই তাতেই আমি এই চৰকাৰৰ কাৰ্য্য-কলাপ বুজি পালো।

অধ্যক্ষ মহোদয়, প্ৰায় ২২০ কোটি টকাৰ যিখন বিল উথাপন কৰা হৈছে সেই গোটেইবোৰ টকাই দুখীয়া ৰাইজৰ কৰ-কাটলৰ পৰা জমা কৰা ধন। আজি ল'ৰা-ছোৱালীৰ কাৰণে বজাৰত এখন বিস্কুট কিনিব লাগিলেও কৰ দিব লাগে। আৰু তাৰ বিনিময়তহে এই ধন সংগ্ৰহ হৈছে। এই টকা ৰাইজৰ কামৰ কাৰণে বিভিন্ন ধৰণে খৰছ কৰা হয়। গতিকে ভাল কামত খৰছ কৰিলে ভাল পাম।

অধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত মই কব খুজিছো যে এই শিতানত যিবিলাক টকা খৰছ কৰা হয় সেইবিলাক যাতে অপব্যৱহাৰ নহয় তাৰ বাবে চৰকাৰে নজৰ দিয়াটো বিচাৰো। এই বিষয়ে চৰকাৰৰ লগত যোগাযোগ কৰিলো যাতে দুৰ্নীতি বিলাক বন্ধ কৰাৰ চেষ্টা কৰে।

অধ্যক্ষ মহোদয়, যোৱা ৮-২-৭৮ তাৰিখে আহমেদ হুচেইন নামৰ ল'ৰা এজনক গুৱাহাটীত এ, ডি, আই, য়ে নিযুক্তি দিলে আৰু একেদিনাই Asstt. Inspector এ তেওঁৰ নিযুক্তি এপ্ৰোভ কৰিলে। ল'ৰাজনে বদলা এম, ই, স্কুলত জইন কৰিলে। কিন্তু ৬/৭ মাহলৈ তেওঁ দৰমহা নাপালে। ইতিমধ্যে ল'ৰাজনৰ নিযুক্তি ক্ষেত্ৰত ইন্সপেক্টৰ আৰু এ, ডি, আইৰ মাজত যি বুজা-পৰাৰ কথা আছে সেইখিনি আৰু সদনত জনাব নোখোজো। অতিষ্ঠ হৈ ল'ৰা জনে চাকৰি এৰি দিব লগা হ'ল। তাৰ পিচত অধ্যক্ষ মহোদয়, আপুনি আচৰিত হব যে ৭-৯-৮০ তাৰিখে এ, ডি, পি, আই, য়ে মহম্মদ আলি নামৰ অন্য এজন ল'ৰাক নিযুক্তি দিলে। নিযুক্তি দিলে ৭-৯-৮০ তাৰিখে কিন্তু তেওঁক এফেক্ট দিছে ১-১০-৭০ তাৰিখৰ পৰা। তাৰ বাবদ এৰিয়াৰ হ'ল ১৩ হাজাৰ ৩৭৮·৪০ টকা। এই গোটেইখিনি কথা জনাই আহমেদ হুচেইন নামৰ ল'ৰাজনে সেই সময়ত আবেদন কৰিছিল। যিজন ল'ৰাক নিযুক্তি দিয়া হৈছিল সেই সময়ত অৰ্থাৎ ১৯৭৭ চনত ল'ৰাজন কলেজত পঢ়ি আছিল। অথচ পোষ্টটোৰ কাৰণে পি, ইউ, অৰ্হতা বিচৰা হৈছিল কিন্তু সেই সময়ত ল'ৰাজন মেট্ৰিক পাছহে কৰিছিল।

এইদৰে ৰাইজৰ ধন অপচয় হৈ আছে। এই বিষয়ে অভিযোগ উত্থাপন কৰিলেও চৰকাৰৰ ফালৰ পৰা তদন্ত নকৰে। এইদৰে টকা আত্মসাত কৰিবলৈ একশ্ৰেণীৰ মানুহক সুবিধা কৰি দিছে। এইদৰে ২ হাজাৰ ৬০০ খন ভেন্সাৰ স্কুল লৈ সদনত বাকবিতণ্ডা হৈ গৈছে। সেই কথা আৰু মই নকওঁ। অতি দুখৰ বিষয় যে অসমত মাত্ৰ ৬ খন বি, টি, কলেজ আছে তাকো আজিলৈকে প্ৰভিন্সেলাইজ কৰিব নোৱাৰিলে। এতিয়া মই হোম ডিপাৰ্টমেণ্টৰ কথা দুটামান কব খুজিছো।

হোম ডিপাৰ্টমেণ্টলৈ' এণ্ড অৰ্ডাৰ চিটুৱেচন মেইনটেন্স কৰাৰ নামত ৰাজ্যখনত যি পুলিচ, চি, আৰ, পিৰ তাণ্ডৱ লীলা চলাইছে তাক সকলোৱে

জানে। শান্তিপূর্ণ সত্যাগ্ৰহীক গুলিয়াই কেনেকৈ হত্যা কৰিব লাগে তাৰ ওপৰতহে তেওঁলোকৰ নজৰ আছে। কিন্তু বাকী ক্ষেত্ৰত বিশেষকৈ ডকাইত আদিৰ ক্ষেত্ৰত একো কৰিব নোৱাৰে। যোৱা ২৫-৩-৮১ তাৰিখত মোৰ ওচৰৰ হেকৰা গাওঁৰ ওচৰত প্ৰায় ৫ মাইলৰ ভিতৰত ১১টা ডকাইটি হৈ গল। ২৫ তাৰিখে ফুট গধুলিতে ধৰ্মনাথ চক্ৰবৰ্তীৰ ঘৰত ডকাইটি কৰি ধন সম্পত্তি, বন্দুক আদি লৈ গল। তাৰ পিচত ফেব্ৰুৱাৰী মাহত ধাৰখোৱা মহাজন আৰু বাগদৱা গাওঁৰ লংকে মহাজনৰ ঘৰত ডকাইটি গৈ হল। জানুৱাৰী মাহত শ্ৰীজ্ঞান মহাজন আৰু ভাতৃৰী মহাজনৰ ঘৰতো ডকাইটি হৈ যায়। এনেকৈ ১৯৮০-৮১ চনৰ ২৫ মাৰ্চলৈকে ফুট গধুলিতে এই অঞ্চলত ১১টা ডকাইটি হৈ গল কিন্তু হোম ডিপাৰ্টমেণ্টে এজনকো এৰেষ্ট কৰিব পৰা নাই।

মই এটা কথা কব বিচাৰিছো যে আজি কিছুদিনৰ আগতে বকোৰ চিংৰা ৰেঞ্জত যিজন ৰেঞ্জাৰ আছে তেখেতে দুৰ্নীতিত মুঠেই প্ৰশ্ৰয় নিদিয়া লোক। তেখেত থকাৰ কাৰণেই তাত কিছুমান মানুহে সুবিধা আদায় কৰিব নোৱাৰাৰ কাৰণেই তেখেতৰ ওপৰত অসন্তুষ্ট হয়। আৰু তেখেতক আইন শৃংখলাৰ নামত তেখেতৰ গাড়ীখন চিজ কৰিব বিচাৰে। তেখেতে গাড়ীখন নিদি গুৱাহাটীৰ ফালে গুছি অহাত তেখেতৰ পিচে পিচে ছয়গাৰলৈ খেদি আহি পুলিচে গাড়ীখন জব্দ কৰে আৰু মানুহজনক পুলিচে নি ২২ ঘণ্টা জেল হাজোতত ৰাখে। তাৰ কাৰণেই চিংৰা ৰেঞ্জ অফিচৰ বাকী বিষয়া সকলে বিক্ষোভ কৰে আৰু এই অন্যায়ৰ বিচাৰ নহলে তেওঁলোকে সংৰক্ষিত বনাঞ্চলত পেট্ৰোলিং নকৰে বুলি বিভাগীয় কৰ্তৃপক্ষক জনাইছে। যদি তেওঁলোকে পেট্ৰোলিং নকৰে তেন্তে ২-৩ দিনৰ ভিতৰতে গোটেই গছ কাটি শেষ কৰি দিব। এই গোটেই কথাখিনি মই গৃহমন্ত্ৰীকো কৈছো, আপোনাৰ লগতো আলোচনা কৰিছো আৰু মুখ্য বনসংৰক্ষক বিষয়াৰ লগতো আলোচনা কৰিছো। কিন্তু এতিয়ালৈকে কোনো সমিধান পোৱা নাই।

গৃহমন্ত্ৰী ডাঙৰীয়াই এন, এচ, এ নামত বিশেষকৈ গণতান্ত্ৰিক ভাবে কৰা আন্দোলনকাৰী সকলক আইনৰ নামত বান্ধি ৰাখিব বিচাৰিছে। আন্দোলনকাৰী সকলৰ ওপৰত পুলিচ চি আৰ পিয়ে গুলি চালনা কৰিছে, তাৰ কাৰণে

এই টকা বিদ দিব খুজিছেনেকি ? মই এই সম্পৰ্কত বেছি কথা কব বিচৰা নাই ।

চিকিৎসা সম্পৰ্কত মই কও যে টুপামাৰী গাওঁ পঞ্চায়তত আজিলৈকে এটাও চাব চেন্টাৰ নহল । এখন গাওঁ পঞ্চায়তত এটা চাব চেন্টাৰ নোহোৱাটো দুখৰ কথা । সোনতলিত পাব্লিক হেল্থ চেন্টাৰ নিৰ্মাণ বন্ধ কৰা হল যদিও ঘোষণা কৰা নাই । আজিলৈকে ষ্টাফ দিয়া নাই । ঠিকাদাৰে বেইমানি কৰি টকা পইচা লৈ গল কিন্তু ঘৰ আজিলৈকে নহল ।

জলসিঞ্চনৰ সম্পৰ্কত শ্ৰীগোস্বামী ডাঙৰীয়াই কৈছে । এই সম্পৰ্কত মই চিংৰা জলসিঞ্চন আচনিৰ কথা কব বিচাৰিছো । চিংৰা জনজাতীয় অঞ্চল । চিংৰা জলসিঞ্চন আচনিৰ কাম কিছু কৰিলে ইয়াৰ কাৰণে ১৯৭৮-৭৯ চনতে ৭ লাখ টকা দিয়া হল কিন্তু কাম একো নহল । অতি দুখৰ কথা যে জলসিঞ্চনৰ নামত যি বিলাক মানুহৰ খেতিৰ মাটি অধিগ্ৰহন কৰিলে সেই মানুহবোৰক টকা পইচা এতিয়াও দিয়া নাই । এই মানুহবোৰে মাটি অধিগ্ৰহণৰ ক্ষতিপূৰণ নিদিয়াৰ বাবেই পুনৰ মাটি এৰি দিব বিচৰা নাই । তেওঁলোকে কৈছে যে আগৰ টকা দিয়ক তেতিয়াহে মাটি দিম । যদি এনেদৰেই আচনিৰ কাম পৰি থাকিবলগা হয় তেনেহলে চৰকাৰে উন্নয়ন মূলক কাম কেনেকৈ কৰিব ? এনেকুৱা বহুত কথা আছে । চৰকাৰে যিবোৰ আচনি লয় সেইবোৰ ৰাইজৰ সহায়ৰ কাৰণে লব লাগে ।

শ্ৰীপ্ৰেমধৰ বৰা—ইয়াত এটা গুৰুত্বপূৰ্ণ আলোচনা চলি আছে, কিন্তু মন্ত্ৰী সকল অনুপস্থিত । মন্ত্ৰীসকলে সাংবিধানিক ব্যৱস্থাত যিখিনি সন্মান প্ৰদৰ্শন কৰা উচিত সেইখিনি কৰা নাই ।

( Interruptions )

Mr. Deputy Speaker—Order. Order. I hope the hon'ble Ministers will remain present in the House to note the grievances expressed by the hon'ble members.

* ফনী মেধী--মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত যি খন অসম বিনিযোজন বিধেয়ক বিল উত্থাপন কৰা হৈছে সেই সম্পৰ্কে কোৱা মানে

* Speech not corrected.

বতাহ গধূৰ কৰাৰ বাহিৰে আন একো নহয়। আমাৰ মাননীয় সদস্য সকলৰ বিভিন্ন ঠাইৰ বিভিন্ন সমষ্টিৰ বিভিন্ন অভাব অভিযোগ আছে। সেইবোৰ মন্ত্ৰী সকলে শুনি তাৰ ওপৰত যথোচিত ব্যৱস্থা লব লাগে। কিন্তু দেখা গৈছে সেইবোৰ ব্যৱস্থা লোৱাৰ দূৰৰ কথা শুনিবলৈকে মন্ত্ৰী সকল নাই। আমি ইয়াত কেৱল টিঙৰ ভৰোৱালহে ঘূৰাইছো। তেওঁলোকৰ গাত নেলাগে। আমি ভাবো আমি যিবোৰ কথা কও সেইবোৰ কথা মন্ত্ৰী সকলে নোট কৰি তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব। কিন্তু আমাৰ ভৰোৱাল শূন্যত ঘূৰাৰ বাহিৰে আন একো হোৱা নাই। মই বৰ দুখ পাইছো মাননীয় সদস্য শ্ৰীদেবানন্দ বৰা ডাঙৰীয়া তেখেতৰ ভাষণত কৈছিল যে উজনি অসমৰ মুছলমান বেছি দেশপ্ৰেমিক। তাৰ মানে তেখেতে এইটোকে বুজাইছে নেকি যে নামনি অসমৰ মুছলমান সকল কম দেশপ্ৰেমিক?

শ্ৰীগোলাপ বৰবৰা—শ্ৰীবৰা ডাঙৰীয়াই যদি তেনেকুৱা কথা কৈছিল তেন্তে তাৰ কাৰণে মই দুখ প্ৰকাশ কৰিছো।

* শ্ৰীফনী মেধী—মন্ত্ৰী সকলে যেতিয়া দৰমহা বৃদ্ধিৰ বিল আনিছিল তেতিয়া তেখেত সকলে আমাৰ গাৱৰ খেতিয়ক সকলৰ কথা এবাৰলৈ চিন্তা কৰিছিলনে? চাৰ ইৰিগেচন মন্ত্ৰীয়ে হাঁহি আছে। তেখেতে গাৱৰ মানুহৰ কথা শুনি হাঁহিচে। তেখেতো এসময়ত গাৱতে আছিল। আজি অসমৰ খেতিয়ক সকলে বস্তুৰ উপযুক্ত মূল্য পোৱা নাই। চাৰেতিনিলাখ শিক্ষিত নিবনুৱাই হাহাঁকাৰ কৰি আছে। হাজাৰ হাজাৰ কৃষক শ্ৰমিকৰ সংস্থান নাই। সেই সকলৰ মাটি নাই। মাটি দিব পৰা নাই, চৰকাৰে কয় আমি ১১৪ দিনত কি কৰিম? কিন্তু তেখেত সকলে এই কথা মনত ৰাখি এইটো নিশ্চয় চিন্তা কৰিব। আমাৰ যি আঞ্চলিক অসমতা আছে। সেই অসমতা দূৰ কৰিব লাগিব। অসমৰ ভিতৰত গোৱালপাৰা আৰু লক্ষীমপুৰ এই জিলা দুখনেই আটাইতকৈ পিচ পৰি আছে।

গোৱালপাৰাৰ প্ৰতিনিধি হিচাবে মই কব খুজিছো, উত্তৰ লক্ষীমপুৰৰ বন্ধু সকলো মোৰ লগত নিশ্চয় একমত হব যে এই দুয়োখন জিলা একেবাৰে অৱহেলিত।

---

* Speech not corrected.

উপাধ্যক্ষ মহোদয়, মই শুনি ভাল পাইছো যে চৰকাৰে আঞ্চলিক বৈষম্য দূৰ কৰাৰ কথা কৈছে। উপাধ্যক্ষ মহোদয়, আপুনিও গোৱালপাৰাৰে মানুহ। গতিকে আপুনি বুজি পাব যে গোৱালপাৰাৰ জলসিঞ্চনৰ ন্যুনতম ব্যৱস্থা কি।

(ধ্বনী—আপুনি আশা কৰেনে কি যে এই চৰকাৰৰ দ্বাৰা আঞ্চলিক বৈষম্য দূৰ কৰা হব ?)

চৰকাৰে যে এইবোৰ কাম নকৰে বা কৰিব নোৱাৰে সেইকথা ময়ো জানো আৰু আপোনালোকেও জানে। উপাধ্যক্ষ মহোদয়, আইন শৃংখলাৰ নামত আজি কি চলিছে ? আইন শৃংখলাৰ অৱনতি চলিছে। ৰাজ্যখনত আজি পুলিচ-মিলিটেৰীৰ বেয়নেটৰ দ্বাৰা মানুহৰ আবেগিক ভাব নষ্ট কৰা হৈছে। চৰকাৰে এনে ব্যৱস্থাৰে মানুহৰ আবেগিক সংহতি নষ্ট কৰি শান্তি প্ৰতিষ্ঠা কৰিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, অন্যায় ভাবে বিজনিত গুলি চালনা কৰি নীৰিহ ১২ জন মানুহক হত্যা কৰা হল। সেই সময়ত তাত যি জন বিষয়া দায়িত্বত আছিল সেইজনৰ বিৰুদ্ধে গোচৰ তৰিবলৈ আজিও অনুমতি পোৱা নাই। মই নিজে এই চৰকাৰক অনুৰোধ কৰো যে বিজনি-লেংটি চিঙাত যি গুলিবৰ্ষণ হল আৰু তাৰ বাবে যি সকলৰ মৃত্যু হল তাৰ উচিত বিচাৰ যেন কৰা হয়।

উপাধ্যক্ষ মহোদয়, লগতে মই আৰু এটা কথা কওঁ। অসমৰ লাখ লাখ খেতিয়কৰ বুঢ়া বয়সৰ পেঞ্চনৰ কথা মই কব খুজিছো। আজীৱন খেতি কৰি বুঢ়া বয়সত পঞ্চাশ বছৰ পাৰ হোৱাৰ পিছতে এই খেতিয়ক সকল পৰিয়ালৰ আবৰ্জনা হৈ পৰে। জনতা চৰকাৰৰ দিনতো মই এই কথাটো উল্লেখ কৰিছিলো আৰু জনতা চৰকাৰেও তেনে এটা ব্যৱস্থাৰ বাবে কেবিনেটত সিদ্ধান্ত লৈ আগবাঢ়িব খুজিছিল। এই কথাটো এৰিয়া মই এই চৰকাৰক মনত পেলাই দিছো। ইয়াৰ পিচত মই চৰ অঞ্চলৰ কথা কওঁ। ৫০-৬০ হেজাৰ মানুহৰ জন বসতি থকা এই এৰিয়াটোত এখন পি, এইচ, চি নাই, এখন ডিচপেন্সৰি নাই, এটা পি, ডব্লিউ ডিৰ ৰাস্তা নাই। জনতা চৰকাৰৰ দিনত বিশেষকৈ লক্ষীমপুৰ সমষ্টিৰ মন্ত্ৰীক মই অনুৰোধ কৰি ইয়াৰ এটা

বিহিত ব্যৱস্থা লবলৈ কৈছিলো। মন্ত্ৰী মহোদয়, শুই আছে নেকি মই ইয়াৰ পৰা দেখা নাই, সেইখেতক মই অনুৰোধ জনাইছো এই অঞ্চলটোৰ বাবে নূন্যতম প্ৰয়োজনীয়তা খিনি যাতে পূৰণ কৰে। চৰ অঞ্চলৰ যাতায়াতৰ উন্নয়ন সাধন কৰাৰ কাৰণে তাত এটা পি, ডবলিউ ডিৰ ডিভিজন কৰা উচিত।

ইয়াৰ পিচত মই জেলৰ কথা কওঁ। মোৰ দীৰ্ঘ দিনীয়া জেলৰ অভিজ্ঞতা আছে। যোৱা বছৰ মই প্ৰায় ৩৪ বাৰ মিচা আইনৰ অধীনত জেলত থাকিব লগীয়া হৈছিল। জেল সংস্কাৰৰ ব্যৱস্থা এটা জনতা চৰকাৰে লৈছিল কিন্তু কিমান দূৰ আগবাঢ়িছিল মই নাজানো। এন, এচ এক্ট প্ৰয়োগ নকৰাৰ প্ৰতিশ্ৰুতি চৰকাৰে দিব নোৱাৰিলে। সেই কাৰণে মই ভাবিছো আমি আকৌ যাব লাগিব। যোৱাৰ আগতে ভাৰতৰ ভিতৰতে নিকৃষ্টতম অসমৰ জেলবোৰৰ উন্নতি সাধন কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো। কাৰাগাৰৰ হেদত যি টকা ধৰিছে তাৰে যেন সদব্যৱহাৰ কৰি জেলবোৰৰ উন্নতি সাধন কৰা হয়। কোকৰাঝাৰৰ জেলখন এখন নৰ্কফুন্দ। তাত যিবোৰ কোঠাত পাঁচজন মানুহ থাকিব নোৱাৰে তাত এশ জন মানুহ ঠেলি-হেচি ৰখা হয়। সেই কাৰণে পুণৰ মই চৰকাৰক অনুৰোধ কৰো যাতে অনতি পলমে জেলৰ সংস্কাৰ সাধন কৰা হয়।

উপাধ্যক্ষ মহোদয়, দেশত দ্ৰুতগতিত হোৱা মূল্য বৃদ্ধিলৈ চৰকাৰে লক্ষ্য ৰখা উচিত। খেতিয়কৰ উৎপাদিত মূল্যখিনিৰ যাতে উচিত মূল্য দিয়া হয় তাৰ এটা ব্যৱস্থা চৰকাৰে কৰা উচিত। আজি মই চৰকাৰক সকিয়াই দিব খুজিছো যে ভাৰতবৰ্ষৰ চাৰিওপিনে খেতিয়ক সকল আজি অশান্ত হৈ উঠিছে। অৱশ্যে খেতিয়ক সকলৰ বৰ্ত্তমানৰ বিক্ষোভক লৈ যদি কোনোবা ৰাজনৈতিক দলে ৰাজনীতি কৰিব বিচাৰিছে সেই কথা মই নাজানো। খেতিয়ক সকলৰ নাৰ্য্য দাবী ৰক্ষাৰ কাৰণে চৰকাৰে সময় থাকোতেই চেষ্টা কৰা উচিত বুলি মই এতিয়াই সাবধান বাণী শুনালো। নহলে অসমৰ লাখ লাখ খেতিয়কে লংৰ্মাচ কৰি দিশপুৰ পাবহি। গতিকে খেতিয়ক সকলৰ ভূমিহীনৰ সমস্যা, বানপানীৰ সমস্যা জলসিঞ্চনৰ সমস্যা এই সকলোবিলাক সমস্যা সোনকালে দূৰ কৰাৰ ব্যৱস্থা হাতত লোৱা উচিত বুলি মই ভাবো।

উপাধ্যক্ষ মহোদয়, গড়া-খহনীয়া সম্পৰ্কে মই দুষাৰ মান কব বিচাৰিছো যি সকল মানুহ গড়া খহনীয়াত বিধস্ত হল সেই সকলক চৰকাৰৰ ফালৰ

পৰা কোনো ৰকমৰ সাহার্য্য দিয়া হোৱা নাই। অকল ব্ৰহ্মপুত্ৰই নহয়, অসমত আৰু দুখন ভয়াবহ নদী আছে সেই দুখন হৈছে পাগলা নদী আৰু আই নদী। আজি ৭।৮ বছৰ ধৰি এই নদী বান বিধ্বস্ত হোৱা ডেৰশ টা পৰিয়াল মাথাউৰি পাৰত থাকিব লগা হৈছে। চৰকাৰে তেওঁলোকক একঠা বা আধা কঠা মাটিও দিব পৰা নাই। গতিকে মই আশা কৰো আমাৰ এই নতুন চৰকাৰে সেই বান বিধস্ত খেতিয়ক সকলৰ তৎকালীন এটা ব্যৱস্থা কৰি দিব। অৱশ্যে কিছুদিনৰ আগতে আমাৰ বান বিভাগৰ মন্ত্ৰী মুকুট শৰ্ম্মা ডাঙৰীয়া লেঙটিচিঙালৈ গৈছিল মই আগতে গম পোৱা হলে তেখেতক সেই অঞ্চল বিলাক দেখুৱালোহেঁতেন।

উপাধ্যক্ষ মহোদয়, মই যান-বাহন সম্পৰ্কত কেইটামান কথা কওঁ ইয়াত গুৱাহাটীতে দেখিছো চিটি বাচত উঠিব নোৱাৰি উলমি আহিব লাগে। গোৱালপাৰা কথাই নকওঁ মই নিজে উত্তৰ শালমাৰাত বাচত উঠি দিচপুৰ পাওঁহি। বাচ চাফিচিয়েন্ট নোহোৱাৰ কাৰণে ধুবুৰী পৰাও বেতিয়াবা ঠিয় হৈ আহিব লগা হয়। ইয়াৰোপৰি পাব্লিক বাচ বিলাকৰ ভিতৰত যিমান মানুহ বাহিৰতো সিমান মানুহ। গতিকে মই আশা কৰো আমাৰ চৰকাৰৰ মন্ত্ৰী বা অফিচাৰ সকলেও মাত্ৰ মাহটো কেইটামান দিন পাব্লিক বাচত উঠে তেতিয়া হলে তেওঁলোকেও এই অভিজ্ঞতা অৰ্জণ কৰিব পাৰিব। গতিকে মই ভাবো চৰকাৰী ভাবেই হওঁক বা বে-চৰকাৰী ভাবেই হওঁক যান-বাহনৰ অৱস্থা উন্নত কৰিব লাগে। এই চৰকাৰ কিমান দিন থাকে বা নেথাকে সেইটো আমি নেজানো। যি কেইটা দিন থাকে সেইকেইটা দিনত যাতে আইন সংগত ভাবে কাম কৰি যায় তাৰ কাৰণে অনুৰোধ কৰি মোৰ বক্তব্য শেষ কৰিলো।

* শ্ৰীআলাউদ্দিন চৰকাৰ—মাননীয় উপাধ্যক্ষ মহোদয়, মই অসমৰ পশ্চিম সীমান্তত থকা গোলোকগঞ্জ সমষ্টিৰ পৰা আহিছো। আজি যি আলোচনা হৈছে সেই আলোচনাৰ ওপৰত মাত্ৰ কেইটামান বিষয়ৰ ওপৰত মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। প্ৰথম কথা হল আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ো কেইদিনমানৰ আগতে কেন্দ্ৰীয় মন্ত্ৰীৰ লগত ছত্ৰশাললৈ

* Speech not corrected

গৈ থূৰি আহিছে। এই সমষ্টি হৈছে আন্তঃৰাজ্যিক সমষ্টি আৰু আন্তঃ ৰাজ্য সমষ্টি। মাননীয় ফনী মেধি ডাঙৰীয়াই অলপ আগতে শুনাই দিছে যে অসমৰ সকলো জিলাৰ ভিতৰত গোৱালপাৰা জিলাই পিচপৰা। আটাইবোৰ মহকুমাৰ ভিতৰত ধুবুৰী মহকুমা পিচপৰা আৰু ধুবুৰী মহকুমাৰ আটাইতকৈ পিচপৰা অঞ্চল গোলোকগঞ্জ এই কথা সকলোৱে স্বীকাৰ কৰিব। এই সমষ্টি আগৰ বিধায়ক জন বিধৰা এম, এল, এ বুলিয়েই জানে আৰু ১৯৬৩ চনৰ কেবিনেট ডিচিচনৰ মতে এই অঞ্চলটো বিধৰা অধ্যুষিত অঞ্চল বুলিয়েই সকলোৱে জানে। মই ১৯৭৭ চনত ইয়ালৈ আহিছো কিন্তু এতিয়া দেখা গৈছে চৰকাৰে আজিলৈকে এই অঞ্চলৰ উন্নতিৰ কাৰণে একো নকৰিলে। এই অঞ্চল আজিও অনাদৃত, অবহেলিত, অসহায় হিচাবে আছে। গতিকে এই অঞ্চলৰ উন্নতিৰ কাৰণে চৰকাৰে আমাক প্ৰতিশ্ৰুতি দিব লাগে। তাৰোপৰি সেই অঞ্চলটো বৰ্ডাৰ অঞ্চল আজি সেই বৰ্ডাৰ ৰক্ষা কৰিবৰ কাৰণে কোনো ভাল ব্যৱস্থা লোৱা দেখা নাই। অকল নগালেণ্ড আৰু অসম, অৰুণাচল আৰু অসম লৈয়ে সীমা নহয়। এই অঞ্চলৰ বৰ্ডাৰ ৰক্ষাৰ কাৰণে যথোপযুক্ত ব্যৱস্থা গ্ৰহন কৰিব লাগে আৰু এই অঞ্চলত যাতায়তৰ সকলো ব্যৱস্থা উন্নত কৰিব বুলি ৰাজ্যপালৰ ভাষণত কোৱা হৈছে। নহলে যোগাযোগ ব্যৱস্থা যদি সম্প্ৰসাৰণ কৰা নহয় তেতিয়াহলে এই অঞ্চলত নানা ৰকমৰ অসুবিধাই দেখা দিব। ইয়াৰোপৰি পথ অতি দুৰ্গম আৰু বহুতো ঠাই অখ্যাত অৱস্থাত আছে। ভোগ-দণ্ডা অঞ্চলটো বটললেক অৱস্থাত আছে। দুয়োফালে বাংলা দেশ। মাজতে ১৪ বিঘা মাটি। ১৯৬৫ চনত সামৰিক বাহিনীয়ে সেই ৰাস্তাটো ব্যৱহাৰ কৰিছিল। গতিকে গড়-কাপ্তানী বিভাগক মই অনুৰোধ কৰো যাতে এই ৰাস্তাটো ৰক্ষনা-বেক্ষনা দিয়ে। তাৰোপৰি এই ৰাস্তাত থকা দলঙো ভাঙি গল আৰু এই বিচ্ছিন্নতাৰ কাৰণে অসমৰ লগত যোগাযোগতকৈ বাংলা দেশৰ লগত যোগাযোগ বেচি হব। আমাৰ ওমৰুদ্দিন চাহাব বান নিয়ন্ত্ৰণৰ মন্ত্ৰী হৈ থাকোতে ডিমাগুৰিৰ পৰা ভোগডুণ্ডা ৰাস্তলৈ যোৱা অঞ্চলৰ কথা বাৰে বাৰে উনুকিয়াইছিলো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ওমৰুদ্দিন চাহাব ডাঙৰীয়াই বান নিয়ন্ত্ৰণ বিভাগৰ এই কথাটো সোঁৱৰাই দি আছিছে। সেই একমাত্ৰ ৰোডটো বানপানীৰ পৰা ৰক্ষা কৰক। কাৰণ এইটো অতি গুৰুত্বপূৰ্ণ ৰাস্তাটো

ৰক্ষা কৰক। গড়া খহনীয়াৰ পৰা ৰক্ষা কৰক। কিন্তু বৰ্ত্তমান চৰকাৰে ইয়াৰ ব্যৱস্থা কি ললে ? যোৱা বছৰ এখন বাচ সেই ৰাস্তাইদি আনিবই নোৱাৰিলে। পিছত বাহ-বনৰ মাজেদি আপৰিমেদি ঘূৰাই আনিব লগীয়া হ'ল। যাৰ বাবে ৩ লাখ, ৭০ হেজাৰ টকা খৰছ কৰিব লগীয়া হ'ল। কিন্তু অনভিজ্ঞ গাওঁৰ এজন মানুহৰ মতে সেই খৰছৰ পৰিমাণ ১লাখতকৈও কম। যিটো ৰাস্তা কেইটামান বাঁহৰ জেং, গছৰ ঠাল আদিৰে বনোৱা হৈছে, তাত ইমান টকা খৰছ হ'ব কেনেকৈ ? মানুহে কৈছে, মাত্র কেইটামান শিলগুটি আৰু কেইটামান গছৰ ঠালেৰে বন্ধা হৈছে, তেন্তে কেনেকৈ ইমান খৰছ হ'ব পাৰে ? অধ্যক্ষ মহোদয়, গোৱালপাৰা অঞ্চলটোত বিভাগীয় মন্ত্ৰী মহোদয়ে নিজেই উপস্থিত হৈ জানি আহিব লাগে। মই কৈছোঁ ক' অৰ্ডিনেচন কমিটি গঠন কৰি ফনদ কন্ট্ৰল বিভাগক ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথটো প্ৰবল গড়া খহনীয়াৰ পৰা ৰক্ষা কৰিব লাগে। কাৰণ এই অঞ্চলটোৰ মাটি বৰ সাৰুৱা। এই অঞ্চলটোৱে অসমক বহুতো ৰেভিনিও যোগান ধৰে কাৰণ এই অঞ্চলটো গংগাধৰ নদীৰ দাতিতে। আগৰ চৰকাৰৰ দিনত মাননীয় সদস্য জেহিৰুল ইচলাম ডাঙৰীয়া যেতিয়া এই বিভাগৰ মন্ত্ৰী হৈ আছিল, তেতিয়া তেখেতে প্ৰতিশ্ৰুতি দি আহিছিল সেই অঞ্চলটোৰ ৰক্ষনা-বেক্ষনৰ কাৰণে। কিন্তু বৰ পৰিতাপৰ কথা, সামাজিক, অৰ্থনৈতিক পণ্ডিত পেলাই বৰ্ত্তমান চৰকাৰে সেইটো বাতিল কৰি দিলে কোনোবা পৰামৰ্শ দাতা কমিটিৰ পৰামৰ্শ মতে। ভাৰোপৰি ৰাষ্ট্ৰীয় ঘাই পথটোৰ কাৰণে আঢ়ৈ কোটি টকা খৰছ কৰা হ'ব বুলি কোৱা হৈছিল। কিন্তু ৫৩ লাখ টকাহে চৰকাৰে দিলে। গংগাধৰ নদীৰ দলংখন কৰাৰ নামত যিখন দলং কৰিলে তাত ৫ কোটি টকা খৰছ কৰিলে। আমাৰ আগৰ চৰকাৰৰ দিনত মাননীয় সদস্য দুলাল বৰুৱা ডাঙৰীয়াই সেই দলঙখনৰ নাম বীৰ চিলাৰায় নাম দিলে। মই কৈছিলো এই অঞ্চলৰ কৃষ্টি সংস্কৃতি লৈ লক্ষ ৰাখি এই দলঙৰ নাম "গংগাধৰেই" ভাল হ'ব। কিন্তু বাতা ৰাত্তিৰ ভিতৰতে এই দলঙখনৰ উদ্বোধন কৰি ইয়াৰ নাম "বীৰ চিলাৰায়" ৰাখিলে। মই কৈছিলো অসমৰ বহুতো মানুহে এই নদীখনৰ নামেই নেজানে। গতিকে এই নদীৰ দুয়োপাৰৰ সংস্কৃতি ৰক্ষা কৰি বীৰ চিলাৰায়ৰ তলতে "গংগাধৰ" নামটোও লিখি দিব লাগে। কিন্তু সেইটো কৰা নহ'ল। অধ্যক্ষ মহোদয়, মই জলসিঞ্চনৰ বিষয়ে কব খুজিছো।

অধ্যক্ষ মহোদয় ঃ মই আপোনাক ৯ মিনিট সময় দিছিলো । এতিয়া ১০ মিনিট হৈ গ'ল আৰু বহুতো আৱশ্যকীয় বিষয় আছে । বিশেষকৈ মাননীয় মন্ত্রী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ এটা বিষয় আছিল । তেখেতে অসুখীয়া শৰীৰে বেছি সময় থাকিব নোৱাৰিব । গতিকে আপোনাক আৰু ১ মিনিট সময়হে দিয়া হব ।

শ্ৰীদীৰেন চৌধুৰী—মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছোঁ। আমাৰ এইটো এটা গণতান্ত্রিক কনভেনচন হোৱা উচিত । সদস্য সকলে যেতিয়া কিবা এটা বিষয়ে আলোচনা কৰিলে সকলো মন্ত্রী উপস্থিত থাকিব লাগে । কাৰণ আমাৰ এই বিভিন্ন সদস্যই জনসাধাৰণৰ দুখ-সুখৰ কথা এই পবিত্র সদনত প্রকাশ কৰাৰ অধিকাৰ আছে আৰু মন্ত্রী সকলে ইয়াত উপস্থিত থাকি কথা শুনাৰ প্রয়োজন আছে । কিন্তু আমাৰ মন্ত্রী সকলৰ সেইখিনি গুণৰ অভাৱ পৰিলক্ষিত হৈছে ।

* আলাউদ্দিন চৰকাৰ—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই অঞ্চলটোৰ কাৰণে জলসিঞ্চনৰ কোনো আঁচনি চৰকাৰে হাতত লোৱা নাই । আজি যিবিলাক আঁচনি বিভাগীয় কর্তৃপক্ষৰ হাতত আছে, সেইবিলাকো আঞ্চলিক বৈষম্যতাৰ কবলত পৰি আছে । আজি প্রকৃত কৃষক সকলে মাটি পোৱা নাই । এই অঞ্চল বিলাক জমিদাৰ প্রধান অঞ্চল হৈ আছে । এতিয়াও ইয়াত সামন্ত প্রথা চলি আছে । যি সকলে কেৱল খেতি কৰিয়েই খাই বৈ থাকে, সেওঁলোকৰ হাতৰ পৰা মাটি কাঢ়ি অনা হৈছে । প্রজা স্বত্ব আইনৰ ফলৱতী আজিলৈকে হোৱা নাই । সাধাৰণ খেতিয়কৰ ক্ষেত্রত ভূমি সংস্কাৰ আইনে কোনো পৰিবর্ত্তন আনিব পৰা নাই । মণ্ডল-কানুগুৱে মাটিৰ যোটদাৰ সকলক ৰক্ষনা-বেক্ষনহে দি আহিছে । এচ, ডি, চিয়ে মাটিৰ চেটলমেণ্টৰ ক্ষেত্রত ধনী মহাজন সকলকহে সহায় কৰি আহিছে । মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯৭৭ চনৰ কথা নেপাহৰিব । এই চেটলমেণ্টৰ আৰম্ভণী তেতিয়াৰ পৰাই হৈছিল । কিন্তু আজিলৈকে ভূমি সংস্কাৰৰ নামত একোকে নকৰিলে । গতিকে, জিলা ভিত্তিত, বা মহকুমা ভিত্তিত ভূমি সংস্কাৰ কমিটি কৰক, আৰু এই কমিটিৰ দ্বাৰাই ভূমি সংস্কাৰ নীতিৰ আমূল পৰিবর্ত্তন কৰক । যাতে

* Speech not corrected.

খীয়া ৰাইজে চৰকাৰৰ পৰা উচিত ব্যৱস্থা লাভ কৰিব পাৰে তাৰ কাৰণে চষ্টা কৰক। মোৰ কবলৈ বহুত বাকী থাকিল। কিন্তু সময়ৰ অভাৱ, াত্তিকে এইখিনিকে কৈ ৰাইজৰ প্ৰতি সুবিচাৰ কৰিবৰ কাৰণে মই অধ্যক্ষৰ কৰিয়তে বৰ্ত্তমান চৰকাৰক অনুৰোধ জনালো।

Shri Jogendra Nath Hazarika—Mr. Speaker, Sir, 12 days ack the House started functioning and after 3/4 days we lebated on the no-confidence motion. At that time, I bserved that this Government did not represent the majority trength of the House and therefore has no right to exist. Thereafter certain proceedings have taken place in this House. I thought that the Government would be able to ecoup its strength and would make up the deficiency and how the strength of the majority membership of the House n their favour. I find that the position is the same. therefore want to know from the Treasury Bench how ong they should carry this Government with the strength which is inadequate under the Constitution of the country. Having said so, I do not believe that all the lemands that the House is making could be fulfilled by his Government. Now, I want to give them 3 tasks, three suggestions I want to make if they want to exist and I would request them to do the followings - (1) that this Government should stop all the appointments made under Regulation 3 (f); they should activise all the appointment authorities which are constituted under the law. (2) They should create conditions and bring about an atmosphere of cordiality amongst various communities and those who are engaged in the agitations, by taking certain measures; During the agitations the government officers who were suspended should be reinstated, if there are any. Also I want to ask them to release all the detenues whom they have arrested under various pleas - may be under NSA or

* Speech not corrected.

anything and there by create conditions of goodwill amongst the various sections of the communities. Whoever may be students, political leader government servants including the D.I.G.P Shri H. K. Bhattacherjee should be released forthwith, if they are really genuine for the solution of the problem. (3) Request the Prime Minister to come to Gauhati and have a talk started here with the students as well Gana Sangram Parishad and also the legislators, if anybody wants to discuss, and there by make a sincere attempt for the solution of foreign nationals issue. If these things are done, I will thank the Government. These are the words I wanted to say.

Mr. Speaker—Sri Shamsul Huda ?

Shri Shamsul Huda—Sir, Shri Buddha Barua will speak on our behalf.

* শ্ৰীবুদ্ধ বৰুৱা—মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিনিযোজন বিধেয়কখনৰ ওপৰত মই কেইটামান কথা কব বিচাৰিছো । আজি আমি যিখন বিধান সভাত বহিছো এইখন ৬ষ্ঠ বিধান সভা । ইয়াৰ আগতে যিবোৰ বিধান সভা হৈ গৈছে সেই বিলাকতো তেওঁলোকে গতানুগতিক ভাবেই কাম চলাই গল । আমি যদি এই ৬ষ্ঠ বিধান সভাৰ কাৰ্য্য পৰ্য্যালোচনা কৰিবলৈ যাওঁ তেতিয়াহলে দেখিবলৈ পাওঁ যে প্ৰথমতে এই বিধান সভাত জনতা চৰকাৰ আছিল, তাৰ পিচত অসম জনতা চৰকাৰ আৰু এতিয়া আহিছে কংগ্ৰেছ আই চৰকাৰ । অতি পৰিতাপৰ কথা যে আমি এই বিধান সভাত জনসাধাৰণৰ কি কাম কৰিছো ? মই এটা কথাৰেই ইয়াৰ প্ৰমাণ দিম । জনসাধাৰণৰ বা এটা জাতিৰ ৰক্ষাৰ কাৰণে বা ৰাইজক উন্নত বুলি পৰিগণিত হবলৈ প্ৰথম বস্তুৰ প্ৰয়োজন হৈছে শিক্ষা । কিন্তু এই শিক্ষাৰ ক্ষেত্ৰত আমি কিমান দূৰ অগ্ৰগতি লাভ কৰিব পাৰিছো ? আমি এই বিধান সভাতেই আমাৰ প্ৰাথমিক স্কুলবোৰ লবৰ কাৰণে সিদ্ধান্ত কৰিছিলো । আজি ৪ বছৰ পূৰ হওঁ হওঁ অৱস্থা হল, এই চাৰি বছৰত আমি এখনো প্ৰাথমিক স্কুল

* Speech not corrected..

লব নোৱাৰিলো। ইয়াতকৈ দুৰ্ভাগ্যৰ কথা কি হব পাৰে? শিক্ষাৰ ক্ষেত্ৰত নূন্যতম শিক্ষাৰ ব্যৱস্থাটোৱেই হৈছে প্ৰাথমিক শিক্ষা। কিন্তু তিনিটা চৰকাৰৰ দিনটো এখনো প্ৰাথমিক স্কুল লোৱা নহল। ইয়াৰ বাহিৰেও যিবিলাক চাহ বাগিচাৰ স্কুল আছে সেই স্কুলবোৰৰ অৱস্থাও উন্নত কৰিব পৰা নাই। গতিকে এই চৰকাৰ গতানুগতিক ভাবেই চলি আছে। আমাৰ জনসাধাৰণৰ নূন্যতম দাবী পূৰণ কৰাৰ কাৰণে যিখিনি কৰণীয় আছে সেইখিনি আমি পাহৰি গৈছো।

আমি আজি পানী যোগান ধৰি খেতিয়কৰ আৰ্থিক অৱস্থা উন্নত কৰিব পৰা নাই। পানী যোগান ধৰি কৃষিৰ উন্নতি কৰি কৃষকক স্বাৱলম্বি কৰাৰ দায়িত্ব আমাৰ আছে। যিবিলাক নলা আদি পৰিকল্পিত ভাবে নিৰ্মাণ কৰি পানী যোগান কৰিব লাগে সেই হিচাবে আমি কৃষকক পানী যোগান ধৰিব পৰা নাই। আমাৰ পথাৰবোৰ অসমান। কোনো ঠাই বাম, কোনো ঠাই দ। বাম অঞ্চললৈ পানী যোগান ধৰিব লগা হলে দ অঞ্চলত এবুকু পানী হয় আৰু তাত ৰোৱা ধান আদি শস্য নষ্ট হৈ যায়। এই ধৰণেই আমি যিখিনি পানীৰ যোগান ধৰিছো সেইখিনিৰ পৰাও আমি জনসাধাৰণৰ চাহিদা পূৰণ কৰিব পৰা নাই।

কৃসকসকলক ৰক্ষা কৰিবৰ কাৰণে ব্যৱস্থা লব লাগে। যিহেতু অসম এখন কৃষি প্ৰধান দেশ। দেশ বুলিলে সাধাৰণে কৃষক সকলোকে ই বুজায়। সেই সকলৰ কাৰণে যদি ঠিকমতে পৰিকল্পনা নকৰে তেনেহলে দেশ কেতিয়াও অগ্ৰগতিৰ ফালে আগবাঢ়িব নোৱাৰে। তাৰ নমুনা হিচাবে এটা কথা কওঁ যে শিৱসাগৰ মহকুমাৰ অন্তৰ্গত বিশেষকৈ কোঁৱৰপুৰ, থাওৰা, নিতাই পানী-দিহিং আৰু মাহমৰা মৌজাৰ একাংশ ঠাইৰ মানুহে যোৱা তিনিবছৰ ধৰি ধানত কাচি মাৰিবই নোৱাৰিলে। আজি ৩৪ বছৰে এই চৰকাৰ গঠন হোৱাৰ পিছতো শিৱসাগৰ মহকুমাৰ এটা বৃহত অংশ জকাইচোক, কোঁৱৰপুৰ, পানীদিহিং, নিতাই আৰু মাহমৰা সমষ্টিৰ আধা অংশ দিবৈ নৈৰ বানপানীৰ কাৰণে যোৱা তিনি বছৰ ধান নহল। সেই মানুহ বিলাকৰ অৱস্থা কি হৈছে চৰকাৰে এবাৰো অনুসন্ধান নকৰিলে আৰু ইয়াৰ বিকল্প একো ব্যৱস্থাই চৰকাৰে দাঙি ধৰিব নোৱাৰিলে। এই কথা যদি বিশ্লেষণ

কৰিবলৈ যাওঁ তেনেহলে আমি দেখিম যে অগ্ৰগতিৰ ক্ষেত্ৰত, প্ৰগতিৰ ক্ষেত্ৰত এই চৰকাৰ একেবাৰে অক্ষম হৈছে। আন এটা কথা হল অসমৰ বিদেশী নাগৰিকৰ জ্বলন্ত সমস্যা। এই চৰকাৰে শাসনলৈ অহাৰ পিচত এই সমস্যা সমাধানৰ ক্ষেত্ৰত অলপো গুৰুত্ব দিয়া নাই। এইক্ষেত্ৰত আনকি মনোনিবেশো কৰা নাই। আমি ভাবিছিলো যে অন্ততঃ এই আন্দোলনৰ পিচত কংগ্ৰেছ একেবাৰে নিচিন্ন হৈ যাব। এই আন্দোলনটো এনেধৰণে আগবাঢ়ি আহিছিল যে কংগ্ৰেছ চৰকাৰ আৰু কেতিয়াও শাসনৰ গাদীত বহিব নোৱাৰিব বুলি ভাবিছিলো। কিন্তু আচৰিত কথা যে যিটো শক্তিক পৰাভূত কৰিবৰে চেষ্টা কৰিছিলো সেইদলটোৰেই ৮জন সদস্যৰ পৰা গৈ আওপকীয়াকৈ শাসনৰ গাদীত বহিল। এইটো বৰ আচৰিত কথা। আজি মাৰ খালো আমি। আৰ, চি, পি, আই, ৰ মনোৰঞ্জন হাজৰাৰ আৰু নগাওঁ পুষ্পেন্দ্ৰ নাথৰ ঘৰ জ্বলাই দিয়া হল। আমাৰ অফিচ আদিও জ্বলাই দিলে। এইবোৰ কৰাৰ পিচতো (ই) কংগ্ৰেছ শাসনৰ গাদীলৈ অহাতো অতি তাৎপৰ্য্য কথা। এই সমস্যা সমাধানৰ কাৰণে চৰকাৰে হেমাহি কৰি থকাৰ কাৰণ হৈছে তেওঁলোকে ভৱিষ্যতৰ ৰাস্তা পৰিস্কাৰ কৰি ৰখা। এবছৰকাল ৰাষ্ট্ৰপতিৰ শাসন চলাৰ পিচত এই চৰকাৰ গাদীলৈ অহাৰ পিচত আমি ভাবিছিলো যে জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত চৰকাৰ গঠন হব। কিন্তু সেইটো নহল আৰু চৰকাৰে এই সমস্যা সমাধান নকৰি লেধেমধেমাই ৰাখিছে। আমি ভাবো তেওঁলোকে যদি কেনেবাকৈ পৰাজয় বৰণ কৰিব লগা হয় তেনেহলে আকৌ ঘূৰি অহাৰ ৰাস্তা মুকলি কৰি ৰাখিবৰ কাৰণেই এই ব্যৱস্থা কৰিছে। এইখিনি কৈয়েই মই শেষ কৰিলো।

* শ্ৰীদেৱান জয়নাল আবেদিন—মাননীয় অধ্যক্ষ মহোদয়, মই বিনিয়োজন বিলৰ ওপৰত কবলৈ উঠি প্ৰথমে কব খুজিছো যে আমাৰ এই চৰকাৰৰ আগত আজি প্ৰধান কৰ্তব্য কি? অধ্যক্ষ মহোদয়, আজি ডেৰ বছৰ কাল ধৰি বিদেশী নাগৰিকৰ বহিষ্কাৰ আন্দোলনে আমাৰ দেশ আন্দোলিত কৰিছে। এই আন্দোলন সাময়িক ভাবে আপতঃ দৃষ্টিত সীমা কাটিলেও চৰকাৰে এই আন্দোলনৰ ক্ষেত্ৰত কোনো ধৰণৰ সন্তোষৰ মনোভাৱ লব

* Speech not corrected.

নালাগে। কাৰণ আমি জানো মৰুভূমিত যেতিয়া ধুমুহা আহে তেতিয়া উটবিলাকে বালিত মূৰটো সুমুৱাই ভাবে যে ধুমুহা নাই। অধ্যক্ষ মহোদয় মই কব বিচাৰিছো চৰকাৰে গাদীত বহি যি সুবিধা আজি পাইছে সেই সুযোগৰ সত্ ব্যৱহাৰ কৰা দৰকাৰ। আমি অন্তৰেৰে সৈতে আশা কৰো যে এই চৰকাৰে অবিলম্বে আন্দোলনৰ নেতা সকলৰ লগত আলোচনাত বহি এই সমস্যা গুৰিতে সমাধান কৰি ৰাজ্যখনত এটা সুস্থিৰ আৰু স্বাভাবিক অৱস্থা ঘূৰাই আনক। এই আন্দোলনৰ ফলত আজি এবছৰ ধৰি ৰাজ্যখনত যি আবেগিক ঐক্যৰ ফাট মেলিছে, বিভিন্ন, ধৰ্ম, ভাষা গোষ্ঠীৰ নামত সেইবোৰ আতৰ কৰিবলৈ চেষ্টা কৰক। অধ্যক্ষ মহোদয়, মই অতি দুখেৰে সৈতে কবলৈ বাধ্য হৈছো যে আমি আমাৰ এই সদনতো এটা কথা দেখিছো যে বাহিৰৰ সেই আবেগি ঐক্যৰ যি ফাট, সেই ফাট আৰু ভেদাভেদৰ ভাব এই সদনৰ ভিতৰতো আছে।

অধ্যক্ষ মহোদয়, মই সকলো সদস্যকেই অনুৰোধ কৰো যাতে এই সমস্যাটো গুৰিতে সমাধান কৰি দেশত যি সাম্প্ৰদায়িক আৰু চেকটোৰিয়ান ভাব গঢ়ি উঠিছে সেইটো বন্ধ কৰে। এই চৰকাৰে যি ধৰণে ফাংচনিং কৰিছে আমি সকলোৱে দেখিছো। বহুতো সদস্যই এই কথা কৈছে যে এই চৰকাৰৰ ফাংচন সন্তোষজনক হোৱা নাই। বৰং তেওঁলোকৰ ফাংচনে চেকটোৰিয়ান আৰু সাম্প্ৰদায়িকতাৰ মনোভাবহে গঢ়ি তুলিছে। গতিকে এইবিলাক চৰকাৰে নজৰ দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আমি যদি চেক্টেৰিয়ান্ইজম বা কমিউনেলিজিমৰ উৰ্দ্ধত উঠিব খোজো তেতিয়াহলে, তাক ফাইট কৰিবৰ কাৰণে আমি নিজেই তাৰ উৰ্দ্ধত থাকিব লাগিব। আজি এই কমিউনেলিজমৰ ভাৱধাৰাটো অকল সাধাৰণ ৰাইজৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই ই আমাৰ প্ৰশাসনৰ মাজতো সোমাই পৰিছে। যি সকল প্ৰশাসনৰ দায়িত্বত আছে সেই সকলে নিজকে যদি এই বিলাক ভাৱধাৰাৰ পৰা আতৰত ৰাখিব নোৱাৰে তেতিয়াহলে, ৰাজ্যখনলৈ এটা সুস্থিৰ অৱস্থা ঘূৰাই অনাটো টান হৈ পৰিব। সেই কাৰণেই মই আমাৰ মাননীয় মন্ত্ৰী মহোদয় সকলক অনুৰোধ কৰিছো যেন তেখেত সকলে এই সংকীৰ্ণ মনোভাৱৰ পৰা নিজকে মুক্ত কৰি ৰাখে। এই প্ৰসঙ্গতে ই আমাৰ পাৰ্টিৰ ফালৰ পৰা বিদেশী নাগৰিকৰ সংক্ৰান্তত আগবঢ়োৱা

চাৰিদফীয়া আচনিৰ কথাটো উল্লেখ কৰিব খুজিছো। সেইমতে আছিল, আমাৰ আন্তৰ্জাতিক সীমাবোৰ ভালকৈ মাৰিব লাগে আৰু আমাৰ গাওঁ সভাবোৰক ইয়াৰ দায়িত্ব দিব লাগে। ভলেকশ্বন কমিশ্বনে মাজে সময়ে জৰীপ কৰি জনসংখ্যাৰ সালসলনিৰ নথিপত্ৰ পৰীক্ষা নিৰীক্ষা আদি কৰিব আৰু চোৰাংচোৰা বিভাগো আৱশ্যকীয় ব্যৱস্থা লব। লগতে আমাৰ যাতে ৰাজ্যিক ভাষাৰ কোনো মৰ্য্যাদা হানি নহয় তাৰ কাৰণে লোকসভাত আইন পাছ কৰি হলেও ব্যৱস্থা হাতত লব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আজি- অসমত যিটো বিক্ষোভে গা কৰি উঠিছে সেইটো যোৱা ৩৩ বছৰৰ কংগ্ৰেছী শাসনৰ ফলত অসমত অৰ্থনৈতিক অনগ্ৰসৰতা আৰু শিল্পোন্নয়ণৰ ক্ষেত্ৰত পিছপৰি থকাৰ পৰাই উদ্ভৱ হৈছে বুলি কব লাগিব। সাধাৰণ জনসাধাৰণে জীৱনযাত্ৰাৰ ক্ষেত্ৰত হাবাথুৰি খাবলগীয়া হোৱাৰ কাৰণেই মানুহৰ মনবিলাক আন্দোলনমুখী হৈছে। এটা পুঁজিবাদী চৰকাৰে নিবনুৱা সমস্যা কেতিয়াও সমাধান কৰিব নোৱাৰে। তথাপিও যদি কিছু পৰিমাণে নিষ্ঠাবান হয় তেতিয়াহলে অলপ হলেও এই সমস্যা সমাধানৰ ক্ষেত্ৰত অলপ আগবাঢ়িব পাৰে। সেই কাৰণেই মঞ আমাৰ এই চৰকাৰক অনুৰোধ কৰিব খুজিছো যে, শিল্পোন্নয়ণৰ ক্ষেত্ৰত এখন 'পেকেজ ডিল' গঢ়ি তুলি হলেও প্ৰতিশ্ৰুতি বদ্ধ হব লাগিব। নতুন নতুন শিল্প আদি গঢ়ি তুলিব লাগে। চৰকাৰে নতুন শিল্প আদি গঢ়ি তোলা দূৰৰ কথা যি দুই চাৰিটা শিল্প আছে সেই কেইটা যেনে অশোক পেপাৰ মিল, কাছাৰৰ চোগাৰ মিল আদিৰ অৱস্থা, কি সেইটো সকলো মাননীয় সদস্যৰে জনা আছে। এভাৰেষ্ট চাইকেল ফেক্টৰী, গ্লাছফেক্টৰী আদিৰ অৱস্থাও তদ্ৰূপ। অসমৰ গ্লাছ ফেক্টৰীৰ সংক্ৰান্তক আজি দুবছৰৰ আগতে এটা কমিটিও তদন্ত আদি কৰিবৰ কাৰণে পাতি দিয়া হৈছিল। হাজাৰ হাজাৰ টকা এই বিষয়ত খৰচ কৰা হৈছিল। আজি দেৰ বছৰৰ আগতে এই কমিটিয়ে প্ৰতিবেদনো দাখিল কৰিলে। মইও এই কমিটিৰ এটা সদস্য আছিলো। কিন্তু কামত একো নহল। আজি দুবছৰে ৫০০ কৰ্ম্মচাৰী চাভাই হৈ আছে। গ্লাছ ফেক্টৰীটো ৰিভাইভ কৰা নহল। এই ধৰণেৰেই আমাৰ এই চৰকাৰটো চলি আছে। এইটোৱেই যদি অৱস্থা হয় তেতিয়াহলে, আমাৰ চৰকাৰে কেনেকৈ নিবনুৱা সমস্যা সমাধান কৰিব আৰু শিল্পোন্নয়ণৰ

ক্ষেত্রত কেনেকৈ আগবাঢ়িব তাত আমাৰ সন্দেহ আছে। এই চাৰিদফীয়া সূত্ৰত আমাৰ আৰু এটা কথা আছিল। সাতটা পাৰ্টি মিলি এটা সমাধান সূত্ৰ উদ্ভাৱন কৰিছিল। এই সমাধান সূত্ৰমতে ১৯৭১ চনৰ ২৫ মাৰ্চক বেছ ইয়েৰ হিচাবে ঘোষণা কৰি আৰু ১৯৫০ চনৰ পৰা ১৯৭১ চনলৈকে এই সময় চোৱাৰ ভিতৰত যিসকল বিদেশী মানুহ আমাৰ ইয়ালৈ আহিছিল সেই সকলৰ সম্পৰ্কত সংবিধানৰ নাগৰিকত্ব আইন, আন্তৰ্জাতিক চুক্তি আৰু আমাৰ জাতীয় দায়বদ্ধতাৰ লগত মানবিয় দৃষ্টিভঙ্গী লৈ এই সমস্যাটো সমাধান কৰিব লাগে। মই আমাৰ চৰকাৰক অনুৰোধ কৰিছো যে যেতিয়া তেখেত সকলে এই সমস্যাটো সমাধান কৰিবলৈ যাব তেতিয়া তেখেত সকলে যেন আমাৰ এই সমাধান সূত্ৰটোৰ কথাও মনত ৰাখে। এইখিনিতে মই এটা কথা কবলৈ বাধ্য হৈছো যে, আজি আমি যি বুজন পৰিমাণৰ টকা খৰছ কৰিবলৈ এই সদনৰ অনুমতি বিছাৰিছো সেই টকাখিনিৰ কিমান অংশ আমাৰ ৰাইজে পাব সেইটোৰ ওপৰত আমাৰ সন্দেহৰ অবকাশ আছে। কিয়নো আমাৰ প্ৰসাশনীয় দুৰ্নীতিয়ে চৰম সীমা পাইছে গৈ। প্ৰসাশনৰ প্ৰত্যেক স্তৰতে দুৰ্নীতিয়ে এনেভাৱে শিপাইছে যে, কোনো কামেই থিকমতেই হোৱা নাই। দুৰ্নীতিৰ অভিযোগ দিলেও কোনো সুবিচাৰ আশা কৰিব নোৱাৰি। আজি যি সকল শাসনৰ গাদীত বহিছে সেইসকল নিজেই যদি নিকা হব নোৱাৰে তেতিয়াহলে, এই প্ৰসশনীয় দুৰ্নীতি দমন কৰাটো টান হৈ পৰিব। মিছাতে আমাৰ ৰাজহুৱা ধনৰ অপচয় হব। এইখিনিতে মই এই উদাহৰণ দিব খুজিছো যে, প্ৰায় দুইহাজাৰটা পৰিয়াল বানপানীৰ গড়াখহনীয়াত পৰিল। কেন্দ্ৰীয় কমিটি নিৰ্দেশ মতে তেওঁলোকক ৫০/৭৫ টকাকৈ একোটা অনুদান দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিজেই জানে যে একোটা পৰিয়ালৰ কাৰণে ইমান কম টকাৰে একোটা ঘৰ কেনেকৈ সাজিব পাৰি। এই দুৰ্নীতি দমন কৰিবলগীয়া হলে আমাৰ মাননীয় মন্ত্ৰীসকল ভীষণ কঠোৰ হব লাগিব আৰু নিজেও কিছুমান সুবিধা আদি এৰিব লাগিব। আমাৰ এজন মাননীয় মন্ত্ৰী মহোদয়, মোৰ জিলাৰে লোক। তেখেতে বহুত টকা পইছা দিছিল। তেখেত আমচুৰ বাপেক। আমাৰ সদনত আমচু আৰু আচু দুয়োৰে বাপেক আছে। মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াইও কৈ গৈছে যে, জলসিঞ্চন বিভাগৰ কাৰণে

নিয়া বদ আদিও চুৰি হৈ যায়। বহুত বিলাক আচনি লোৱা হৈছে। কিন্তু সেই বিলাকৰ কামেই আৰম্ভ হোৱা নাই। ভৱিষ্যতেও যাতে কাম আৰম্ভ হব তাতো কোনো সম্ভাৱনা নাই। দুৰ্নীতি একেবাৰেই শীৰ্ষস্থানৰ পৰা তললৈকে শিপাই পেলাইছে। এই বিলাকক যদি দমন কৰা নহয় তেতিয়া হলে, কোনো আচনিৰ কামেই বাস্তৱায়িত হব নোৱাৰিব। ৰাইজেও পানী নেপাব। লিফট ইৰিগেশ্বনৰ নামত বহুত বিলাক অমূল্য মাটি নষ্ট কৰাহে হব। একো একোটা আচনিত লাখ লাখ টকা অপচয় ঘটিছে। কাম একো হোৱা নাই। কিয় হোৱা নাই সেইটো আপোনালোকে বুজিব।

অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কৈ শেষ কৰিম। আমাৰ এজন মন্ত্ৰী মহোদয়ৰ বিৰুদ্ধে এটা অভিযোগ আহিছে। তেখেতৰ এজন ককায়েক আছে। তেওঁ স্কুলৰ শিক্ষক। ১৪খন কলেজৰ কমিটি সভাপতি আৰু সদস্য। তেখেতে চৰকাৰী কমিটি নমিনি হোৱাত আমাৰ আপত্তি নাই। কিন্তু সেইজন শিক্ষকে শিক্ষা কাৰ্য্য কেনেকৈ সম্পাদান কৰিব তাত আমাৰ সন্দেহ আছে। কাৰণ তেওঁ ১৪খন কমিটি মিটিং এটেন্দ কৰিব লাগে। গতিকে ৰাইজৰ কাম কৰিবলৈ যাওঁতে যাতে ফাকি দিয়া নহয় তাৰ কাৰণে যত্ন কৰিব লাগে। এইকথা আজি এই কাৰণেই কৈছো যে মন্ত্ৰী ডাঙৰীয়াই মন্ত্ৰীৰ সভাৰ এইবোৰ বিষয়ৰ লগত সম্পৰ্ক থাকিলে সচেতন হোৱাৰ দৰকাৰ।

অধ্যক্ষ মহোদয়, মই সদৌ শেষত এটা কথা কৈ ব্যক্তব্য সামৰিম। স্বাস্থ্য বিভাগৰ সম্পৰ্কত মই এটা কথা কব বিচাৰো যে আমাৰ চৰকাৰে সিদ্ধান্ত লৈছে যে প্ৰতি ১০ হেজাৰ মানুহৰ কাৰণে একোটাকৈ চাব্-চেণ্টাৰ দিব। মোৰ সমষ্টিৰ যি কেইটা চাব্ চেণ্টাৰ আছে, তাত ডাক্তৰ নাই, নাৰ্চ নাই, ঔষধ নাই। দ্বিতীয়তে মই উল্লেখ কৰিব খুজো যে ফকিৰাগঞ্জ এখন সৰু সুৰা টাউন। তাত ৫০ হেজাৰ মানুহৰ কাৰণে এটা চাব্ চেণ্ট্ৰাৰ বা মেডিকেলৰ সুবিধা নাই। আগৰ প্ৰতিজন মন্ত্ৰীয়েই প্ৰতিশ্ৰুতি দিছিল কিন্তু কাম নহল। আমাৰ ৰাজ্যত ডাক্তৰখানাত ডাক্তৰ নাই, দৰৱ নেপায়, অথচ আজি ডাক্তৰ সকলে চাকৰি বিচাৰি হাবাথুৰি খাইছে। আজি বহুতো ডাক্তৰ নিবনুৱা হৈ আছে। আজি এডভাইটাইজমেণ্টত দেখিছো ২০০ ডাক্তৰ লাগে। শুনিবলৈ পাইছো ১০০ ডাক্তৰকহে নিয়োগ কৰিব। ১০০ ডাক্তৰ নকৰে।

Mr. Speaker—If I allow you in this way how can we finish the business? No, I cannot allow you to proceed like

this. This should not be the practice of a Hon'ble Member because I have decided the time. So I cannot allow you, please sit down.

শ্ৰীজয়নাল আবেদিন—অধ্যক্ষ মহোদয়, শিক্ষা বিষয়ত মই কেইটামান কথা কৈ শেষ কৰিম। আজিলৈকে এখনো এল, পি স্কুল এই চৰকাৰে লব পৰা নাই, অতিৰিক্ত প'ষ্ট দিব পৰা নাই। হিন্দী প'ষ্ট দিব পৰা নাই আৰু এখন স্কুলকো গাণ্টৰ টকা বিলিজ কৰি দিব পৰা নাই। এল, পি স্কুলৰ সম্পৰ্কে কোৱা হৈছে যে ১৯৭৮ চনৰ ৩১ মাৰ্চৰ ভিত্তৰত যিবিলাক স্কুল লোৱা হব তাৰ ভিত্তৰত হিচাব পত্ৰ কৰি ২৬.শ শিক্ষকৰ পষ্ট মঞ্জুৰি কৰা হব। এতিয়া দেখা গল যে কিছুমান জেনুয়িন স্কুলও বাদ পৰি গ'ল। গতিকে শিক্ষা মন্ত্ৰী মহোদয়ে কৈছে যে সকলো খিনি স্কুল লব পৰা নহব। গতিকে মই কব খুজো যে এই ক্ষেত্ৰত খেলি মেলি দূৰ কৰিবৰ কাৰণে প্ৰথমতে যিখন লিষ্ট তৈয়াৰ কৰা হৈছিল সেই লিষ্ট মতেই দিব লাগে। খেলি-মেলি দূৰ কৰা এইটোৱেই এক মাত্ৰ সূত্ৰ।

Mr. Speaker—I see that in most of the cuses tome are leaving the point, This is not good.

শ্ৰীজয়নাল আবেদিন—মহোদয়, আজি আমি কি কাৰণে এই ফালে আছো বা কি কাৰণে ভুটিংৰ পৰা বিৰত আছো সেইটো আগতেই ব্যাখ্যা কৰা হৈছে। গতিকে মই আশা কৰো যাতে এই চৰকাৰে সকলোখিনি কথা চিন্তা কৰি কাম কৰে আৰু এটা গণতান্ত্ৰিক চৰকাৰ চলাই যাব পাৰে।

* শ্ৰীনগেন শৰ্ম্মা—উপাধ্যক্ষ মহোদয়, এই বিলখনৰ ওপৰত মই মোৰ বক্তব্য ৰাখিবলৈ যাওঁতে কব খুজিছো যে আজি অসমৰ বাবে, অসম বিধান সভাৰ বাবে এটা ক'লা দিন। ক'লা দিন বুলি এই বুলিয়েই কৈছো যে আজি এই বিধেয়ক খনৰ জৰিয়তে এই সদনে এন, এচ, এ খন প্ৰযোজ্য কৰিব। আজি এই চৰকাৰক আমি পইচা দিব লগা হ'ল দেশত লগাবৰ কাৰণে। যিটো কথা আমি যোৱা কালি অগ্ৰাহ্য কৰিছিলো সেই কথাতেই আজি

* Speech not corrected.

পইচা দিবলগীয়া হ'ল । গতিকেই আজি দিনটো অসম বিধান সভাৰ কাৰণে এটা ক'লা দিন । এই কলা দিনটো আমাৰ মৌলিক অধিকাৰ খৰ্ব্বৰ কৰিবলৈ ওলাইছে আৰু ভবিষ্যতে কৰিব । আমাৰ মাননীয় সদস্য সকলে বিভিন্ন বিষয়ত, বিভিন্ন দপ্তৰৰ বহুতো খেলি-মেলি কথা উল্লেখ কৰিছে । ইয়াৰ জৰিয়তে মাননীয় সদস্য সকলক কব খুজো যে যি চৰকাৰে এন, এচ, এ খন প্ৰথম পদক্ষেপ হিচাবে গ্ৰহন কৰিছে সেই চৰকাৰৰ চৰিত্ৰ হ'ল সমগ্ৰ শাসন যন্ত্ৰটো তেওঁলোকৰ ৰাজনৈতিক স্বাৰ্থ বাবে চলোৱা । আৰু কেইটামান নজিৰ আপোনাৰ সন্মুখত জনালো । এই চৰকাৰ অহালৈকে ৭ শৰো অধিক লোকক বদলি কৰা হ'ল । এই ৭ শ লোকক বদলি কৰাৰ কাৰণ হল তেওঁলোকৰ নিজৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবে । যাৰ ওপৰত সামান্যতম সন্দেহ হৈছিল সেই সকলক বদলি কৰি যি সকলক সন্দেহৰ অতীত বুলি ভবা হৈছে তেওঁলোকক বদলি কৰি ওচৰলৈ অনা হ'ল । আমাৰ মাননীয় সদস্য সকলে কৈ গৈছে অসমৰ যিটো জলন্ত সমস্যা সেই সমস্যা বিষয়ে এই চৰকাৰে এতিয়াও মাত মতা নাই । আনহাতে তেওঁলোকে কৈছে যে এই বিষয়ে তেওঁলোকে কঠোৰ ব্যৱস্থা লব । আনহাতে ওৱাচ্ প'ষ্ট যিবিলাক প্ৰেট্ৰল প'ষ্ট তাত এচ, আই, এ, এচ, আই আৰু কনিষ্ঠবল আছে । ৰাষ্ট্ৰপতি শাসনৰ সময়ত কনিষ্ঠবল ৬ জনৰ ঠাইত ১২ জন কৰা প্ৰস্তাৱ দিয়া হৈছিল কিন্তু সেইটো আজিও সম্পূৰ্ণ ৰূপে অগ্ৰাহ্য কৰিলে আৰু এই সম্পৰ্কে কোনো কাম নকৰিলে ।

কিন্তু এই বিষয়ৰ যি প্ৰস্তাৱ তাক এই চৰকাৰে সম্পূৰ্ণ অগ্ৰাহ্য কৰিছে আৰু সেইবিলাকৰ কোনো কাম কৰা নাই । দ্বিতীয় কথা আজি মটৰ বোটৰ কথা কোৱা হৈছে । গোৱালপাৰাত ৮খন মটৰ বোট আছে আৰু এই মটৰ বোট বিলাক বিদেশী নাগৰিক ধৰিবৰ কাৰণেই অনা হৈছিল । তাৰে ৪খন মটৰ বোট বেয়া হৈ আছে আজিও সেই চাৰিখন ভাল কৰাৰ ব্যৱস্থা কৰা হোৱা নাই । আনহাতে গোটেই বিদেশী নাগৰিক বহিষ্কাৰৰ ১১৪৯৭জন কৰ্মীৰ ১১ হাজাৰ ৪০০জন কৰ্মীকে বেলেগ কামত লগোৱা হৈছে, তাৰ নজিৰ অধ্যক্ষ মহোদয় আমাৰ হাতত আছে আৰু এওঁলোকক ৰাজনৈতিক কাৰণতে লগোৱা হৈছে । এইটো এটা স্পইল চিষ্টেম কৰিছে । ইটো বিভাগৰ পৰা সিটো বিভাগলৈ বদলি কৰা হৈছে । আই, এ, এচ সকলক বিশেষ শ্ৰেণীৰ পোষ্ট বিলাকৰ পৰা আতৰাই দিয়া হৈছে । যাৰ ওপৰত সন্দেহ

আছে তেওঁক বদলি কৰা হৈছে। মোৰ হাতত লিষ্ট আছে গোটেইখিনি গাই দিব পাৰো কিন্তু সময় কম সেই কাৰণে সদনৰ বেছি সময় লব খোজা নাই। কিন্তু গৃহ বিভাগত যি ভয়ঙ্কৰ কাৰবাৰ চলি আছে ৰাজনৈতিক উদ্দেশ্যৰ বাবে তাৰ নজিৰ মই বিধান সভাত ৰাখিবই লাগিব। কেইটামান বদলিৰ কথা কৈছো—

Shri B.S. Baber, IPS. who was Addl. IGP with Headquarters at Jorhat to look after the afairs of the Assam-Nagaland Border, trasferred with headquarter at Gauhati. Shri S.K. Chakravarty, IPS, D.I.G$\frac{3}{4}$P. with Headquarter at Dergaon, to look after the Assam Police Battalions, Trainings of Assam Police etc transferred with his Headquarter at Gauhati - Shri Debabrata Choudhury, APS, 2 I/C 6, Assam Police Battalion, whose Headquarter is Kathal at Silchar but his Headquarter is made Gauhati away from his Battalion Headquarter, and he is used in works other than his Battalion. Shri Ershadullah APS, S.D.P.O., Bongaigaon, is utilised as the C.M.'s personal Security man at Dispur after withdrawing him from his real work at Bongaigaon. Shri Joshendra Datta, APS, Asstt. Commandant 5 Assam Police Battalion. Sontilla, Haflong, has been withdrawn from Sontilla, Haflong and utilised at Dispur as the C.M.'s personal Security man. Shri N. I. Hussain, APS, Asstt. Commandant 9 Assam Police Battalion, Abhayapuri is withdrawn from the Battalion and utilised as the C.M.'s personal Security man at Dispur. Shri Ashim Roy, APS, recently promoted from the post of Add. Superintendent of Police, Nowgong and posted as Commandant 10 Assam Police Battalion, Kahilipara. He is utilised at the Dispur as the C.M.'s liaison officer. I am giving 7 examples, but there are 700 examples in Assam.

এই গোটেই কথাবিলাকৰ উপৰত আমাৰ মাননীয় সদস্য শ্ৰীজয়নাল আবেদিনেও কৈছে এটা মানুহৰ ইম্প্ৰেচন হৈ গৈছে যে এইবিলাক ৰাজনৈতিক কাৰণত কৰা হৈছে। তাৰোপৰি আমি জানো স্পেচিয়েল আইজিপি কৰি

যেতিয়া সময দাসক অনা হৈছিল সেইটোৰ কিজানি কেবিনেটৰ সিদ্ধান্তই লোৱা নাছিল। আনকি গৃহ মন্ত্ৰীয়ে এই কথা জানেনে নাজানে আমাৰ সন্দেহ হৈছে। মাননীয় অধ্যক্ষ মহোদয় আমি আজি এই চৰকাৰক টকা দিব খুজিছো খৰছ কৰিবৰ কাৰণে কিন্তু এই চৰকাৰৰ কাৰ্য্যকলাপৰ যি বিসংগতি আপুনি দেখিছে আৰু সেই কাৰণে অসম বিধান সভাৰ এই দিনটোক আমি ক'লাদিন আখ্যা দিছো।

অধ্যক্ষ মহোদয়, মই বিশেষ পলম কৰিব খোজা নাই কেইটামান ৰিভাৰিন পুলিচ ষ্টেচন খোলা হৈছিল আৰু তাৰ উদ্দেশ্য আছিল বিদেশী নাগৰিক নদীৰে আহিলে ধৰা পেলাবৰ কাৰণে। ৪টা ৰিভাৰিন পুলিচ ষ্টেচন আছে— গোৱালপাৰা, নগৰবেৰা, বিশ্বনাথঘাট কিন্তু এওঁলোকৰ দ্বাৰা কোনো কাম হোৱা নাই। মুখত কৈছে বিদেশী নাগৰিক বন্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে কিন্তু আমি জনাত সামগ্ৰিকভাৱে গৃহ বিভাগে যি কাম কৰিব লাগিছিল তাৰ এধানিমানো ব্যৱস্থা এই চৰকাৰে কৰা নাই। সকলো কথাই ৰাজনৈতিক চিন্তাধাৰাত চলি আছে। সেই কাৰণে মই কৈছো আজি যি এপ্ৰোপ্ৰিয়েচন বিল পাচ কৰিব সেই সকলোখিনি ৰাইজৰ টকা অথলে যাব কাৰণ এইটো গোষ্ঠীৰ ৰাজনৈতিক কাৰণত এই টকা অপব্যয় হব।

শ্ৰীবীৰেন চৌধুৰী—মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভালৈ আমি ৰাইজৰ দ্বাৰাই নিৰ্ব্বাচিত হৈ আহিছো। অধ্যক্ষ ডাঙৰীয়া আমি যি সকল এইবাৰ নতুনকৈ আহিছিলো নিজকে ধন্য মানিছো এই কাৰণে যে ৩ বছৰত আমি ৩ গৰাকী মুখ্যমন্ত্ৰী দেখা পোৱাৰ সুযোগ পাইছো আৰু ৩ খন চৰকাৰ দেখিলো আৰু আমি এই জনতা চৰকাৰ, অসম জনতা চৰকাৰ আৰু আজিৰ মাননীয় টাইমুৰৰ ইন্দিৰা কংগ্ৰেছৰ চৰকাৰ, এই গোটেই কেইটা চৰকাৰতে দেখিছো মন্ত্ৰিত্বৰ পদবীৰ কাৰণে যুজ। অসমত জনতা চৰকাৰৰ সমাধি হৈছিল মন্ত্ৰীত্বৰ পদবীৰ কাৰণে যুজত আৰু ঠিক তেনেকৈ অসম জনতা চৰকাৰৰও পটন ঘটিল মন্ত্ৰীত্বৰ পদবীৰ কাৰণে যুজৰ মাজেৰে।

তাৰ পাচত দেখিছো ইন্দিৰা কংগ্ৰেছৰ, মাননীয় টাইমুৰৰ নেতৃত্বত নতুন চৰকাৰ আৰু আমি জনাত এই চৰকাৰৰো পতন মন্ত্ৰীত্বৰ পদবীৰ যুজৰ মাজেৰেই সমাধা হব। উপাধ্যক্ষ মহোদয়, এই মন্ত্ৰীত্বৰ পদবীৰ যুজৰ

মাজেৰে বিগত দিনবোৰ পাৰ হৈ গৈছে আৰু তাৰ মাজত অসমৰ জন-সাধাৰণৰ কি অৱস্থা হৈছে সেই কথাৰ খবৰ লবলৈ এই মন্ত্ৰীসকলৰ সময় নাই। মন্ত্ৰীত্বৰ পদবীৰ লোভত নিজৰ ভিতৰতেই হাহাকাৰ কৰি আছে। এই অৱস্থাৰ মাজত কৃষকৰ অৱস্থা কি হৈছে তালৈ লক্ষ্য কৰিলে চকুলো তুকিব লগীয়া হয়। আজি কৃষক সকলৰ অৱস্থাৰ উন্নতিৰ কাৰণে বহুতো প্ৰতিশ্ৰুতি জনসাধাৰণক, এই চৰকাৰবোৰে দিছে কিন্তু সেই সকলো বিলাক মাত্ৰ তেওঁলোকক প্ৰতাৰণা কৰাৰ কাৰণে কোৱা হৈছে কিন্তু বাস্তৱ ক্ষেত্ৰত একো কৰা হোৱা নাই। মাননীয় সদস্য কেইগৰাকী মানে কৃষকৰ অৱস্থা সম্পৰ্কে কৈছে, আমি ৰাজ্য পালৰ ভাষণতো পাইছো আৰু বাজেট বক্তৃতাতো পাইছো তাৰ পৰা দেখিছো, আজিৰ এই চৰকাৰে আগৰ চৰকাৰে যেনেকৈ কৃষকক প্ৰতাৰিত কৰাৰ কাৰণে কৃষি নীতি কৰে তেনেকৈ এওঁলোকেও প্ৰতাৰণা কৰিব ওলাইছে। আজি কোৱা হৈছে যে কৃষিৰ উন্নতিৰ কাৰণে আৰু কৃষকৰ মঙ্গলৰ কাৰণে কৃষকক সা-সজুলি দিয়া হব, সাৰ যোগান দিয়া হব, জলসিঞ্চনৰ ব্যৱস্থা কৰা হব ইত্যাদি ইত্যাদি। কিন্তু উপাধ্যক্ষ মহোদয়, আপুনি নিজেই কৃষকৰ মাজৰ পৰা আহিছে গতিকে কৃষকৰ অৱস্থা কি সেইটো আপুনি ভালদৰে অনুধাৱন কৰিব পাৰিব। কৃষকৰ অৱস্থা যদি সচাকৈয়ে ভাল কৰিব লাগে তেতিয়া হলে তাৰ বাবে প্ৰয়োজনীয় যি বিলাক ব্যৱস্থা লব লাগে সেই বিলাক ব্যৱস্থা জনতা দলে লোৱা নাছিল আৰু ইন্দিৰা কংগ্ৰেছৰ এই দলেও কেতিয়াও লব নোৱাৰে। সেইটো প্ৰমানিত হৈছে বিগত ৩৩ বছৰত। ইন্দিৰা কংগ্ৰেছৰ নীতি সম্পৰ্কে ভাৰতৰ জনসাধাৰণে তথা অসমৰ জনসাধাৰণে আগৰে পৰাই জানে। কৃষকৰ সমস্যা সমাধান কৰিবলৈ হলে ভূমি সংস্কাৰ সাধন কৰিব লাগিব। ভূমি সংস্কাৰৰ নামত আজি ৩৩ বছৰে ভুৱা দিয়া হৈছে। ভূমিহীনক ভূমি দিয়াৰ ক্ষেত্ৰত মহামান্যা ইন্দিৰা দেৱীয়ে, আমি জেইলত যেতিয়া সোমাই আছিলো সেই সময়ত কৈছিল—হাজাৰ হাজাৰ মানুহক মাটি দিয়া হৈছে। আমি ওলাই আহি পাইছিলো কি? কাগজ কেইখিলামানত কেইজনমানক কেইখনমান চাৰ্টিফিকেটহে দিয়া হৈছে। আজিও সেই কাগজ কেইখন লৈ গৰীব খেতিয়কে এচ, ডি, চি-ৰ অফিচ আৰু এচ, ডি, অ-ৰ অফিচত ঘূৰা-ফিৰা কৰে। তাৰ কোনো প্ৰতিকাৰ নহল। তেওঁলোকক কেৱল মাত্ৰ হাৰা শাস্তিহে কৰা হল। এই ভাবে দুৰ্ভোগৰ যোগেদি দিনবোৰ পাৰ হৈ গৈছে।

কিছুদিনৰ কাৰণে ৰাজভোগ উপভোগ কৰাৰ সুবিধা জনতা দলেও পাইছিল। কিন্তু জনতা দলৰ দিনতো তাৰ কোনো প্ৰতিকাৰ নহ'ল।

উপাধ্যক্ষ মহোদয়, বাস্তবত ভূমি সংস্কাৰৰ মাজেৰে ভূমিহীন কৃষকক যদি প্ৰকৃত ভূমি দিয়া ব্যৱস্থা নলয়, কৃষকৰ উত্‌পাদন সামগ্ৰীৰ উচিত মূল্য যদি কৃষকে পোৱাৰ ব্যৱস্থা নকৰে, কৃষকৰ মৰ্জিত যদি শিক্ষা বিস্তাৰৰ প্ৰকৃত ব্যৱস্থা নকৰে তেনেহলে অসমৰ তথা গোটেই ভাৰতৰে কৃষক জনসাধাৰণৰ উন্নতি কাগজৰ ভিতৰতে সীমাবদ্ধ হৈ থাকিব। সেই প্ৰতিশ্ৰুতি, সেই শুৱলা ভাষাত কোৱা বাজেট বক্তৃতা আৰু ৰাজ্যপালৰ বক্তৃতা কাগজৰ ভিতৰতেই আবদ্ধ হৈ থাকিব। বাস্তৱত কেতিয়াও পৰিণত নহয়। আমি আশা নকৰো, কিন্তু আমাৰ মাননীয় সদস্য ফনিমেধী ডাঙৰীয়া তেখেত চি, পি, এম, এল পাৰ্টিৰ, তেখেতে আশা কৰিছে। মই আশা নকৰো যে এই চৰকাৰৰ দ্বাৰা কৃষকৰ কল্যান হব। মই আশা নকৰো কাৰণ এই সকলোৰে পুজিপতি আৰু জমিদাৰ সকলৰ স্বাৰ্থৰ কাৰণে নীতি অবলম্বন কৰে। মই আপোনাৰ জৰিয়তে কব খোজো যে আমি সমৰ্থন কৰা নাই। উপাধ্যক্ষ মহোদয়, এই চৰকাৰ এই বিধান সভাত চলি থকা অৱস্থাতে গোৱালপাৰা জিলাত পুলিচৰ যি তান্ডব নৃত্য চলাইছে, সেই কথা মই কব বিচাৰিছো। এই বিধান সভা যোৱা ১৯ তাৰিখৰ পৰা আৰম্ভ হয় আৰু সেই নিশাই ২ বজাত গোৱালপাৰাৰ আগিয়াৰ বালিজানা পঞ্চায়তৰ সভাপতি নৃপেন দাসক ঘৰৰ পৰা বাহিৰলৈ তানি আনি মাৰপিত কৰে। আনকি তেওঁৰ ভায়েককো মাৰপিত কৰে। আনকি আমি এই অভিযোগো পাইছো, যে তেওঁৰ ঘৈনীয়েককো মাৰপিত কৰে। ( চেম, চেম ভইচ ) আৰু তেওঁৰ ডিঙিৰ পৰা হাৰ কাঢ়ি লৈ যায়। এই গুণ্ডামি গোৱালপাৰা থানাৰ চি, আই জনৰ নেতৃত্বত হয়। এই বিধান সভা চলি থকা কালতে, যোৱা ২৫ তাৰিখে কৃষ্ণকলি চাহ বাগিছাত যি ঘটনা ঘটিল সেই বিষয়ে কব বিছাৰিছো। চৰকাৰে প্ৰতিশ্ৰুতি দিছিল শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা কৰিব। কিন্তু সেই কৃষ্ণকলি চাহবাগিছাৰ মেনেজাৰৰ লগত লগ লাগি চি, আই যে চাহবাগিছাৰ লাইনত সোমাই এজন মজদুৰক মাৰধৰ কৰে আৰু মেনেজাৰেও বাঙলা লৈ আনি মাৰপিত কৰে। কিন্তু তেওঁলোকৰ মুখতেই বেচি ধৰণে গণতন্ত্ৰৰ বক্তৃতা শুনিবলৈ পোৱা যায়।

এনেধৰণেই তেওঁলোকে শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা কৰে। উপাধ্যক্ষ ডাঙৰীয়া, এই পুজিপতিৰ দালাল সকলে, এই বৃহত জমিদাৰৰ প্ৰতিনিধিসকলে এই শ্ৰমিক আৰু কৃষকৰ স্বাৰ্থ ৰক্ষা কৰিব বুলি মই কেতিয়াও আশা নকৰো আৰু সেইকাৰণেই তেওঁলোকক সমৰ্থন কৰাৰ কোনো প্ৰশ্নই আহিব নোৱাৰে।

উপাধ্যক্ষ ডাঙৰীয়া, সময়ো বেছি নাই। গতিকে দুই মিনিটমান সময় কম। মই এইবাৰ জনস্বাস্থ্য বিভাগৰ কথা কওঁ। বিগত দিনবোৰত আৰু মাজতে এবাৰ জনসাধাৰণৰ স্বাস্থ্য ৰক্ষাৰ সুদৃঢ় প্ৰতিশ্ৰুতি এই চৰকাৰে দিছিল। কিন্তু হস্পিতালত ঔষধ পোৱা নাযায়। শুধিলে বহুতো বাখ্যা দিব। সেই বিষয়ে আৰু নকওঁ। কিন্তু গোৱালপাৰা মহকুমাৰ ৭খন ষ্টেট ডিচ্‌পেনচাৰী আছে উইডাউট্‌ ডাক্তৰ। ঠিক এইদৰেই জনস্বাস্থ্য ৰক্ষা কৰাৰ ব্যৱস্থা তেওঁলোকে কৰিছে। জনতাৰ আমোলত ১৯৭৮ চনত আমাক ১০টাকৈ পকি কুৱা আৰু টিউবৱেল দিয়াৰ কাৰণে স্থান নিৰ্ণয় কৰি দিব লাগে বুলি কৈছিল। আমি খৰ খেদাকৈ স্থান নিৰ্বাচন কৰাত লাগি গলো আৰু কিছুমান স্থান নিৰ্দিষ্ট কৰিলো। ......( সদনত হুলস্থুল, ভালদৰে শুনা নাযায় )

মহোদয় মন্ত্ৰী ডাঙৰীয়া সকলক ট্ৰাইবেল আৰু চিডুলকাচট এৰিয়ালৈ আহিবলৈ বিশেষকৈ গোৱালপাৰালৈ আহিবলৈ আহ্বান কৰিছো। জেনাৰেল এৰিয়াৰ জনসাধাৰণকো আমি উত্‌সাহ দিছিলো যে আপোনালোকে বিশুদ্ধ খোৱা পানী পাব। কিন্তু আজিলৈকে নহ'ল। গোৱালপাৰাৰ বিষয়া সবলক যেতিয়া সোধা হয় তেতিয়া তেওঁলোকে আমাক কয় যে আমি একো বস্তুৱেই পোৱা নাই, চিমেণ্ট নাই, মেটেৰিয়েল নাই, পাইপ নাই ইত্যাদি। জনতা আমোলৰ পৰাই আজি তিনি বছৰেই এইদৰেই চলি আছে। এইচৰকাৰে অন্ততঃ তেওঁলোকৰ শ্ৰেণীৰ মানুহৰ কাৰণে, তেওঁলোকক ভোট দিয়া মানুহখিনিৰ কাৰণে অলপ কিবা কৰিলেও জনসাধাৰণ উপকৃত হব। কিন্তু মৌলিক কিবা যে কাম হব সেইটো আমি কেতিয়াও আশা নকৰো। অধ্যক্ষ ডাঙৰীয়া চৰ অঞ্চলৰ মানুহ বিলাকৰ বিষয়ে কব খুজিছো মোক মাত্ৰ দুই মিনিট সময় দিয়ক। চৰ অঞ্চলৰ ওচৰত থাকি আজি ১৭ বছৰেই চৰ অঞ্চলৰ মানুহক দেখিছো। তেওঁলোকক কেৱল ভোটাৰ কৰিহে ৰাখিছে। আনকি তেওঁলোকৰ নাম শুধিলে কয়, দেৱানিকে পুচবেন' এই অৱস্থাত আজিও চৰ অঞ্চলৰ মানুহ

আছে। সেই সকলেই হৈছে অসমৰ বৃহত কৃষক গোষ্ঠীৰ মানুহ। আপুনি, আমি আজি যিবিলাক বস্তু খাইছো সেইবিলাক বস্তুৰ বেছিভাগ তেওঁলোকৰ দ্বাৰাই উৎপাদিত। চৰকাৰৰ নিজৰ স্বাৰ্থৰ বাবেই তেওঁলোকক ফুচুলাই ৰাখিছে। আজি ২৫/৩০ বছৰেই সেই মানুহ বিলাকক মাটিৰ পট্টা দিয়া হোৱা নাই। ফলস্বৰূপে বিদেশী খেদা আন্দোলনত তেওঁলোকে পট্টা দেখুৱাব নোৱাৰাৰ কাৰণে তেওঁলোকক চিনাক্ত কৰা হয় বিদেশী বুলি। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ পিচত তেওঁলোকে ওখ চাপৰি বিলাকত বাস কৰেহি। সেই কাৰণেই তেওঁলোকে নতুনকৈ অহা বাংলাদেশী বুলি কয়। এই অঞ্চল বিলাকত এটা পি, ডব্লিউ, ডি, ৰ ৰাস্তা নাই। জনস্বাস্থ্য ৰক্ষাৰ কাৰণে এখনো চিকিৎসালয় নাই। এইদৰেই চলি আছে।

উপাধ্যক্ষ ডাঙৰীয়া, এই মানুহবিলাকক অকল ভোটৰ স্বাৰ্থতেই ব্যৱহাৰ নকৰি তেওঁলোকৰ প্ৰতি অলপ নজৰ দিব লাগে। এই কামনা কৰিয়েই শেষ কৰিলো।

* শ্ৰীমাধৱ ৰাজবংশী—অধ্যক্ষ মহোদয়, অসম বিনিয়োজন বিধেয়ক খনৰ ওপৰত মই কেইটামান কথা উল্লেখ কৰিব খুজিছো। অধ্যক্ষ মহোদয়, আপুনি জানে ভাৰত স্বাধীন হোৱাৰ পিচত আৰু অসমত মন্ত্ৰী সভা গঠন হোৱাৰ পিচৰ পৰা এইধৰণৰ বাজেট অধিবেশন বহুত বাৰ হৈ গৈছে। বহুতো মন্ত্ৰীয়ে বাজেট দাঙি ধৰিছে, বিৰোধী পক্ষৰ পৰা কথা কটা কটিও চলিছে, বহুতো পইণ্ট অব অৰ্ডাৰ আহিছে আৰু আইজ নোজ কৰি সেই বিলো পাচ কৰিছে। এইদৰে চৰকাৰ চলি আছে। স্বাধীনতাৰ পিচত ৩৩ বছৰৰ পৰা আজিলৈকে বাস্তৱবাদী সকলে পিকিং, মস্কোৰ আদৰ্শৰে বুৰ্জোৱা সকলে সদনত হুলস্থূল......চৰ অঞ্চলত ৰাস্তা নাই, চিকিৎসালয় নাই ইত্যাদি ......

শ্ৰীনুৰুল হুদা—অধ্যক্ষ মহোদয়, পিকিং মস্কোৰ কথা কৰ পৰা আহিল ?

* শ্ৰীমাধৱ ৰাজবংশী—আমি এইসকল বিধায়কে ১৯৭৮ চনৰ সাধাৰণ নিৰ্বাচনতেই নিৰ্বাচিত হৈ আহিছো। আজি অসমৰ এই দুৰ্দশাগস্ত অবস্থাত

---

* Speech not corrected.

বহুতো বিধায়কে অনাস্থা প্ৰস্তাৱত কৈছে যে বিচ্ছিন্নতাবাদী আৰু উগ্ৰ জাতীয়প্ৰেমী সকলৰ বাবেই এই অৱস্থা হৈছে। আচলতে অধ্যক্ষ ডাঙৰীয়া সেইটো নহয়। বিধায়ক সকলৰ ৰাজনৈতিক স্বাৰ্থ ৰক্ষা কৰাৰ কাৰণেই অসমবাসীয়ে কষ্ট ভুগিবলগীয়া হৈছে। আজি যি গৰাকী অসমৰ মুখ্যমন্ত্ৰী হৈছে, ৰাজ্যপালৰ ভাষণত শ্ৰীইব্ৰাহিম আলিয়ে কৈছে যে তেওঁ সচাঁকৈয়ে ভাগ্যৱতী আৰু অসমবাসীও ভাগ্যবান। কথাটো সচাঁ সেই কাৰণেই ৮ জন বিধায়কৰ পৰা বাঢ়ি গৈ ৪৯জন পুৰুষৰ নেতৃত্বৰ অধিকাৰী হৈছে।

অধ্যক্ষ মহোদয়, এই ৰাজনৈতিক ক্ষমতাৰ কাৰণেই অসমত আজি বিচাৰ নোহোৱা হৈছে। তাৰ পিচত পিকিং আৰু মস্কোৰ আদৰ্শবাদী সকলে কৈছে যে ৰাষ্ট্ৰপতিৰ শাসনৰ সময়ত ..... (গণ্ডগোল) ......

Shri Noorul Huda—Point of order, Sir. May I submit that the question of dragging in other countries with whom our country India has friendly relations should be stopped. That question does not arise; it is completely irrelevant, Sir, to point out at certain tables occupied by certain hon'ble members and identify them with countries with whom we have got certain relations. Sir, we have got our own political parties and philosophies and Janata Party members have their own philosophy.

(A voice—Bourgeois)

Yes, bourgeois, You can say that but don't try to identify our party with other parties in the country: that we will not tolerate.

(Interruptions)

We belong to a political party; we believe in the philosophy of Marxism; we have no hesitation in declaring that too.

Mr. Speaker—Mr. Huda, speak only on the point of order.

Shri Noorul Huda—The point of order is that an hon'ble member should not drag in the names of other countries with whom we have got certain friendly relations, that is

one ; Number two is hon'ble member should refrain from associating other political parties with certain countries. This should be stopped here. Whether he has got a right to drag in these countries and whether he has got the right to associate other parties and members of the House with other countries ?

Mr. Speaker—I request the hon'ble member to confine to the subject matter. What is the use of bringing in other things here ? I am sorry to see that most of the time is wasted today because hon'ble members have not confined themselves to the subject matter.

Appropriation Bill is not just like debate on Governor's address or any other thing. So I request the hon'ble member Shri Madhab Rajbanshi not to speak these things. Only you confine to the Appropriation Bill.

* শ্ৰীমাধৱ ৰাজবংশী—মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰপতিৰ শাসন যেতিয়া হয় তেতিয়া অসমৰ জনসাধাৰণে অস্তিত্ব ৰক্ষাৰ কাৰণে যি সংগ্ৰাম কৰিলে সেই সংগ্ৰামত আজি বিচ্ছিন্নতাবাদী বুলি সমালোচনা কৰিছে। এই আন্দোলন চলি থকা অৱস্থাত শ্ৰীমতী ইন্দিৰা গান্ধীয়ে ভাবিলে যে যদি তেখেতৰ এখন মনোমত চৰকাৰ গঠন কৰিব পাৰে তেন্তে তেখেতে সেই চৰকাৰৰ দ্বাৰা অতি সুকলমেই আন্দোলন মষিমূৰ কৰিব পাৰিব। শ্ৰীমতী গান্ধীয়ে অসমৰ ৰাইজৰ যি বেদনা সেই বেদনা অনুভৱ কৰিব নোৱাৰিলে। তাৰ কাৰণেই অসমৰ আন্দোলনকাৰী সকলৰ ওপৰত নানা ধৰণৰ অত্যাচাৰ নিৰ্য্যাতন চলাব ধৰিলে আৰু আন্দোলন মষিমূৰ কৰিবৰ কাৰণেই তেখেতে আজি এই চৰকাৰ কৰিছে যাতে আন্দোলন মষিমূৰ কৰাত তেখেতক সহায় কৰিব পাৰে। সেই কাৰণেই অসমৰ ৰাইজৰ নিৰ্বাচিত চৰকাৰ এটা কৰি দিছে। ৰাইজে আশা কৰিছিল এই চৰকাৰে অসমৰ যি জলন্ত সমস্যা চলি আছে সেই সমস্যাটো সমাধান কৰিবলৈ চৰকাৰে চেষ্টা কৰিব। কিন্তু চৰকাৰে এই জলন্ত সমস্যা সমাধান কৰাৰ দূৰৰ কথা তাত যি কোনো

* Speech not corrected.

প্ৰকাৰে এটি মভমেণ্টৰ মনোভাবৰ ব্যক্তিক লৈ দমন কৰাৰ চেষ্টা কৰিছে। যদি এই সমস্যা সমাধানৰ কাৰণে চেষ্টা নকৰে তেতিয়াহলে আকৌ নতুন ধৰণৰ বাতাবৰণৰ সৃষ্টি হব পাৰে। আজি অসমৰ ৰাইজৰ অন্তৰৰ যিটো বেদনা সেই বেদনা সহজে উপশম ঘটাব নোৱাৰে। আজি অসমৰ ৰাইজৰ যিটো বেদনা সেই বেদনা হৈছে দহ মহীয়া গৰ্ভৱতী মাতৃৰ পেটৰ বেদনা। এই বেদনা লাঠী-গুলিৰে কেতিয়াও উপশম ঘটাব নোৱাৰে। এই সম্পৰ্কত বিধান সভাৰ মাননীয় সদস্য সকলে বিভিন্ন কথাৰ উল্লেখ কৰি গৈছে। মই এতিয়া কব বিচাৰিছো অসম চৰকাৰৰ এনে এটা বিভাগ নাই যিটো বিভাগত দূৰ্নীতি নাই। অসম চৰকাৰৰ এনে এটা বিভাগ নাই যিটো বিভাগৰ কথা কৈ শেষ কৰিব পাৰি। মঙলদৈ মহকুমাতো এটা চৰ অঞ্চল। ইয়াত্ হাজাৰ হাজাৰ বিঘা মাটি পৰি আছে। এইটো সংৰক্ষণ কৰিবলৈ চেষ্টা কৰিছিলো, কিন্তু এই ক্ষেত্ৰত কোৱা হল যে মঙলদৈ মহকুমাত গড় নাই তাৰ কাৰণে সংৰক্ষণ কৰিব নোৱাৰে। কিন্তু এই মহকুমাতে যোৱা তিনিটা বছৰত তিনিটা গড় মৰা হল। অসম চৰকাৰে অসমৰ যিবোৰ প্ৰাকৃতিক সম্পদ আছে সেইবোৰ ৰক্ষা কৰিবলৈ কোনো প্ৰকাৰৰ চেষ্টা কৰা নাই। কেৱল গছ কাটি নাইকীয়া কৰিছে, চৰকাৰ ৰক্ষা কৰিবৰ কাৰণে। আজি গোলাপ বৰবৰা চৰকাৰ, শ্ৰীযোগেন হাজৰীকা চৰকাৰ দেশৰ পৰা বিদেশী নাগৰিক খেদিবলৈ লোৱাৰ কাৰণেই যাবলগীয়া হল। এতিয়া যি চৰকাৰ আহিছে এই চৰকাৰে অসমক নবচাই। এইখন কলংকিত বিধান সভা।

মাননীয় অধ্যক্ষ—আপুনি এইটো উইড্ৰ কৰিব লাগে।

* শ্ৰীমাধৱ ৰাজবংশী—মই উইড্ৰ কৰিছো। মই চিকিৎসা বিভাগৰ কথা কব খুজিছো—যিহেতুকে ইয়াৰ কাৰণে লাখ লাখ টকা পাচ কৰি দিম। দুখৰ বিষয় অসমত যিবোৰ প্ৰাইমেৰী হেল্‌থ চেন্টাৰ আছে সেই বিলাকত ঔষধ নাই। ডাক্তৰে প্ৰেচকিপচন লিখি দিয়ে তেওঁলোকৰ নিৰ্দ্দিষ্ট ফামাৰ্চিৰ পৰা ঔষধ অনাৰ কাৰণে আৰু ঔষধ পোৱাৰ ঠায়ো ডাক্তৰে লিখি দিয়ে। সেই কাৰণে মই এটা পৰামৰ্শ দিব বিচাৰিছো যে ষ্টেট ডিচপেনচেৰী বোৰৰ কাৰণে এটা এডভাইচাৰি কমিটি গঠন কৰি দিব লাগে। যদি অসমৰ মানুহে

* Speech not corrected.

সাধাৰণ চিকিৎসা ব্যৱস্থা নেপায়, ৰাষ্টা পদূলি নাপায়, প্ৰাকৃতিক সম্পদ ৰক্ষা কৰিব নোৱাৰে, বিদেশী নাগৰিক খেদিবলৈ কলে যদি গুলি খাব লাগে তেতিয়াহলে এই চৰকাৰে অসমক ৰক্ষা কৰিব নোৱাৰিব, অসম নেথাকিব। শাসনত অধীস্থিত সকলে এই কথা বিবেচনা কৰা উচিত। কিন্তু আজি ৰাইজক ৰক্ষা কৰা দূৰৰ কথা তিনিমহীয়া মন্ত্ৰীৰ কাৰণে তুখন তদন্ত কমিটি কৰি দিবলগীয়া হৈছে। গতিকে এনে ধৰণৰ ব্যৱস্থা নলৈ বাস্তৱ ব্যৱস্থা লবলৈ মই অনুৰোধ কৰিলো।

* শ্ৰীদৈৱ শক্তি ডেকা— অধ্যক্ষ মহোদয়, মই অসম বিনিয়োজন বিলৰ ওপৰত দুআষাৰ মান কব বিচাৰিছো। প্ৰথমতে মই এই চৰকাৰখনৰ জন্মৰ কথা কব বিচাৰিছো। যিখন চৰকাৰ আজি আমি পাইছো আৰু যিখন চৰকাৰে আজি এই টকাখিনি খৰচ কৰিবলৈ বিল পাছ কৰিছে সেইখন চৰকাৰৰ জন্ম হৈছিল মোৰ কৃষ্ণপক্ষৰ অমাৱশ্যা ৰাতি (ধ্বনী—তাতে শনিবাৰ) এগৰাকী মাতৃৰ যদি অমাৱশ্যা ৰাতি এটি সন্তান জন্ম হয় তেন্তে তাৰ আয়ুস হয় পাঁচ মাহ পোন্ধৰ দিন। যদি গ্ৰহ-গতি ভালে থাকে তেন্তে তিনি চাৰি মাহ থাকিলেও মৃত্যু অৱশ্যাম্ভাবী। আজি সেই সময় আৰম্ভ হৈছে, অৰ্থাৎ এই চৰকাৰ মৃত্যুৰ ওচৰ চাপি আহিছে। যাৰ সহায়ত এই চৰকাৰখন গঠন হল সেই সকলে চক্ৰবেহুৰ মাজতহে সোমাবলৈ শিকালে, কিন্তু ওলাই অহাৰ ৰাস্তা নিদিলে। তেওঁলোকে নিজেই নিজৰ জীৱন ৰক্ষা কৰিব লাগিব আৰু বৰ্ত্তমানৰ যি প্ৰীতি, মেকুৰী আৰু নিগনিৰ মাজত হোৱাৰ প্ৰীতি। মেকুৰীয়ে জানে যে যি নিগনিয়ে কাপোৰ কুটে, শস্য খাই নষ্ট কৰে, সেই নিগনিক মাৰিবই লাগিব, কিন্তু মৰাৰ আগতে কিছু খেলি লোৱা ভাল বুলি অলপ খেলাই লয়। এতিয়াও যাৰ দ্বাৰা চৰকাৰ গঠন কৰা হল সেই সকলক লৈ এটা খেলহে খেলা হৈছে। যিহেতুক যিখন মন্ত্ৰীসভা গঠিত হৈছে মই স্পষ্টভাবে কব বিচাৰিছো যে এই মন্ত্ৰীসভাৰ এটাই মাত্ৰ উদ্দেশ্য সেইটো হৈছে অসমৰ গণতান্ত্ৰিক আন্দোলনটো মষিমূৰ কৰা। সেই উদ্দেশ্য আগত ৰাখিয়েই চৰকাৰ গঠিত হৈছে।

অধ্যক্ষ মহোদয়, মই এটা কথা জানো যে শুবৰ সময়ত মানুহ যেতিয়া বিচনাত পৰে আৰু সেই সময়ত যি কথা চিন্তা কৰে তাকেই সপোনত

* Speech not Corrected

দেখে। এই চৰকাৰৰ গাদীলৈ অহাৰ আগে আগে এটাই মাত্ৰ উদেশ্য আছিল, চিন্তা আছিল মন্ত্ৰীত্বৰ গাদী লৈ আজি সেই উদেশ্যৰেই গণতান্ত্ৰিক অধিকাৰেৰে এই আন্দোলনটো বশিভূত কৰি বহিৰাগতক কেনেকৈ গণতান্ত্ৰিক অধিকাৰ দিব পৰা যায়, বহিৰাগতৰ সংখ্যা বঢ়াব পৰা যায় সেই উদেশ্য লৈয়ে এই মন্ত্ৰীসভা গঠন কৰা হৈছে। এতিয়া মযো আজিৰ এই সমালোচনাৰ পৰা সাৰি নাযাওঁ কাৰণ এসময়ত মযো ইন্দিৰা দললৈ আহিছিলো।

(সদনত হাঁহিৰ ৰোল উঠে)

যি জনসাধাৰণৰ প্ৰতিনিধি হৈ জনসাধাৰণৰ উন্নতিৰ কাৰণে চিন্তা নকৰে এনেদলে যদি চৰকাৰ গঠন কৰে তেন্তে সেই দলৰ স্বাধীন চিতীয়া মনোবৃত্তি থাকিব নোৱাৰে। মই অসমৰ জনসাধাৰণৰ দ্বাৰা প্ৰতিনিধিত্ব কৰিছো। যি সকলে নিজৰ মাকক বচাবৰ দায়িত্ব নলয় সেই সকলৰ পাৰ্টি বাদ দি হলেও অকলে থিয় হব লাগিব। কোনোবাই হয়তো ভাবিব পাৰে, মন্ত্ৰী হোৱাৰ আশা লৈ এই দললৈ আহিছিলো। মন্ত্ৰী হোৱাৰ আশা নেদেখি মই পুনৰ দল ত্যাগ কৰিলো। কিন্তু মই আগতেই জানিছিলো যে কামৰূপৰ পৰা অহা প্ৰতিনিধি মই এই দলত থাকিলে মন্ত্ৰীত্ব পামেই। ইন্দিৰা গান্ধীয়ে পাকিস্থানৰ পৰা আতৰাই আনি বাংলাদেশ যেনেকৈ স্বাধীন কৰিলে ঠিক তেনেকৈয়ে ইন্দিৰা গান্ধীয়েও অসমৰ পৰা কোনো বিদেশী বহিস্কাৰ নকৰে আৰু এইটো তেওঁৰ বাবে কোনো ডাঙৰ কথা নহয়। ইন্দিৰা গান্ধীয়ে যোৱা বছৰ কৰিলে কি? যোৱা বছৰ বিহুৰ সময়ত তেওঁ অসমলৈ আহি ১৯৬২ চন ঘোষনা কৰাৰ কথা ভাবিছিল। কিন্তু দলৰ কিছুমান চক্ৰান্তকাৰীয়ে অসমৰ বিৰোদ্ধে ইমান ভুল তথ্য দাঙি ধৰিলে যে সেই সময়ত সেই কাম কৰা হৈ নুঠিল। এতিয়া অসমৰ বিৰোদ্ধে এই চৰকাৰ গঠন কৰা হৈছে আৰু সেই সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে পৰামৰ্শ দিছিল যে আমাৰ যি সকল উচ্চ বিষয়া সেই সকলক বদলি কৰিব লাগে আৰু সেই সকলৰ ঠাইত বাহিৰৰ পৰা অসমলৈ উচ্চ বিষয়া আনিব লাগে আৰু অসমীয়া সকলক বদলি কৰিব লাগে। এইবিলাক কথাৰ কাৰণেই মই এই দল ত্যাগ কৰিলো। আমাৰ নিজৰে যেতিয়া নিজস্ব নাথাকে তেতিয়া আৰু কব লগাও বিশেষ নাথাকে।

এই বিলত যিমানখিনি টকা খৰচ কৰিবলৈ বিচৰা হৈছে তাৰ পৰিপেক্ষিতত আইন শৃঙ্খলাৰ সম্পৰ্কত মই দুআষাৰমান কব খুজিছো। যোৱা ২৪ ডিচেম্বৰ তাৰিখে বাইহাটা চাৰি আলিত অনুমতি লৈয়েই এখন মিটিং পতা হৈছিল কিন্তু পুলিচৰ এজন উচ্চ বিষয়া মই চিনি নাপাওঁ অটোৱালা আৰু থেলাৱালাক মাৰপিট কৰিলে। এই কথাটো মই গৃহমন্ত্ৰী আৰু বিত্তমন্ত্ৰীক জনাইছিলো আৰু পৰিবহনমন্ত্ৰীকে মই কৈছিলো। তেখেত নীৰব আৰু কলে যে ডি, চিক একো কব লগা নাই আপুনি মুখ্যমন্ত্ৰীৰ ওচৰলৈ যাওক। মই গলো আৰু মুখ্যমন্ত্ৰীকো কলো। এতিয়াও মই এই বিষয়টো চাবৰ কাৰণে মুখ্যমন্ত্ৰীক আবেদন জনাইছো। তেখেত মুছলমানৰ মুখ্যমন্ত্ৰী বুলি মোৰ কোনো অভিযোগ নাই। ভাৰতৰ ইতিহাসত মুছলমান সকলে যি ঐতিহ্য আৰু পৰম্পৰাৰে ৰাজত্ব কৰি গল সেই আহিঁ লৈ বৰ্তমানৰ চৰকাৰেও অসম দেশ ৰক্ষা কৰিব বুলি মই আশা ৰাখিছো।

মই মন্ত্ৰীসভাৰ বিৰোদ্ধে ভোট দিছো, গতিকে মন্ত্ৰীসভাৰ ওচৰ চপাটো টান। মই আজি তিনিমাহৰ পৰা ই এণ্ড ডি এচ, ডি, অ' বদলিৰ কাৰণে লাগি আছো, কিন্তু একো ব্যৱস্থা নলয়। শুক্লা ইৰিগেচনে সমগ্ৰ খেতি নষ্ট কৰিছে। বহু হেজাৰ বিঘা খেতিৰ মাটি নষ্ট হৈছে। উন্নতি হলে একো হোৱা নাই। যোৱা বিধান সভাত এই সম্পৰ্কত বক্তৃতা দিয়াৰ পৰা চেক্ৰেটেৰীয়ে মোৰ ওপৰত বেয়া ভাব হোৱা বুলি সেই দিপাৰ্টমেণ্টৰ মুখ্য অভিযন্তাৰ পৰা জানিব পাৰিছে। মই আশা ৰাখিছো বিভাগীয় মন্ত্ৰী সকলৰ পৰা যেন বিধায়ক সকলে সকলো প্ৰকাৰৰ সুবিধা পাব পাৰে বা পায় তাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো। এই খিনিয়েই মোৰ কবলগীয়া।

Mr. Speaker—The time fixed was 7.30 P. M. Now it is 7.30 P. M. Now the Finance Minister is to reply. He must finish his speech within 10 minutes.

* Shri Sarat Chandra Sinha—Sir, I want to raise one point only which the finance Minister can reply, Sir, after adoption of the Cut Motions and rejection of Deman No. 4, we want to know what is the attitude of the Government

* Speech not Corrtected

towards the National Security Act whether Govt. will not apply the National Security Act, whether Govt. will release the detenues arrested under NSA, whether their families will get the requisite allowances and whether under this Act there will be no further arrests? These questions with respect to NSA Should be clarified because the House expressed its disapproval when the main demand had been rejected.

শ্ৰীকেশৱচন্দ্ৰ গগৈ— ( বিত্তমন্ত্ৰী ) অধ্যক্ষ মহোদয়, যি সকল মাননীয় বিধায়কে এই বিনিয়োজন বিলত মন্তব্য দাঙি ধৰিলে, তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তেখেত সকলে বিভিন্ন বিভাগীয় কাম কাজৰ ওপৰত যি বিলাক আসোঁৱাহ দেখুৱালে আৰু যি বিলাক মন্ত্ৰী সভাৰ প্ৰতি আঙুলিয়াই দেখুৱালে আমি সেই বিলাক আশীৰ্বাদ হিচাবে গ্ৰহণ কৰিছো। মই বিশেষকৈ মন্ত্ৰী সভাৰ যি সকল সদস্য আছে তেওঁলোকৰ হৈ এই কথা কব পাৰো যে আপোনালোকৰ যি পৰামৰ্শ বা আপোনালোকৰ আমাৰ প্ৰতি যি সমালোচনা আগবঢ়াইছে, ই আমাক বহুত উপকাৰ কৰিছে। এই উপকাৰৰ কাৰণে মই আপোনালোকৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছো। বিভিন্ন বিভাগৰ ওপৰত যি বিলাক কথা কলে, এই সকলো বিলাক কথাৰ মোৰ কাৰণে কম সময়ৰ ভিতৰত ১০ মিনিটৰ ভিতৰত উত্তৰ দিয়াটো সম্ভৱপৰ নহয়। আপোনালোকে জানে যে আমি ভোট অন্ একাউণ্ট বিচাৰিছো আৰু এপ্ৰিপ্ৰিয়েচন বিল আহিছে। ইতিমধ্যে বাজেট চেচন বহুৱাব লাগিব। যদি আমি চৰকাৰত থাকিব পাৰো আপোনালোকে দীঘলীয়া সময় পাব আৰু সেই সময়ত আপোনালোকৰ বক্তব্য আৰু দীঘলীয়া কৈ দাঙি ধৰিবলৈ সুবিধা পাব। মই আপোনালোকক বিল এখনৰ প্ৰশ্নৰ উত্তৰ দিয়া বুলি ভাবিলে মই সুখী হলোহেঁতেন। প্ৰথমতে আমাৰ শ্ৰীশৰৎ চন্দ্ৰ সিংহই যি প্ৰশ্ন উত্থাপন কৰিছে সেই প্ৰশ্নৰ উত্তৰ ফাইনেন্স মিনিষ্টাৰ হিচাবে দিয়াটো মোৰ কাৰণে যুক্তিসঙ্গত নহব। সেই বিষয়ে মই মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিছিলো। আপোনালোকে জানে যে গৱৰ্ণৰৰ এড্ৰেচৰ ওপৰত আলোচনা হৈ আছে আৰু গৱৰ্ণৰৰ

যি এড্ৰেচ তাত পলিটিকেল দিচিচন, পাৰ্টিৰ কথা প্ৰতিফলিত হয়। মুখ্যমন্ত্ৰীৰ পৰা এই বিষয়ত শ্ৰী সিংহ ডাঙৰীয়াই আমাৰ ওচৰত দাঙি ধৰা কথাৰ উত্তৰ পাব। তেখেতে সেই উত্তৰ দিব। বিভাগীয় মন্ত্ৰী সকলে টকাটো খৰচ কৰিব। বেলেগ বেলেগ বিভাগৰ মন্ত্ৰী সকলে কি ধৰণে খৰচ কৰে, কত কৰ এই উত্তৰ মোৰ পৰা দিয়াটো উচিত নহয় বুলি ভাবিছো।

*Shri Dulal Chandra Baruah—Sir, a point of order. The Cabinet has collective responsibility. The Constitution is quite clear on this matter. Specific questions have been asked by Shri Sarat Chandra Sinha. These questions have full implication or full connection with today's Appropriation Bill. The specific questions asked are whether or not NSA will be applied, whether NSA detenues will be released etc. Therefore, it comes not in the Governor's address, it comes under the appropriation bill. This question cropped up yesterday. The Finance Minister now cannot shift responsibility.

*Shri Sarat Chandra Sinha—As regards NSA we are under illusion. We want it removed. We want specific replies because this relates to the Appropriation Bill which provides the money. Before passing this Appropriation Bill we must know what would be the fate of NSA. We are groping under an illusion. We do not want to be under an illusion.

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—মই ইতিমধ্যে এই বিষয়ে কৈ গৈছো।

Shri Phani Medhi—We want categorical reply from the Minister.

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—এপ্ৰপ্ৰিয়েচন বিলক যিখিনি কব লাগে কৈছো। মোক কবলৈ সময় দিয়ক। ১০ মিনিট সময় পাইছো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এই কথাটো কব লাগিব। এনেকুৱা ধৰণে চৰকাৰে এভইড্ কৰি গলে নহব। এন, এচ, এ সম্বন্ধে উল্লেখ কৰিছো। এইখিনিৰ এপ্ৰপ্ৰিয়েচন বিলত পাৰ্মানেণ্ট উত্তৰ দিব লাগে। গৰ্বণৰ এড্ৰেচত দিব লাগিব।

* Speech not corrected.

কথাটো আজি উঠিছে। গৰ্বণৰৰ এড্ৰেচ পিচত হব। We Want these Pertinent questions answered. The answer must be given today.

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী)—এপ্ৰপ্ৰিয়েচনৰ বিলৰ হেডত এই এন, এচ, এ কথাটো আছে বুলি কোনেও পইন্ট আউট কৰা নাই।

( গণ্ডগোল )

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী)—ইয়াত দুলাল বৰুৱা ডাঙৰীয়াই দেখুওৱাৰ দৰে কোনো স্পেচিফিক কথা নাই।

( গণ্ডগোল )

শ্ৰীঅতুল গোস্বামী—ইয়াত এন, এচ এ নাম গোন্দেই যদি নাই তেনেহলে এক পইচাও খৰচ কৰা নহয়।

( গণ্ডগোল )

Mr. Speaker—Order, order please. I now put the motion. ( Interruption, uproar in the house All the hon'ble Members of the Janata Legislature Party rushed towards Mr. Speaker's dias and started shouting. Papers from Mr. Speaker's table snatched and torn out and Mr. Speaker's mike was snatched and wire pulled out almost all the members in the House including two or three in the Treasury bench stood on their legs and started shouting. )

Shri Dulal Chandra Barua—Why Mukut Sarma has assaulted our vetern leader, Shri Sarat Chandra Sinha ?

( Speaker was semi-circled by some hon. members. There was extreme disorder in the House and some members started thumping the Speaker's table and prevented the Speaker from carrying on the business of the House).

Mr. Speaker—Now I adjourn the House for 10 minutes.

( দহ মিনিট সদন স্থগিত হোৱাৰ পিচত উপাধ্যক্ষই অধ্যক্ষৰ আসন গ্ৰহণ কৰে )

শ্ৰীঅতুল গোস্বামী—মাননীয় উপাধ্যক্ষ মহোদয়, সদনৰ এজন ৰাজ্যিক মন্ত্ৰীয়ে

ছয় বছৰীয়া এজন সন্মানিত সদস্য আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াক আৰু তেখেত এটা গ্ৰুপৰ লিডাৰ, তেখেতক খেদি আহিছে মাৰিবলৈ আৰু এই পবিত্ৰ সদনত পুলিচ অফিচাৰ সোমাইছে। এই দুটা কথা সিদ্ধান্ত নোহোৱালৈকে আমি সদনৰ কোনো বিজিনেচ চলিবলৈ নিদিও।

শ্ৰীভূবনেশ্বৰ বৰ্ম্মণ—উপাধ্যক্ষ মহোদয়, এই সদনলৈ পুলিচ বিষয়া কাৰ হুকুমত আহিল? আপোনাৰ হুকুমত আহিলনে, গৃহমন্ত্ৰীৰ হুকুমত আহিলনে নে সচিবৰ হুকুমত আহিল? এই পবিত্ৰ সদনলৈ পুলিচ বিষয়া ৰিভলভাৰসহ সোমাই আহিছে। চৰছৰ মুখ্যমন্ত্ৰী হৈ থকা সদস্য শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াক ৰাজ্যিক মন্ত্ৰী শ্ৰীমুকুট শৰ্ম্মাই মাৰিবলৈ খেদি আহিছে। এই বিলাক কথা বিচাৰ নহলে আমি সদনৰ কোনো কাৰ্য্য চলিবলৈ নিদিও।

শ্ৰীগজেন তাতি—ৰাজ্যিক মন্ত্ৰী মুকুট শৰ্ম্মাই প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰত চন্দ্ৰ সিংহক ঘোচা মৰা মই নিজে দেখিছো।

(বহুতো সদস্যাই একেলগে কোৱাত কাৰো কথা শুনা নগল)

এই সদনলৈ পুলিচ বিষয়া কেনেকৈ সোমাই আহিল?

শ্ৰীগোলোক কাকতি—উপাধ্যক্ষ মহোদয় ..... (একেলগে বহুকেইজন সদস্যই কৈ থকাত একো শুনা নগল আৰু লিপিবদ্ধ কৰিব পৰা নহল)

ৰাজ্যিক মন্ত্ৰী মুকুট শৰ্ম্মাই সদনৰ এজন অতি সন্মানিত ব্যক্তিক অপমান কৰিছে। তেখেতে ভাবিছে নেকি যে বুঢ়া কাললৈকে তেখেত মন্ত্ৰী হৈ থাকিব আৰু তেখেতক সদায় পুলিচ মিলিটেৰীয়ে পহৰা দি ৰাখিব? তেখেত এজন ডেকা লৰা, তেখেতৰ বয়স বেছি হোৱা নাই ...... (বহুকেইজনে একেলগে কোৱাত লিপিবদ্ধ কৰিব পৰা নগল)

*Mr. Deputy Speaker—I request all the Hon'ble Members to go to their seats. I had been a Member of this August House for last 15 years and never in my life during this 15 years I have met such a situation. This Assam Legislative Assembly is recognised all over India as the most dignified House in India. Not only in India, many of our friends had the opportunity to visit Legislatures and Parliaments

* Speech not corrected.

in different countries of the world. According to them our House is the most dignified keeping high tradition of parliamentary democracy. But unfortunately the situation has arison to day which is rather unprecedented. We might have some omissions and commission. As an individual Member, I personally might have some omission and commission, we might commit some mistake but in the House as a whole never beforc such a situation took place. Under the circumstances I think it is impossible to continue in this manner. I therefore adjourn the House sine die.

## ADJOURNMENT SINE DIE

The House there adjourned sine die at 8-24. p,m.

DISPUR
The 31st March. 1981

P. D. BARUA,
Secretary,
Assam Legislative Assembly.